রাণী চূড়ালা

যোগবাশিষ্ঠ রামায়ণ

শ্রীনন্দেশ্বর দাস

CURZON HALL LIBRARY
ASSAM

ৰাণী-চুড়ালা

যোগবাশিষ্ঠ-ৰামায়ণ

শ্ৰীনন্দেশ্বৰ দাস বি-এছ-চি
গুৱাহাটী

১ম সংস্কৰণ

১৩৫৫ চন
(২৬ আহিন)

বেচ ১॥০ ডেৰ টকা

প্ৰকাশক—
শ্ৰীভবানন্দ ডেকা
গুৱাহাটী ।

প্ৰিণ্টাৰ—
শ্ৰীযদুনাথ দাস
জয়ন্তী আৰ্ট প্ৰেছ,
গুৱাহাটী ।

অৰ্পণ—

কামাখ্যাৰ

কালীপুৰ আশ্ৰমৰ আচাৰ্য্য

পৰমাৰাধ্য

শ্ৰীমৎ স্বামীভূমানন্দ পৰমহংসদেৱৰ

শ্ৰীকৰ-কমলত ।

—**নন্দ**—

CURZON HALL LIBRARY
9 AUG. 1949.
GAUHATI—ASSAM.

ষট্-চক্ৰ



আগ-কথা ।

আধুনিক অসমীয়া সাহিত্যত ধৰ্ম্মগ্ৰন্থ অতি বিৰল, যদিও অসমীয়া সাহিত্যৰ ঘাই ধৰণি পুৰণী ধৰ্ম্মগ্ৰন্থ সকল। লিখকে ইয়াৰ আগতে "সাবিত্ৰী" নামক ধৰ্ম্ম আৰু নৈতিক উপাখ্যানৰ কিতাপ খন অতি উজু ভাষাত লিখি সৰ্ব্বসাধাৰণৰ মাজত নিজৰ যোগ্যতা আৰু জনপ্ৰিয়তাৰ প্ৰমাণ কৰিছে। "ৰাণী চূড়ালা"ৰ উপাখ্যানও—যোগবাশিষ্ঠ ৰামায়ণৰ এটা কাহিনী অৱলম্বন কৰি লিখা। ৰজা শিখিধ্বজক তেওঁৰ পত্নী চূড়ালাই কেনেকৈ নানা প্ৰবন্ধেৰে ব্ৰহ্মজ্ঞান লাভ কৰালে ইয়াত তাকেই সাধুকথাৰ চলতে কোৱা হৈছে—যদিও মূল শাস্ত্ৰৰ নানা শ্লোক আৰু ভাষ্য সাধাৰণৰ বোধগম্য হোৱাকৈ মাজে মাজে উদ্ধৃত কৰা আছে। কিতাপ খনৰ অৱতৰণিকাত লেখকে নিজৰ উদ্দেশ্যৰ সঙ্কেত দিছে আৰু পাঠক সকলে কিতাপখন পঢ়ি অন্ত কৰিলে বুজিব পাৰিব যে, লিখক ভালে পৰিমাণে তেওঁৰ যত্নত সফল মনোৰথ হৈছে। —'আত্মানং বিদ্ধি—"সৰ্ব্বং খল্বিদং ব্ৰহ্ম" ইত্যাদি বেদ-বাক্যৰ সত্যতা কেনেকৈ উপলব্ধি কৰিব আৰু অহমিকা বা ক্ষুদ্ৰ স্বাৰ্থৰ সমাধিৰ ওপৰত কেনেকৈ বৃহৎ অহম্ বা "ব্ৰহ্মোঽহম" সত্যৰ প্ৰতিষ্ঠা হয় তাকেই বুজাবলৈ ইয়াত লিখকে চেষ্টা কৰিছে। শেষৰ অধ্যায়ত সাধন প্ৰণালীৰো চমু আভাস এটা দিয়া হৈছে,—কিন্তু সদ্গুৰু সঙ্গ আত্মজ্ঞান লাভ আৰু পাৰমাৰ্থিক সত্য আয়ত্তৰ বাবে এটা প্ৰকৃষ্ট পন্থা বুলি লিখকে নিৰ্দ্দেশ কৰিছে। ক্ষুদ্ৰ স্বাৰ্থ জড়িত সঙ্কীৰ্ণতাই অকল নিজকে মোহৰ শিকলিৰে বান্ধি নাৰাখে সমাজতো নানা বিৰহ উদ্গীৰণ কৰে,—ইয়াৰ নিবাৰণ কৰিব পাৰিলে ব্যক্তিগত স্বাৰ্থ-সিদ্ধি হোৱাৰ বাহিৰেও সামাজিক সুস্থ উন্নতিৰ বাবেও শিলৰ খটখটী তৈয়াৰ কৰা হব—আৰু এই গ্ৰন্থত এই শিকনিকে দিবলৈ লিখকে প্ৰয়াস কৰিছে। সকলো সদিচ্ছু পাঠক ইয়াৰ দ্বাৰা উপকৃত হব। কিতাপখনৰ ভাষা আৰু উপাখ্যানৰ বৰ্ণনা পদ্ধতি মনোগ্ৰাহী হৈছে।

শ্ৰীহলীৰাম ডেকা

—শলাগনি—

অমূল্য ৰত্নৰ আকৰ স্বৰূপ যোগবাশিষ্ঠ-ৰামায়ণ পৰম মঙ্গলময় আত্মজ্ঞান শিক্ষা দিয়াৰ বাহিৰেও চৰিত্ৰ গঠন কৰি শান্তিৰে জীৱন নিৰ্ব্বাহ কৰিবলৈ বিশেষ উপযোগী। ক্ষুদ্ৰ স্বাৰ্থৰ বাবে খোৱা-কামোৰা কৰি জুৰুলা-জুপুৰা হোৱা সমাজত শান্তি স্থাপন কৰিবলৈ আত্মজ্ঞানহে একমাত্ৰ উপায়। আত্মা সকলোৰে এক-"মদাত্মা সৰ্ব্বভূতাত্মা"। সেই কাৰণে সকলো ধৰ্ম্ম আৰু সমাজৰ মানুহৰে আত্ম-জ্ঞান লাভ কৰি আত্মানন্দ ভোগ কৰিবলৈ অধিকাৰ আছে।

যোগবাশিষ্ঠ-ৰামায়ণৰ চৰ্চ্চা আমাৰ সমাজত বৰ বিৰল। ইয়াৰ সম্পূৰ্ণ অসমীয়া অনুবাদ হোৱা নিতান্ত দৰকাৰ। সুযোগ্য লোকৰ ওপৰত তাৰ ভাৰ ৰাখি এই ক্ষুদ্ৰ প্ৰবন্ধটি ৰাইজৰ আগত দাঙি ধৰিবলৈ দুৰাশা কৰিলোঁ।

সমুদায় প্ৰবন্ধটি আদিৰ পৰা অন্তলৈকে শ্ৰীমৎ স্বামী ভূমানন্দ পৰমহংসদেৱৰ উপদেশেৰে প্ৰভাৱান্বিত। পৰম দয়ালু গুৰুদেৱৰ উৎসাহ আৰু আশীৰ্ব্বাদ নোপোৱা হলে ই যে পোহৰ দেখিবলৈ পালেহেঁতেন তাত সন্দেহ।

অৱশেষত চিলং গভর্ণমেণ্ট হাইস্কুলৰ শিক্ষক শ্ৰীমান খগেন্দ্ৰ নাথ ভূঞাই হাতেলিখা অৱস্থাতে প্ৰবন্ধটি পঢ়ি চাই বৰ্ণাশুদ্ধি আৰু আন আন বিষয়ে পৰামৰ্শ দি বৰ সহায় কৰিলে।

যি সকলো তত্ত্বৰ সাৰ স্বৰূপ, যাৰ বিষয় অৱগত হলে আৰু জানিবলৈ বাকী নাথাকে আৰু যাক অৱলম্বন কৰি মহাত্মাসকলে বাহিৰে বং চং ভিতৰে কোঁৱং-ভাতুৰীৰ নিচিনা সংসাৰৰ প্ৰলোভনৰ পৰা আঁতৰত থাকি পৰমানন্দ ভোগ কৰে সেই গুঢ়তত্ত্বৰ বিষয়ে পৰিশিষ্টত উনুকিয়োৱা হৈছে। সহৃদয় পাঠক-পাঠিকা সকলে তেওঁলোকৰ ব্যস্ত কৰ্ম্ম-জীৱনৰ ভিতৰত অলপ সময় উলিয়াই ইয়াক পঢ়িলে সেই সময়খিনি বিফলে নাযাব। ইয়াত অৱশ্যে বহুত ত্ৰুটি-বিচ্যুতি আছে। গুণগ্ৰাহী পাঠকসকলে সেই ত্ৰুটি-বোৰ আঙুলিয়াই দিলে লিখক বৰ অনুগৃহিত হব।

শ্ৰীনন্দেশ্বৰ দাস

—বিষয় সূচী—

		বিষয়		পিঠি
	১।	অৱতৰণিকা	...	১
	২।	যোগবাশিষ্ঠ-ৰামায়ণ স্থচনা	..	২০
	৩।	ৰাণী-চুড়ালা—		
১ম	অধ্যায়	চূড়ালাৰ যৌৱন-লীলা	...	৩৫
২য়	,,	চূড়ালাৰ আত্ম বিচাৰ	...	৩৯
৩য়	,,	চূড়ালাৰ আত্মজ্ঞান লাভ	...	৪৪
৪ৰ্থ	,,	অণিমাদি যোগসিদ্ধি	...	৪৯
৫ম	,,	শিখিধ্বজৰ ৰাজ্যত্যাগ	...	৫৯
৬ষ্ঠ	,,	ঋষকুমাৰ কুম্ভ	...	৬৩
৭ন	,,	চিন্তামণি সাধক	...	৭২
৮ম	,,	গজোপাখ্যান	...	৮১
৯ম	,,	সৰ্ব্বত্যাগ	...	৮৬
১০ম	,,	চিত্তত্যাগ	...	৯২
১১শ	,,	আত্মবিচাৰ (কাৰ্য্যকাৰণতত্ত্ব)	...	৯৮
১২শ	,,	আত্ম বচাৰ (ত্রিপুটী তত্ত্ব)	...	১০৭
১৩শ	,,	শিখিধ্বজৰ সমাধিলাভ	...	১১৪
১৪শ	,,	মদনিকা	...	১২২
১৫শ	,,	লিলা-বিবাহ	...	১৩১
১৬শ	,,	চূড়ালাৰ আত্মপ্রকাশ	...	১৩৫
১৭শ	,,	পুনৰাভিষেক	...	১৪৩
১৮শ	,,	সামৰণি	...	১৪৭
৪।		পৰিশিষ্ট সাধন-তত্ত্ব	..	১৬১

CURZON HALL LIBRARY
9 AUG. 1949.
GAUHATI—ASSAM.

ৰাণী চূড়ালা

অৱতৰণিকা

অজ্ঞান-তিমিৰান্ধস্য জ্ঞানাঞ্জন-শলাকয়া ।
চক্ষুৰুন্মীলিতং যেন তস্মৈ শ্ৰীগুৰৱে নমঃ ॥

আত্ম জ্ঞানৰ অভাৱেই হৈছে সকলো প্ৰকাৰ অশান্তি আৰু অনৰ্থৰ মূল । আত্ম-তত্ত্বৰ বিষয় অনভিজ্ঞ মানুহে হিতাহিত বিবেচনা ৰহিত হৈ নানা অপকৰ্ম্ম কৰি থাকে । হৃদয়স্থিত মহাবস্তুৰ বিষয় পাহৰি গৈ দুৰ্দ্দান্ত দস্যু ৰত্না-কৰে প্ৰথম অৱস্থাত চুৰি, ডকাইতি আদি নানা গৰ্হিত কাম কৰি জীৱিকা নিৰ্ব্বাহ কৰিছিল বুলি কিংবদন্তি চলি আহিছে । কথিত আছে যে নাৰায়ণৰ পৰম ভক্ত মহামুনি নাৰদৰ লগত এদিনাখন ৰত্নাকৰৰ সাক্ষাৎ হয় । তেতিয়া নিজৰ স্বভাৱৰ দোষত ৰত্নাকৰে নাৰদ মুনিকো বধ কৰিবলৈ উদ্যত হৈছিল । আত্মজ্ঞানী নাৰদে প্ৰতিহিংসা-পৰায়ণ নহৈ কৌশলেৰে ৰত্নাকৰৰ অজ্ঞানতা দূৰ কৰিবলৈ চেষ্টা কৰিলে । ৰত্নাকৰে ইমান

অধমত্ব প্ৰাপ্ত হৈছিল যে তেওঁ দুই অক্ষৰ যুক্ত 'ৰাম' নামকো মুখেৰে উচ্চাৰণ কৰিব নোৱাৰিছিল। অৱশেষত ওচৰত থকা এডাল মৰা গছ দেখুৱাই ৰত্নাকৰক বাৰ বাৰ 'মৰা' শব্দ উচ্চাৰণ কৰিবলৈ কলে। পুনঃ পুনঃ 'মৰা' শব্দ উচ্চাৰণ কৰোঁতে পৱিত্ৰ 'ৰাম' নাম উচ্চাৰণ হোৱাত ৰত্নাকৰৰ মন শুদ্ধ হৈ আহিবলৈ ধৰিলে। তাৰ পিচত যথা সময়ত ক্ষেত্ৰ তৈয়াৰ হোৱাত নাৰদে ৰত্নাকৰৰ চিত্তত তত্বজ্ঞানৰ গুটি সিঁচি দিলে। যি মহাৰামায়ণ শাস্ত্ৰই যুগ-যুগান্তৰ ধৰি মানৱ জাতিক জ্ঞানানন্দ দান কৰিছে, সি এই নাৰদে ৰোপণ কৰা জ্ঞানবৃক্ষৰ ফল।

এইটো সকলোৱে বুজে যে যত্ন বিনা ৰত্ন লাভ নহয়। পুৰুষকাৰ সহকাৰে সাধনা কৰিলেহে মহৎ কাৰ্য্য সাধন কৰিব পাৰি। ভাগ্য বা অদৃষ্টও পূৰ্ব্ব জন্মৰ পুৰুষকাৰৰ ফল। নাৰদৰ উপদেশ শিৰোধাৰ্য্য কৰি ৰত্নাকৰে দীৰ্ঘকাল ব্যাপি অতি কঠোৰ তপস্যা কৰিছিল। সাধনাৰ গুণত ৰত্নাকৰৰ অন্তৰ্নিহিত মহাৰত্নৰ উদ্ধাৰ হয়। সাধনাৰ দ্বাৰা আত্মদৰ্শন লাভ কৰি দস্যু ৰত্নাকৰে মহাজ্ঞানী মহৰ্ষি বাল্মীকিৰূপে পৰিচিত হৈ আহিছে। লোক-পিতামহ ব্ৰহ্মাৰ আদেশ অনুযায়ী মহৰ্ষি বাল্মীকিয়ে মানৱ জাতিৰ কল্যাণৰ কাৰণে মৰ্ম্মস্পৰ্শী ভাষাৰে

অতি মনোৰম ৰামায়ণ শাস্ত্ৰ প্ৰণয়ন কৰি জগতত শান্তিৰ বাণী প্ৰচাৰ কৰিলে।

মহৰ্ষি বাল্মীকিয়ে প্ৰথমে ২৪০০০ শ্লোক বিশিষ্ট সপ্তকাণ্ড ৰামায়ণ ৰচনা কৰে। কথিত আছে যে ৰামায়ণেই আদিকাব্য আৰু বাল্মীকিয়েই আদি-কবি। এই মহাকাব্য অতি পুৰণি কালৰ ৰচিত হলেও ই সদায় নতুনৰ দৰে লোক সকলক সমান ভাৱে আনন্দ দান কৰিব পাৰিছে। প্ৰভু ৰামচন্দ্ৰৰ জন্ম-কৰ্ম্ম সম্বলিত করুণ-ৰসাত্মক এই মহাকাব্য মানুহৰ দুৰ্দ্দাম মনক কোমল আৰু ধৰ্ম্ম-প্ৰৱণ কৰিবলৈ বিশেষ উপযোগী। প্ৰগাঢ় পুত্ৰবাৎসল্য, কঠোৰ সত্যনিষ্ঠা, অসাধাৰণ পিতৃভক্তি ভাতৃ-স্নেহ, দাম্পত্য-প্ৰেম প্ৰজাৰঞ্জন, কৰ্ত্তব্যজ্ঞান, গুৰু-ভক্তি, ত্যাগ, পাপৰ পৰিণাম আৰু ধৰ্ম্মৰ জয়—এই বিলাকেই হৈছে সপ্তকাণ্ড ৰামায়ণৰ প্ৰধান শিক্ষাৰ বিষয়। নানা ৰকমৰ করুণৰসাত্মক উপাখ্যানবোৰক মনোহৰ উপমা আৰু হৃদয়গ্ৰাহী ভাষাৰে ইমান মৰ্ম্মস্পৰ্শী কৰি অঙ্কিত কৰা হৈছে যে ই সদায় নতুনৰ দৰে মানুহক মুগ্ধ কৰি ৰাখিছে। চন্দ্ৰ-দিবাকৰ থাকে মানে এই মহাকাব্য ৰামায়ণৰ আদৰ নকমে।

মহাত্মা বাল্মীকিয়ে প্ৰথমে তেওঁৰ প্ৰিয় শিষ্য ভৰদ্বাজক তেওঁৰ ৰচিত ৰামায়ণ পঢ়ি শুনায়। মেধাবী

ভৰদ্বাজে শুনামাত্ৰকে সমুদায় ৰামায়ণখন আদ্যোপান্ত মুখস্থ কৰি পেলালে। মহাত্মা ভৰদ্বাজে প্ৰথমে লোক-পিতামহ ব্ৰহ্মাৰ আগত এই ৰাম-চৰিত্ৰ কীৰ্ত্তন কৰে আৰু তাৰ পিচত ই ক্ৰমে লোক-সমাজত প্ৰচাৰিত হয়। ভৰদ্বাজৰ মুখৰপৰা ৰামায়ণকথা শুনি সৃষ্টি-কৰ্ত্তা ব্ৰহ্মাই বৰ সন্তোষ লাভ কৰে আৰু ভৰদ্বাজক বৰ দিবলৈ মন কৰে। লোকহিতকাৰী ভৰদ্বাজে ব্যক্তিগত স্বাৰ্থৰ প্ৰতি আওকাণ কৰি ব্ৰহ্মাৰ ওচৰত এই প্ৰাৰ্থনা কৰিলে যে লোক-সকলে যাতে নানা দুখৰপৰা ত্ৰাণ পাব পাৰে তাৰে উপায় কৈ দিব লাগে। ভগৱান ব্ৰহ্মাই ভৰদ্বাজক প্ৰশংসা কৰি কলে যে এই বিষয়ে তেওঁ তেওঁৰ গুৰু বাল্মীকিৰপৰা উপদেশ পাব। ব্ৰহ্মাই ভৰদ্বাজক আকৌ কলে যে বাল্মীকিয়ে যি অধ্যাত্ম-ৰামায়ণ ৰচনা কৰিব খুজিছে তাৰ সহায়ত লোকসকলে দুখৰ মূল কাৰণ বিষম মোহ বা ভ্ৰান্তিৰপৰা উত্তীৰ্ণ হৈ মোক্ষ লাভ কৰিব পাৰিব।

সত্যসঙ্কল্প ব্ৰহ্মাৰ নিৰ্দ্দেশ অনুসাৰে তত্ত্বজ্ঞ বাল্মীকিয়ে সংসাৰ-সমুদ্ৰপাৰ-হেতু যোগবাশিষ্ঠ-ৰামায়ণ প্ৰণয়ন কৰে। পৰম মঙ্গলময় পৰমোৎকৃষ্ট আত্মজ্ঞান লাভ কৰি সংসাৰৰ দুখ-শোকৰপৰা নিস্তাৰ পাবলৈ আৰু লোক সমাজত শান্তি স্থাপন কৰিবলৈ এই সৰ্ব্বোত্তম

যোগবাশিষ্ঠ-ৰামায়ণ অতি উত্তম অৱলম্বন। শ্ৰীৰামচন্দ্ৰ আৰু বশিষ্ঠৰ ভিতৰত হোৱা কথোপকথনক উপলক্ষ কৰি যি তত্ত্বকথা ব্যক্ত কৰা হৈছে সেয়ে ৰত্নাকৰৰ সাধনাৰ দ্বাৰা লাভ কৰা মহাৰত্ন আত্মজ্ঞান, যাৰ সহায়ত অতি অধম মনুষ্যেও ঈশ্বৰত্ব লাভ কৰিব পাৰে। সৰ্ব্ব সংহিতাৰ সাৰস্বৰূপ এই যোগবাশিষ্ঠ-ৰামায়ণ পাঠ বা শ্ৰৱণ কৰিলে মানুহে অনিচ্ছা স্বত্বেও নিৰ্ব্বাণ পদ লাভ কৰিব পাৰে। ভ্ৰান্তি দূৰীকৰণ কৰি অনিৰ্ব্বচনীয় শান্তি লাভ কৰাই এই শাস্ত্ৰৰ উদ্দেশ্য।

জগতৰ সকলো প্ৰাণীয়ে সুখৰ কাৰণে লালায়িত। কিন্তু এই সংসাৰত সুখী মানুহৰ সংখ্যা নিতান্ত তাকৰ। সুখ-লালসা পৰিতৃপ্ত কৰিবৰ নিমিত্তে মানুহে হাবাথুৰি খাই ফুৰে; কিন্তু সুখৰ লেশমাত্ৰও বিচাৰি নাপায়। নানা বিষয় ভোগ কৰিও মানুহৰ মন সদায় অতৃপ্ত আৰু অশান্ত। যিমানে ভোগ কৰা যায় ভোগ-লালসা সিমানে বৃদ্ধিহে হয়। লালসা বৃদ্ধিৰ লগে লগে চিত্ত-চাঞ্চল্যও ক্ৰমে বৃদ্ধি হৈ থাকে। এই চিৰ অশান্তিৰ মূল কাৰণ হৈছে আত্মাৰ স্বৰূপচ্যুতি বা আত্ম-বিস্মৰণ। স্বৰূপৰ বিস্মৰণ হোৱাৰ পৰাই অভাৱৰ উৎপত্তি। যেতিয়ালৈকে স্বৰূপাৱস্থা লাভ নহয়, তেতিয়ালৈকে অভাৱৰপৰা উৎপন্ন হোৱা নানা দুখৰ অন্ত

নপাবে। যি উপায়ে অভাৱ দূৰ কৰি স্বধামলৈ উঠিব পৰা যায় তাৰ উপায় নিৰূপণ কৰাই যোগবাশিষ্ঠ-ৰামায়ণৰ উপপাদ্য বিষয়। ইয়াত দেখুওৱা হৈছে যে এই অভাৱগ্ৰস্ত অৱস্থাৰপৰা নিজক মুক্ত কৰিবৰ নিমিত্তে জ্ঞান আৰু কৰ্ম্ম উভয়ৰে আৱশ্যক। বিচাৰৰ দ্বাৰা বস্তুৰ সম্যক দৰ্শন লাভ কৰাই জ্ঞানৰ কাৰ্য্য। অভ্যাস-যোগৰদ্বাৰা চিত্তৰ চঞ্চলতা নিবাৰণ কৰি সাম্যাৱস্থা লাভ কৰাই কৰ্ম্ম। চৰায়ে যেনেকৈ দুখন ডেউকাৰ সহায়েৰে আকাশলৈ উঠিব পাৰে, সেইদৰে প্ৰাণী-সকলেও জ্ঞান আৰু কৰ্ম্মৰ সহায়ত স্বধামলৈ বা বৈকুণ্ঠ-ধামলৈ উঠি সকলো প্ৰকাৰ অশান্তিৰ হাত সাৰিব পাৰে।

অতীন্দ্ৰিয় আত্মতত্ত্ব হৃদয়ঙ্গম কৰা অত্যন্ত কঠিন। এই অসুবিধা উপলব্ধি কৰি তত্ত্বদৰ্শী মহৰ্ষি বাল্মীকিয়ে প্ৰত্যেক বিষয়কে নানা কালৰপৰা পুঙ্খানুপুঙ্খৰূপে পুনঃ পুনঃ আলোচনা কৰিছে। সৰ্ব্ব সাধাৰণেও যাতে এই তত্ত্বজ্ঞান লাভ কৰিব পাৰে তাৰ বাবে হৃদয়গ্ৰাহী উপমাৰে বহু উপাখ্যান বৰ্ণনা কৰা হৈছে। এই দৰেই ৩২০০০ শ্লোকবিশিষ্ট এই সুবৃহৎ যোগবশিষ্ঠ-ৰামায়ণ সঙ্কলিত হৈছে। এই শাস্ত্ৰ ছয়টি প্ৰকৰণত বিভক্ত। যেনে :—

(১) বৈৰাগ্য-প্ৰকৰণ :—এই প্ৰকৰণৰ শ্লোক-সংখ্যা ১৫০০। জগতৰ নশ্বৰতা দেখি প্ৰভু ৰামচন্দ্ৰৰ মনত প্ৰৱল বৈৰাগ্যৰ উদয় হয় আৰু মৃগতৃষ্ণা সদৃশ মোহ-ময় সংসাৰৰপৰা উদ্ধাৰ হবৰ নিমিত্তে তেওঁ অত্যন্ত ব্যস্ত হৈ পৰে। বৈৰাগ্য ব্যতীবেকে ধৰ্ম্মজগতত প্ৰৱেশ কৰিব নোৱাৰি। বিষয়ৰ দোষ দৰ্শন কৰি কেনেকৈ ৰামচন্দ্ৰৰ মনত বৈৰাগ্য জন্মিছিল সেই সম্বন্ধে এই প্ৰকৰণত আলোচনা কৰা হৈছে।

(২) মুমুক্ষু-ব্যৱহাৰ-প্ৰকৰণ :—এই প্ৰকৰণৰ শ্লোক সংখ্যা ১০০০। বিচাৰদ্বাৰা বিষয়ৰ দোষ দেখিলে স্বভাৱতে তাৰ হাত-সাৰিবৰ নিমিত্তে মানুহৰ প্ৰবৃত্তি জন্মে। মুমুক্ষু অৰ্থাৎ মুক্তি-কামীসকলৰ স্বভাৱ আৰু ব্যৱহাৰ—যেনে, শম, সন্তোষ, সাধুসঙ্গ অভ্যাস, পুৰুষকাৰ, গুৰূপদেশ পালন, শাস্ত্ৰানুশীলন প্ৰভৃতি বিষয় এই প্ৰকৰণত বৰ্ণোৱা হৈছে।

(৩) উৎপত্তি-প্ৰকৰণ :—এই প্ৰকৰণৰ শ্লোক-সংখ্যা ৭০০০। ইয়াৰ প্ৰধান আলোচ্য বিষয় হৈছে জগতৰ উৎপত্তি। মনৰ উৎপত্তিৰপৰাই জগতৰ উৎপত্তি আৰু মনৰ লয় হলেই জগতখো লয় হয়। মন আৰু জগতৰ স্বৰূপ কি? আৰু উভয়ৰ ভিতৰত কি সম্বন্ধ?

শম = ইন্দ্ৰিয় নিগ্ৰহ

সেই সম্পৰ্কে এই প্ৰকৰণত বিস্তাৰিত-ভাৱে আলোচনা কৰা হৈছে। পৰমাত্মাৰ জ্ঞেয়-ভ্ৰান্তিৰপৰাই অহঙ্কাৰ, মন, বুদ্ধি, ইন্দ্ৰিয় আৰু জগতৰ উৎপত্তি। ভ্ৰান্তিৰ পৰা উৎপন্ন বুলি এই পৰিদৃশ্যমান জগতো ভ্ৰান্তিময় আৰু অসাৰ। সঙ্কল্পযুক্ত মনেই হৈছে ব্ৰহ্মা, সৃষ্টিকৰ্ত্তা বা সত্যসঙ্কল্প ঈশ্বৰ। প্ৰকৃত পক্ষে ব্ৰহ্ম জগতৰ কাৰণ নহয়—তেৱেঁই স্বয়ং জগৎ।

(৪) স্থিতি-প্ৰকৰণ :—ইয়াৰ শ্লোক-সংখ্যা ৩০০০। কি ভাৱে অহঙ্কাৰৰপৰা ভ্ৰান্ত জগতৰ স্থিতি আৰু বৃদ্ধি হৈছে, সেই বিষয়ে এই প্ৰকৰণত বিশদ্ ভাৱে আলোচনা কৰা হৈছে।

(৫) উপশম-প্ৰকৰণ :— ইয়াৰ শ্লোক-সংখ্যা ৫০০০। কেনেকৈ জগৎভ্ৰম, সংসাৰভ্ৰম বা দেহভ্ৰম আঁতৰি গলে চিত্ত স্থিৰ আৰু মন উপশান্ত (প্ৰসন্ন) হয় সেই বিষয়ে এই প্ৰকৰণত আলোচনা কৰা হৈছে।

(৬) নিৰ্ব্বাণ-প্ৰকৰণ :— এই প্ৰকৰণৰ শ্লোক-সংখ্যা ১৪,৫০০। ইয়াক দুটি ভাগত—বিভক্ত কৰা হৈছে। যেনে—(ক) পূৰ্ব্বভাগ আৰু (খ) উত্তৰভাগ।

(ক) পূৰ্ব্বভাগ—এই ভাগৰ আলোচ্য বিষয় হৈছে অদ্বৈততত্ত্ব। এই ভাগত দেখুওৱা হৈছে যে, ব্ৰহ্ম আৰু জগৎ পৃথক নহয়—কেৱল ভ্ৰান্তিতে পৃথক বুলি

অনুমান কৰা হয়। পৰিদৃশ্যমান সমুদায় জগতেই এক ব্ৰহ্ম।

(খ) উত্তৰভাগ—এই ভাগত দেখুওৱা হৈছে যে বিচাৰৰ দ্বাৰা আত্মপ্ৰত্যয় জন্মিলে অবিদ্যা বা মায়াৰ উচ্ছেদ হয় আৰু দৃশ্য-দৰ্শন বিনষ্ট হয়। দৃশ্য-দৰ্শন লোপ হলে 'সোঽহং', 'অহংব্ৰহ্ম' 'তত্ত্বমসি' আদি মহা-বাক্যৰ সত্যতা উপলব্ধি কৰিব পৰা যায়। এয়ে হৈছে ব্ৰহ্মজ্ঞান বা আত্মজ্ঞান। যি জনে এই জ্ঞান লাভ কৰিব পাৰে সিজনক কোনো পাৰ্থিব অভাৱে এনে কি মৰণ-ভীতিয়েও বিচলিত কৰিব নোৱাৰে।

বৰ্ত্তমান জড়বিজ্ঞানৰ দিনত বহুত আচৰিত আচৰিত আবিষ্কাৰ হৈছে। তাকে দেখি মানুহৰ মন ভবধ মানিছে আৰু জড়জগতৰ বাহিৰে যে কিবা থাকিব পাৰে সেই বিষয়ে ভাবিব নোৱাৰা হৈছে। জড়ৰ বিষয় ভাবি ভাবি মানুহৰ মনো নিতান্ত জড়ত্ব প্ৰাপ্ত হৈছে। তাৰ ফলতে ধৰ্ম্ম, ধৰ্ম্মশাস্ত্ৰ আৰু ভগৱানৰ প্ৰতি মানুহৰ মন বহু পৰিমাণে শিথিল হৈ পৰিছে আৰু তাৰ পৰিণাম হৈছে লোক-সমাজত ভীষণ অশান্তি। মিথ্যা, প্ৰৱঞ্চনা, কপটতা, জালজুৱাচুৰি, ধাদ-বিসম্বাদ, হিংসা-দ্বেষ, যুদ্ধ-বিদ্ৰোহ প্ৰভৃতিৰদ্বাৰা যে লোক-সমাজ জৰ্জ্জৰিত হৈছে তাৰ মূল কাৰণ হৈছে ধৰ্ম্মশাস্ত্ৰ আৰু

ঋষিবাক্যৰ প্ৰতি মানুহৰ অৱজ্ঞা। পুৰণি কালত ঋষি-মুনিবিলাকে অসাধাৰণ সাধনা আৰু ধীশক্তিৰ বলত অতি সূক্ষ্ম আত্মতত্ত্ব আৱিষ্কাৰ কৰিছিল। হিন্দু-দৰ্শন শাস্ত্ৰ তেওঁলোকৰ গভীৰ গৱেষণাৰ ফল। জড়বিজ্ঞান জড়পদাৰ্থতে সীমাবদ্ধ। দৰ্শনশাস্ত্ৰই মানুহক ঈশ্বৰত্ব লাভ কৰাব পাৰে। অধিকন্তু বিজ্ঞানে এনে কোনো তত্ত্ব উলিয়াব পৰা নাই—যি ভগৱানৰ সৃষ্টি-তত্ত্বৰ বাহিৰে। ভগৱানৰ সৃষ্টিত যে কিমান অদ্ভুত অদ্ভুত ৰহস্য নিহিত আছে তাক অনুমান কৰা অসম্ভৱ। নিউটনৰ নিচিনা বিখ্যাত বৈজ্ঞানিকেও স্বীকাৰ কৰি গৈছে যে তেওঁ যি শিকিছিল বা জানিব পাৰিছিল সি সাগৰৰ বালিৰ ক্ষুদ্ৰ কণিকাৰ তুল্য। বিখ্যাত বৈজ্ঞানিক পণ্ডিত লাপল্‌চেও মৃত্যু-শয্যাত পৰি ভগৱানৰ অস্তিত্ব স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল। বৰ্ত্তমান বৈজ্ঞানিক লেৱবেটৰীত মাৰণাস্ত্ৰ তৈয়াৰ হব ধৰিছে। কিন্তু দাৰ্শনিক গৱেষণা-গাৰত আত্মদৰ্শন ঘটে। বিজ্ঞান-শাস্ত্ৰৰ উদ্দেশ্যও মহৎ-সত্যৰ অনুসন্ধান কৰা। কিন্তু জড়বুদ্ধি সম্পন্ন কলিৰ মানৱ সমাজে সেই পৱিত্ৰ বিজ্ঞান-শাস্ত্ৰক নিয়োগ কৰিছে,—হিংসা আৰু বিলাসৰ সামগ্ৰী আৱিষ্কাৰ কৰাত। সমুদায় বিশ্ববাসীৰ শাশ্বত কল্যাণ সাধন কৰাই মনুষ্য জীৱনৰ ধৰ্ম্ম আৰু তাতেই প্ৰকৃত সুখ আৰু শান্তি লাভ হয়।

বিজ্ঞানৰ মতেও দেখা যায় যে জড়-পদাৰ্থবিলাক শক্তিৰে বিকাশ। পদাৰ্থবিলাক প্ৰথমে কিছুমান "এটম্" বা পৰমাণুৰ সমষ্টি। পৰমাণুবিলাক আকৌ তাতকৈ সূক্ষ্ম 'ইলেক্ট্ৰনৰ'পৰা উৎপন্ন। এই 'ইলেকট্ৰন' তড়িৎ শক্তিৰ বাহিৰে অইন একো নহয়। এই 'ইলেক্ট্ৰন' আকৌ কেতবোৰ 'নেবুলা' অৰ্থাৎ নীহাৰিকাৰ সমষ্টি। এই নীহাৰিকাও শক্তিৰে বিকাশ। কাজেই দেখা যায় যে শক্তিয়েই ঘনীভূত হৈ জড়-পদাৰ্থত পৰিণত হয়। এই নীহাৰিকাৰপৰা জ্বলন্ত সূৰ্য্যৰ উৎপত্তি আৰু সূৰ্য্যৰপৰা গ্ৰহ, উপগ্ৰহ, মাটি, পানী, বায়ু, নদ, নদী, পৰ্ব্বত, সাগৰ, জীৱ-জন্তু, কীট-পটঙ্গ, আদি নানা পদাৰ্থৰ উৎপত্তি হৈছে। বিজ্ঞানৰ মতে নীহাৰিকাই সকলোৰে মূল। নীহাৰিকাৰ ওপৰত কি আছে বিজ্ঞানে কব নোৱাৰে। বিজ্ঞান-শাস্ত্ৰ এই খিনিতে সীমাবদ্ধ আছে। বৰ্ত্তমান কাৰ্য্য-কাৰণ বুদ্ধিৰ দ্বাৰা ইয়াৰ বাহিৰে যোৱা অসম্ভৱ।

দৰ্শনে জড়-বিজ্ঞানতকৈ বহুত সূক্ষ্ম তত্ত্ব আৱিষ্কাৰ কৰিছে। এনেকুৱা কি বস্তু আছে যাক জানিব পাৰিলে সমুদায় জনা যায়? "কস্মিন্ন্ ভগবো বিজ্ঞাতে সৰ্ব্বমিদং বিজ্ঞাতং ভবতি?" এই তত্ত্ব নিৰ্ণয় কৰাই হৈছে ধৰ্ম্ম-বিজ্ঞানৰ চেষ্টা। দৰ্শনৰ মতে শুদ্ধ চৈতন্যই সকলোৰে মূল। তাকেই নানা জনে নানা ভাৱে ব্যক্ত কৰিছে—যেনে,

জ্ঞান, শুদ্ধচৈতন্য, পৰমাত্মা, পৰমেশ্বৰ, ভগৱান ইত্যাদি। পৰমাত্মা স্ব-স্বৰূপত নিত্য-শুদ্ধ-বুদ্ধ-মুক্ত-জ্ঞানস্বভাৱ। সৃষ্টিৰ আদিত তেওঁ নিজেই নিজক অনুভৱ কৰিবলৈ ইচ্ছা কৰিলে। পৰমাত্মাৰ ইচ্ছা শক্তিৰপৰা মায়া বা অবিদ্যাৰ উৎপত্তি। এই মায়া শক্তি, উপাদান কাৰণ আৰু জড়। চিৎশক্তি নিমিত্ত কাৰণ আৰু অজড়। এই দুই শক্তিৰ সংযোগত জীৱ আৰু জগতৰ সৃষ্টি হৈছে। পৰমাত্মাই আদিতে জ্ঞান, জ্ঞেয় আৰু জ্ঞাতা—ত্ৰিধা বিভক্ত হৈ নিজেই নিজক অনুভৱ কৰে। এইদৰে অনুভৱ কৰোঁতে কৰোঁতে স্বৰূপ পাহৰি নিজকে বিৰূপ জগৎৰূপে কল্পনা কৰে। আত্মাৰ জ্ঞেয়ভ্ৰান্তিৰ পৰাই অহংজ্ঞান, মন, বুদ্ধি, আদি চতুৰ্ব্বিংশতি তত্ত্বৰ উৎপত্তি। কল্পনাৰপৰা উৎপন্ন বুলি এই জগত কাল্পনিক। তত্ত্বজ্ঞানৰ মহামন্ত্ৰেৰে মায়াৰ ইন্দ্ৰজাল ভেদ কৰিব পাৰিলেহে পুনৰ স্বৰূপাৱস্থা লাভ কৰিব পৰা যায়। তেতিয়াহে সকলো প্ৰকাৰ চিত্তচাঞ্চল্যকৰ অশান্তিৰ অন্ত পৰিব। এই জড়-জগতৰ উৎপত্তি, আশ্ৰয় আৰু লয়স্থান জ্ঞানস্বৰূপ ভগৱান।

আত্মাৰ জ্ঞেয়-ভ্ৰান্তিয়েই প্ৰকৃতি, অবিদ্যা, মায়া, মহামায়া, যোগমায়া আদ্যাশক্তি। সৃষ্টিৰ উপাদান স্বৰূপ যি চতুৰ্ব্বিংশতি তত্ত্বৰ কথা শাস্ত্ৰত উল্লেখ আছে—

সেইবিলাক প্ৰকৃতিৰেই ধৰ্ম্ম। এই চতুৰ্ব্বিংশতি তত্ত্ব এই :—

(১) প্ৰকৃতি	(৭) ৰূপ	(১৩) অপ	(১৯) নাসিকা
(২) মহৎ	(৮) ৰস	(১৪) ক্ষিতি	(২০) হস্ত
(৩) অহঙ্কাৰ	(৯) গন্ধ	(১৫) কৰ্ণ	(২১) পদ
(৪) মন	(১০) আকাশ	(১৬) ত্বক	(২২) মুখ
(৫) শব্দ	(১১) বায়ু	(১৭) চক্ষু	(২৩) পায়ু
(৬) স্পৰ্শ	(১২) তেজ	(১৮) জিহ্বা	(২৪) লিঙ্গ

অহংজ্ঞানেই মন। মনৰ ভিতৰতে শৰীৰৰ সূক্ষ্ম ভাববিলাক নিহিত থাকে। সেই ভাববিলাকেই হৈছে পূৰ্য্যষ্টক। মন, বুদ্ধি, অহঙ্কাৰ, শব্দ, স্পৰ্শ, ৰূপ, ৰস আৰু গন্ধ এই এই আঠোটিকে পূৰ্য্যষ্টক বোলে। যোগবাশিষ্ঠৰ মতে যি পূৰ্য্যষ্টক শ্ৰীমদ্‌ভগবদ্‌গীতাৰ মতে সেয়ে শ্ৰীভগৱানৰ অষ্টধা বিভক্ত অপৰা প্ৰকৃতি। ইয়াৰ বাহিৰে ভগৱানৰ আন এটি প্ৰকৃতি হৈছে পৰা পৰ্থাৎ চেতনময়ী—যাৰদ্বাৰা সমুদয় জগতকে ধাৰণ কৰিছে। অপৰা প্ৰকৃতি জড় আৰু অনিত্য। মায়াৰ দ্বাৰা ৰচিত এই জড় জগত মায়াময় আৰু অনিত্য।

মহৎ (মহত্তত্ত্ব)—বুদ্ধি স্বৰূপ। পায়ু—মলদ্বাৰ।
ত্বক্—ছাল, বাকলি।

ভূমিৰাপোহনলো বায়ুঃ খং মনোবুদ্ধিৰেব চ।
অহঙ্কাৰ ইতীয়ং মে ভিন্না প্ৰকৃতিৰষ্টধা।
অপৰেয়মিতস্ত্বন্যাং প্ৰকৃতিং বিদ্ধি মে পৰাম্।
জীৱভূতাং মহাবাহো! যয়েদং ধাৰ্য্যতে জগৎ॥

[গীতা, ৭ম অধ্যায়, ৪, ৫, শ্লোক]

এই মায়াময় মোহময় জগতৰপৰা উদ্ধাৰ হবৰ নিমিত্তে যোগী-ঋষিসকলৰ প্ৰদৰ্শিত পথ অৱলম্বন কৰাই একমাত্ৰ উপায়। যেতিয়ালৈকে এই মায়াৰ বন্ধন ছিন্ন কৰিব পৰা নাযায় তেতিয়ালৈকে লোকসকলে শোক-তাপৰ অধীন হৈ সংসাৰ-চাকনৈয়াত পৰি ঘূৰি থাকিবই লাগিব। শ্ৰদ্ধা সহকাৰে শাস্ত্ৰ প্ৰদৰ্শিত পথ অৱলম্বন কৰিলে যে ঋষি-বাক্যৰ সত্যতা উপলব্ধি কৰিব পৰা যায় তাত সন্দেহ নাই। শোক, তাপ ৰোগ, ভয়ৰ হাতসাৰি বিমলানন্দ উপভোগ কৰাৰ একমাত্ৰ উপায় হৈছে আত্মজ্ঞান লাভ কৰা। আত্ম-জ্ঞান লাভ কৰি শান্তি উপভোগ কৰাই ধৰ্ম্মৰ শিক্ষা। তাকে নকৰি পশুৰ আচাৰ অৱলম্বন কৰিলে তেলভকুৱাই বাঘ-পকৱাৰ ভাবনা কৰি বাঘ-পকৱা হোৱাৰ দৰে পশু জীৱনত পৰিণত হব লাগিব।

সকলোৱে ইচ্ছা কৰে ভগৱানক দেখা পবলৈ। কিন্তু জড়চকুৰে জড়জগতৰ যি কোনো এটি দৃশ্যত বাদে পৃথক

ভগৱান দৰ্শন কৰা অসম্ভৱ । পৰমাত্মাই পৰমেশ্বৰৰ স্বৰূপ। অন্তৰস্থ পৰমাত্মাক নিজৰ অন্তৰাত্মাৰদ্বাৰা উপলব্ধি কৰিব নোৱাৰিলে বাহিৰত তেওঁক উপলব্ধি কৰা টান। জ্ঞানৰ মলিন অৱস্থাই হৈছে মন। সাধনাৰদ্বাৰা মনৰ মলিনত্ব দূৰ কৰিলে মন জ্ঞানস্বৰূপে প্ৰতিভাত হয়। কিন্তু মন অত্যন্ত চঞ্চল। মনক স্থিৰ ৰাখি সাধনা কৰা বৰ কঠিন। সেই কাৰণে সাধনাত সুপণ্ডিত গুৰুৰ সহায় অনিবাৰ্য্য। সামান্য অ, আ, ক, খ শিকিবলৈ যদি গুৰুৰ দৰকাৰ হয় তেন্তে অতীন্দ্ৰিয় আত্মতত্ত্ব বুজিবলৈ গুৰুৰ দৰকাৰ নাই বোলা কথা প্ৰলাপ বাক্যত বাদে আন কি হব পাৰে? জগতৰ ঈশ্বৰ ৰামচন্দ্ৰকো কুল-গুৰু বশিষ্ঠৰপৰা তত্ত্বোপদেশ লবৰ আৱশ্যক হৈছিল। এনেকুৱা অৱস্থাত ক্ষুদ্ৰ বুদ্ধিৰ সাধাৰণ মানুহৰ পক্ষে গুৰুৰ আশ্ৰয় বিনা তৰণৰ উপায় নাই। আমালোকৰ অন্তৰতে সদায় কাম, ক্ৰোধাদি ৰিপুৰ লগত কুৰুক্ষেত্ৰৰ যুদ্ধ চলিব লাগিছে। দেহৰূপ ৰথৰ মনোৰূপ ঘোঁৰাক গুৰুৱে সাৰথী হৈ স্থিৰ কৰি নাৰাখিলে ইন্দ্ৰিয়-যুদ্ধত জয় লাভ কৰা অসম্ভৱ।

এইটো সকলোৱে স্বীকাৰ কৰে যে ভগৱান সকলো বস্তুতে আছে। কিন্তু বাহিৰৰ বস্তুৰ ভিতৰত প্ৰৱেশ কৰি ভগৱান তাত কি ভাৱে থাকে তাক জানিবৰ উপায় নাই। বাহিৰৰ বস্তুৰ ভিতৰত ভগৱানক বিচাৰিবলৈ

গলেই সি বিকৃত হৈ পৰে। সেই কাৰণেই বৈজ্ঞানিক বিলাকৰ গৱেষণা ব্যৰ্থ হৈ যায়। বাহিৰৰ বস্তুত ভগৱানক উপলব্ধি কৰিবলৈ কৰা চেষ্টা বিড়ম্বনা। সহজ উপায় হৈছে নিজৰ অন্তৰতে ভগৱানক বিচৰা।

নিজৰ ভিতৰত যে ভগবান আছে তাক আমি সদায় দেখোঁ। আমালোকৰ ইচ্ছা বা অনিচ্ছালৈ অপেক্ষা নকৰি কোনোবা এজনে অবিৰাম নিশ্বাস প্ৰশ্বাসৰ ক্ৰিয়াৰদ্বাৰা দেহ-যন্ত্ৰ চলাই থাকে। আমালোকে টোপনিত অচেতন হৈ পৰি থাকিলেও কোনোবাই সাৰে থাকি এই কাৰ্য্য কৰি থাকে। যি জন পুৰুষে এই দৰে ক্ৰিয়া চলাই আমালোকক জীয়াই ৰাখিছে তেওঁেই ভগৱান। সেই ভগৱান দেহাতীত আৰু ইন্দ্ৰিয়াতীত। কৌশল ক্ৰমে তিলৰ ভিতৰৰপৰা তেল আৰু গাখীৰৰ ভিতৰৰ পৰা ঘিঁউ বাহিৰ কৰাৰ দৰে ভগৱানকো কৌশল ক্ৰমে নিজৰ দেহৰ ভিতৰতে পৃথক অনুভৱ কৰিব পাৰি। কিন্তু এই কৌশলৰ চাবি তত্ত্বজ্ঞানী গুৰুৰ হাতত।

গুৰু সামান্য মানৱ নহয়। গুৰু আৰু ভগৱান অভেদ। বাহিৰত দেখিবলৈ হলে তত্ত্বজ্ঞানী গুৰুৱে ভগৱান। অন্তৰত তেওঁেই দ্বিদলবিহাৰী গুৰু। তত্ত্ব-জ্ঞানেই হৈছে দিব্যচক্ষু। এই দিব্যচক্ষুৰ সহায়ত অৰ্জুনে তেওঁৰ গুৰু শ্ৰীকৃষ্ণৰ বিশ্বৰূপ দৰ্শন কৰিবলৈ সমৰ্থ

হৈছিল। ভ্ৰূদ্বয়ৰ মধ্যবৰ্ত্তী সকলো শক্তিৰ আধাৰস্বৰূপ ঠাই খিনিকে দ্বিদল বোলে। তাকেই 'উকাঁৰ'ৰ ঘাটো বোলে। কোনো কোনোৱে এই ঠাইকে সত্যলোক, গোলোক, শিৱলোক, বাৰাণসী হৃদয় ইত্যাদি নামেৰেও অভিহিত কৰে। শৰীৰৰ ভিতৰত এয়ে হৈছে গুৰুৰ স্থান। গুৰুৱে যেতিয়ালৈকে এই থানত অৱস্থিতি কৰে তেতিয়ালৈকে জীৱন আৰু গুৰুৱে এৰা দিলেই অন্ধকাৰময় মৃত্যু।

জ্ঞান, আত্মা, ব্ৰহ্ম, ভগৱান, চিৎ এক পৰ্য্যায়ভুক্ত কথা। জ্ঞান স্বস্বৰূপত নিগুৰ্ণ, নিৰাকাৰ, নিৰ্ব্বিকাৰ, ব্যোমাতীত, নিৰঞ্জন। তেওঁ স্বস্বৰূপত অনাহত প্ৰণৱ-স্বৰূপ (উঁ)। এই অনাহত প্ৰণৱস্বৰূপ বিশ্লিষ্ট হৈ 'অ' 'উ' 'ম'ত ত্ৰিধা বিভক্ত হলে জ্ঞানৰ যি স্বৰূপ হয় সেয়ে সগুণব্ৰহ্ম, শব্দব্ৰহ্ম বা গুৰুৰ অৱস্থা। গুৰুৱে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰো আদি। গুৰুৱে ত্ৰিধা বিভক্ত হৈ ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰত পৰিণত হয়। অইন কথাৰে কবলৈ হ'লে এই বিলাক মুক্ত পুৰুষেই গুৰু। দিক্, দেশ, কাল, চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, তৰা, পৃথিৱী, মনুষ্য, কীট, পতঙ্গ, জন্তু আদি দৃশ্যমান জগৎ গুৰুৰই কল্পনাৰ ফল। সেই কাৰণেই শাস্ত্ৰত কৈছে—

গুৰুব্ৰ্ৰ্হ্মা, গুৰুৰ্বিষ্ণু গুৰুদেৰো মহেশ্বৰঃ ।
গুৰুদেৱ জগৎ সৰ্ব্বং তস্মৈ শ্ৰীগুৰবে নমঃ ॥

গুৰুৰ অৱস্থাৰ পিচৰ পৰাই প্ৰৱল অহংজ্ঞান, কল্পনা আৰু উপকল্পনাৰ আৰম্ভ । গুৰুৰ কল্পনাই ক্ৰমে শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ, ব্যোম, মৰুত, তেজ, অপ, ক্ষিতি, কৰ্ণ, ত্বক, চক্ষু জিহ্বা, নাসিকা আদিত পৰিণত হৈ কল্পনাময় সৃষ্টি বা জগতৰ উৎপত্তি কৰিছে । গুৰুৱে হৃদয়স্থ উঁকাৰৰ ঘাটত অৱস্থান কৰি আত্মাৰ প্ৰণৱ-স্বৰূপো উপলব্ধি কৰে আৰু কল্পনাময় জগতকো দেখে । তত্ত্বজ্ঞানৰ দ্বাৰা জীৱক ত্ৰিতাপ জ্বালাৰ পৰা পৰিত্ৰাণ কৰিবৰ নিমিত্তেই গুৰুৱে শৰীৰ ধাৰণ কৰি থাকে । কল্পনাৰ পৰা উদ্ভৱ হোৱা অষ্টপাশৰ পৰা (ঘৃণা, লজ্জা, ভয়, শোক, জুগুপ্সা, কুল, শীল, জাতি) জীৱক মুক্ত কৰিবলৈ গুৰুৱেহে সমৰ্থ । যি গুৰুৱে কল্পনাৰ বীজস্বৰূপ অহংজ্ঞান ধ্বংস কৰি জীৱক ত্ৰাণ কৰিব পাৰে তাতকৈ আত্মীয় আৰু বন্ধু আন কোন হব পাৰে ? ভগৱানক দেখা কৰিবলৈ হলে নিজেও গুৰুৰ ঘাটলৈ উঠি গুৰু হব লাগিব । এই অৱস্থাত গুৰু-শিষ্য অভিন্নহৃদয় ।

জুগুপ্সা— নিন্দা । কুল— বংশ ।
শীল— স্বভাৱ ।

ধন, জন, ঐশ্বৰ্য্য, বিভূতি আদি পাৰ্থিৱ সম্পদে কেৱল অশান্তিহে বৃদ্ধি কৰে। অশান্তিৰ হাত-সাৰিবৰ নিমিত্তে গুৰুৱেহে কেৱল উপায় কৰি দিব পাৰে। ভৱৰোগৰ পৰা মুক্তিলাভ কৰিবলৈ হলে ভৱ-ৰোগবৈদ্য গুৰুৰ আশ্ৰয় অনিবাৰ্য্য। সেই কাৰণে আপ্ত-বাক্য—শাস্ত্ৰবাক্য শিৰোধাৰ্য্য কৰি তত্ত্বজ্ঞ গুৰুৰ ভজনা কৰা নিতান্ত দৰকাৰ।

আনন্দমানন্দকৰং প্ৰসন্নং
জ্ঞানস্বৰূপং নিজবোধযুক্তম্।
যোগীন্দ্ৰমিড্যং ভৱৰোগবৈদ্যং
শ্ৰীমদ্‌গুৰুং নিত্যমহংভজামি॥

আপ্তবাক্য—ঈশ্বৰৰ বাণী, দোষগুণ বিচাৰ নকৰি যাৰ প্ৰামাণ্য স্বীকাৰ কৰা হয়।

—ওঁ তৎসৎ—

যোগবাশিষ্ঠ-ৰামায়ণ

সূচনা

যতঃ সৰ্ব্বাণি ভূতানি প্ৰতিভান্তি স্থিতানি চ ।
যত্ৰৈবোপশমং যান্তি তস্মৈ সত্যাত্মনে নমঃ ॥
জ্ঞাতা জ্ঞানং তথা জ্ঞেয়ং দ্ৰষ্টা দৰ্শন দৃশ্যভূঃ ।
কৰ্ত্তা হেতুঃ ক্ৰিয়া যস্মাত্তস্মৈ জ্ঞপ্ত্যাত্মনে নমঃ ।
স্ফুৰন্তি শীকৰা যস্মাদানন্দস্যাম্বৰেহৱনৌ ।
সৰ্ব্বেষাং জীৱনং তস্মৈ ব্ৰহ্মানন্দাত্মনে নমঃ ॥

যাৰ পৰা সমস্ত ভূতৰ উৎপত্তি, য'ত সেইবিলাকৰ স্থিতি আৰু পৰিণামত য'ত সেইবিলাক লয় হয় ; যাৰ পৰা জ্ঞাতা-জ্ঞান-জ্ঞেয়, দ্ৰষ্টা-দৰ্শন-দৃশ্য,

বন্দনা

কৰ্ত্তা-হেতু-ক্ৰিয়া আদি আভিভূৰ্ত আৰু যাৰ আনন্দকণাই জীৱৰ জীৱন সেই জ্ঞানৰূপী, আনন্দৰূপী পৰমব্ৰহ্মক নমস্কাৰ কৰোঁ ।

অগস্তি আৰু সুতীক্ষ্ণ

এক সময়ত সুতীক্ষ্ণ নামেৰে এজন ব্ৰাহ্মণ আছিল। ধৰ্ম্মৰ তত্ত্ব সম্বন্ধে মনত সংশয় উদয় হোৱাত তেওঁ মুনিবৰ অগস্তিৰ আশ্ৰমলৈ গৈ সুধিলে— "হে ভগৱন! আপুনি তত্ত্বজ্ঞ আৰু শাস্ত্ৰজ্ঞ। মোৰ মনত এটি সন্দেহ হৈছে যে জ্ঞান আৰু কৰ্ম্ম এই দুটিৰ ভিতৰত কোনটি মোক্ষৰ কাৰণ?" তেতিয়া অগস্তি মুনিয়ে কলে,"—চৰাইবিলাকে যেনেকৈ দুখন পাখাৰে ওপৰলৈ উঠে সেইদৰে জ্ঞান আৰু কৰ্ম্ম এই দুয়োৰো সহায়ত লোকসকলে মুক্তি লাভ কৰিব পাৰে। এই বিষয়ে তোমাক এটি প্ৰাচিন উপাখ্যান কওঁ শুনা।"

অগ্নিবেশ্য আৰু কাৰুণ্য

পুৰাকালত অগ্নিবেশ্য নামেৰে এজন ব্ৰাহ্মণ আছিল। তেওঁৰ পুতেক কাৰুণ্যাই গুৰু-গৃহত থাকি বেদ বেদাঙ্গ পাঠ সমাপন কৰি নিজৰ ঘৰলৈ উভতি আহিল। ঘৰলৈ উভতি আহি তেওঁ সকলো কাম কাজ এৰি পেলাই মৌনাৱলম্বন কৰিলে। পুতেকৰ এনেকুৱা অৱস্থা দেখি এদিনাখন অগ্নিবেশ্য ঋষিয়ে পুতেকক সুধিলে,—"বোপাই! তুমি কাম-কাজ একেবাৰেই এৰি পেলালা দেখোন! ইয়াৰ কাৰণ কি?" তেতিয়া কাৰুণ্যাই কলে, "পিতা! ধন-

উপাৰ্জ্জন আৰু পুত্ৰ উৎপাদন কৰি কোনোৱে মুক্তিলাভ কৰিব নোৱাৰে। সাধুসকলৰ মতে সৰ্ব্ব কৰ্ম্ম ত্যাগ কৰা উচিত। সেই কাৰণে মই সকলো কামকে এৰি পেলাইছোঁ।" পুতেকৰ মুখৰপৰা এনেকুৱা উত্তৰ পাই অগ্নিবেশ্যই কলে,—"এই বিষয়ে তোমাক এটি উপাখ্যান কওঁ শুনা। পিচত তাৰ মৰ্ম্ম বুজি লৈ তোমাৰ যি ইচ্ছা হয় তাকেই তুমি কৰিবা।"

হিমালয় পৰ্ব্বতৰ কোনো এক সুৰম্য ঠাইত সুৰুচি নামেৰে সৰগৰ অপেস্বৰী এজনীয়ে মনৰ আনন্দেৰে ক্ৰীড়া কৰি আছিল। এনেতে বাসৱৰ দূত এজনক ৰথত উঠি সেই পিনেদি যোৱা দেখি সুৰুচিয়ে সুধিলে,—"হেৰা দেৱদূত! তুমি কি উদ্দেশ্যে ক'ৰপৰা আহিছা আৰু ক'লৈ যাবা?" তেতিয়া দেৱদূতে এনেকৈ সকলো কথা ভাঙি কবলৈ ধৰিলে।—

দেৱ-দূত আৰু অপ্সৰা সুৰুচি

"ৰাজৰ্ষি অৰিষ্টনেমীয়ে পুতেকক ৰাজ্যভাৰ দি নিজে গন্ধমাদন পৰ্ব্বতত তপস্যা কৰি আছে। দেৱৰাজ ইন্দ্ৰই এই কথাৰ গম পাই স্বৰ্গসুখ ভোগৰ কাৰণে অৰিষ্টনেমীক স্বৰ্গলৈ নিবৰ নিমিত্তে মোক ৰথ দি পঠিয়াই দিছিল। মই সেই ঠাইলৈ গৈ অৰিষ্টনেমীক দেৱৰাজ

ৰাজৰ্ষি অৰিষ্টনেমী

ইন্দ্ৰৰ অভিপ্ৰায় জনালোঁ। তেতিয়া অৰিষ্টনেমীয়ে মোক সুধিলে যে স্বৰ্গত কি কি দোষ বা গুণ আছে? তেতিয়া মই কলোঁ যে যিবিলাকে পুণ্য কৰে তেওঁলোকে স্বৰ্গত গৈ মহাসুখে স্বৰ্গভোগ কৰিব পাৰে। কিন্তু পুণ্য ক্ষয় হলে আকৌ মৰ্ত্ত্যত গৈ জন্মগ্ৰহণ কৰিব লাগে। তেতিয়া অৰিষ্টনেমীয়ে তেওঁক তেনেকুৱা স্বৰ্গভোগ নালাগে বুলি কৈ মোক ওভোতাই পঠালে। মই স্বৰ্গলৈ গৈ দেৱৰাজ ইন্দ্ৰক সকলো কথা ভাঙি কলোঁ। ৰাজৰ্ষিৰ অভিপ্ৰায় বুজি দেৱৰাজ ইন্দ্ৰই মোক পুনৰায় অৰিষ্টনেমীৰ ওচৰলৈ এই আদেশ কৰি পঠিয়াই দিলে যে সংসাৰ-তাপত তাপিত স্বৰ্গভোগতো অনভিলাষী অৰিষ্টনেমীয়ে যাতে তত্ত্বজ্ঞান লাভ কৰি মোক্ষপদ পাব পাৰে তাৰ বাবে তেওঁক বাল্মীকিৰ আশ্ৰমলৈ নিব লাগে। সেই আদেশ পাই মই ৰাজৰ্ষি অৰিষ্টনেমীক বাল্মীকিৰ আশ্ৰমলৈ লৈ গলোঁ আৰু বাল্মীকিৰ আগত ইন্দ্ৰৰ অভিপ্ৰায় নিবেদন কৰিলোঁ। তেতিয়া অৰিষ্টনেমীয়ে যথাবিহিত অভিবাদন কৰি বাল্মীকিক সুধিলে,—"হে ভগৱন! আপুনি ধৰ্ম্ম-তত্ত্বজ্ঞ, ব্ৰহ্মতত্ত্বজ্ঞ আৰু লোকতত্ত্বজ্ঞ। মই সংসাৰ-বন্ধন জনিত বাৰ বাৰ জন্মগ্ৰহণ কৰি বৰ কষ্ট পাইছোঁ। কেনেকৈ এই যন্ত্ৰণাৰ হাতসাৰিব পাৰোঁ তাৰে উপায় কৈ দিলে মই বৰ অনুগৃহিত হম।"

বৈৰাগ্য-সম্পন্ন ৰজাৰ এনেকুৱা কাতৰোক্তি শুনি মহাত্মা বাল্মীকিয়ে অৰিষ্টনেমীৰ প্ৰতি সদয় হৈ কলে,—

বাল্মীকি আৰু ভৰদ্বাজ

"হে ৰাজন! প্ৰিয় শিষ্য ভৰদ্বাজৰ অনুৰোধমতে মই যি অখণ্ড-ৰামায়ণ ৰচনা কৰিছোঁ সেই অপূৰ্ব্ব ৰামায়ণ-কথা শুনিলে তুমি ক্ৰমে ক্ৰমে জীৱন্মুক্ত হব পাৰিবা। ৰাম আৰু বশিষ্ঠৰ কথোপকথনক উপলক্ষ্য কৰি যি মুক্তিৰ উপায় কোৱা হৈছে তাক শুনিলে তোমাৰ প্ৰাণ জুৰাব। মুক্তি লাভৰ বাবে ইয়াৰ বাহিৰে অইন কোনো শাস্ত্ৰৰ আৱশ্যক নহব।" এইদৰে অৰিষ্টনেমীক আশ্বাস দি মহামুনি বাল্মীকিয়ে তলত কোৱাদৰে ৰাম চৰিত কবলৈ ধৰিলে।

নিজৰ দৃষ্টান্তৰদ্বাৰা লোকসকলক শিক্ষা দিবৰ উদ্দেশ্যে স্বয়ং ভগৱানে ইচ্ছাকৃত অজ্ঞানতা অৱলম্বন কৰি নৰৰূপে

ৰামৰ জন্ম-বৃত্তান্ত

অৱনীত অৱতীৰ্ণ হৈছিল। ভক্তৰ অভিসম্পাত সফল কৰাকে উপলক্ষ্য কৰি তেওঁ সাধাৰণ মানুহৰ দৰে অল্পজ্ঞ হৈ অযোধ্যাৰ ৰজা দশৰথৰ পুত্ৰ শ্ৰীৰামচন্দ্ৰ ৰূপে জন্ম গ্ৰহন কৰে। সেই অভিশাপৰ বৃত্তান্ত এইঃ—

(১) এদিনাখন বিষ্ণুই ব্ৰহ্মলোকলৈ গলত ব্ৰহ্মাদি সকলো দেৱতাই তেওঁক যথাবিহিত অভ্যৰ্থনা কৰে।

কিন্তু নিষ্কাম ভক্ত সনৎকুমাৰে বিষ্ণুক কোনো পূজা নকৰিলে। সেই কাৰণে বিষ্ণুৱে সনৎ-

শাপগ্ৰস্ত বিষ্ণু

কুমাৰক শাপ দিযে যে তেওঁ কামাসক্ত কাৰ্ত্তিকেয় হৈ মৰ্ত্ত্যত জন্মগ্ৰহণ কৰিব। তেতিয়া সনৎকুমাৰেও বিষ্ণুক প্ৰতিশাপ দিয়ে যে তেওঁ সৰ্ব্ব-জ্ঞতা হেৰুৱাই কিছুমান দিনৰ নিমিত্তে অজ্ঞান হৈ থাকিব।

(২) ভগৱান ভৃগুমুনিযে নিজৰ ভাৰ্য্যাক বধ কৰাৰ নিমিত্তে বিষ্ণুক এই বুলি শাপ দিযে যে তেওঁৰো ভাৰ্য্যা-বিচ্ছেদ ঘটিব।

(৩) ছলনা কৰি পাতিব্ৰত্য ভঙ্গ কৰাৰ নিমিত্তে শঙ্খচূড-পত্নী বৃন্দাই বিষ্ণুক এই বুলি শাপ দিযে যে তেৱোঁ ভাৰ্য্যাবিৰহ যন্ত্ৰণা ভোগ কৰিব।

(৪) নৰসিংহৰূপী বিষ্ণুক দেখি দেৱদত্ত-পত্নীয়ে প্ৰাণ-ত্যাগ কৰে। সেই কাৰণে দেৱদত্তেও বিষ্ণুক অভিশাপ দিযে যে তেওঁৰো পত্নী-বিয়োগ ঘটিব।

এইদৰে সনৎকুমাৰ, ভৃগু,, বৃন্দা আৰু দেৱদত্তৰ শাপ সফল কৰি চিদানন্দ-স্বৰূপ হৰি শ্ৰীৰামচন্দ্ৰৰূপে অৱতাৰ হয়। তেওঁ ৰজাৰ ঘৰত জনম লভি ৰাজ-

শিশু ৰামচন্দ্ৰ

ভোগ-বিলাসৰ মাজত ডাঙৰ দীঘল হয়। তাৰ পিচত উপযুক্ত বয়স হলত শিশু ৰামচন্দ্ৰই কুলগুৰু বশিষ্ঠৰ আশ্ৰমত বাস কৰি বিদ্যা-

-শিক্ষা কৰে। বিদ্যা শিক্ষা সমাপন কৰি ৰাজীৱলোচন ৰামে কিছুদিন মনৰ আনন্দে ৰাজপ্ৰাসাদত অৱস্থান কৰে। তাৰ পিচত তেওঁৰ তীৰ্থ-পৰ্য্যটন কৰিবৰ নিমিত্তে ইচ্ছা হ'ল। তেতিয়া পিতাক দশৰথৰ পৰা অনুমতি লৈ লক্ষ্মণৰ সৈতে নানা দেশ ভ্ৰমণ আৰু তীৰ্থ পৰ্য্যটন কৰিলে। তীৰ্থ-যাত্ৰা শেষ কৰি শ্ৰীৰামচন্দ্ৰই অযোধ্যালৈ উভতি আহে। তাত তেওঁ কিছুদিন শান্তিৰে কটালে। ৰজা দশৰথে লৰাহঁতৰ বিযাৰ কাৰণে মন্ত্ৰণা কৰিব ধৰিলে। এনে সময়তে ৰামৰ মনত এক আচৰিত পৰিবৰ্ত্তনে দেখা দিলে।

তীৰ্থ-পৰ্য্যটন আৰু দেশভ্ৰমণৰ সময়ত নানা দেশৰ নানা প্ৰাণীৰ নানা প্ৰকাৰ দুখ-দুৰ্গতি দেখা পাই কোমল-মতি ৰামচন্দ্ৰৰ মন তেনেই বিগলিত হৈ পৰে। তেতিয়া পোন্ধৰ বছৰ বয়সতে প্ৰবল বৈৰাগ্যই তেওঁৰ মনক আক্ৰমণ কৰিলে। জগতৰ নশ্বৰতা দেখি প্ৰভুৰ মন ইমান ব্যথিত হৈছিল যে তেওঁ নিয়মমতে আহাৰ বিহাৰ কৰিবলৈও এৰি পেলালে। তাৰ ফলতে তেওঁ দিনক দিনে ক্ষীণাই যাবলৈ ধৰিলে। ৰামৰ এনেকুৱা দুৰৱস্থা দেখি ৰজা দশৰথ আৰু ৰাণী কৌশল্যাই বৰ উদ্বিগ্ন হৈ পৰিল।

ৰামৰ বৈৰাগ্য

ৰাজীৱ— পদুম।

ৰাজ-পৰিয়াল আৰু পুৰবাসীসকলে ৰামৰ কাৰণে চিন্তিতহৈ আছে। এনেতে এদিনাখন বিশ্বামিত্ৰ ঋষি আহি দশৰথ ৰজাৰ সভাত উপস্থিত হ'ল। মাৰিচ, সুবাহু আদি ৰাক্ষসবিলাকে নানা উপদ্ৰৱ কৰি যজ্ঞ কাৰ্য্যত বিঘিনি ঘটাই থাকে। ৰামৰ নিচিনা পৰাক্ৰমী পুৰুষত বাদে আনৰ পক্ষে এই

বিশ্বামিত্ৰৰ আগমন

দুবৃত্তবিলাকক দমন কৰা সম্ভৱপৰ নহয়। সেইকাৰণে শ্ৰীৰামচন্দ্ৰক আশ্ৰমলৈ লৈ গৈ তেওঁৰ দ্বাৰা ৰাক্ষস বধ কৰাই বিশ্বামিত্ৰৰ অযোধ্যালৈ আগমনৰ উদ্দেশ্য।

যথাবিহিত অভ্যৰ্থিত হোৱাৰ পিচত বিশ্বামিত্ৰ ঋষিয়ে তেওঁৰ উদ্দেশ্যৰ বিষয় দশৰথ ৰজাৰ আগত প্ৰকাশ কৰি কলে। এনেকুৱা নিদাৰুণ কথা শুনি ৰজাই বৰ বিমোৰত পৰিল। ন হাজাৰ বছৰ পুত্ৰ কামনা কৰাৰ পিচত অতিকষ্টে চাৰিটি পুত্ৰ লাভ কৰা হৈছিল। ৰামেই তেওঁলোকৰ ভিতৰত

দশৰথৰ বিষাদ

প্ৰধান। পুত্ৰ-স্নেহ, নৱ-যুৱতী-সংসৰ্গ, অমৃত আৰু ৰাজ্যলাভ অপেক্ষাও সুখকৰ। ৰামৰ বিৰহ সহ্য কৰা দশৰথৰ পক্ষে বৰ কষ্টকৰ। তাতে আকৌ দুৰ্দ্দান্ত ৰাক্ষসৰ মুখত ৰামক পেলাই দিব লগীয়া হোৱাত ৰজাই মৰ্ম্মা-

স্তিক বেদনা অনুভৱ কৰিলে। কোমল বয়সৰ ৰামৰ পক্ষে ৰাক্ষসৰ লগত যুদ্ধ কৰা অসম্ভৱ। তাতে আকৌ তেওঁ বিষম বিষাদত পৰি অত্যন্ত কাতৰ হৈ আছে। ৰজাই নানা প্ৰকাৰে বিশ্বামিত্ৰক বুজাবলৈ চেষ্টা কৰিলে। ৰামৰ সলনি ৰজাই নিজে চতুৰঙ্গিনী সেনা লৈ ৰাক্ষসৰ লগত সমৰ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু বিশ্বামিত্ৰই নামানে। তেতিয়া বশিষ্ঠ মুনিযে কলে যে মহাতেজা বিশ্বমিত্ৰ যাৰ ৰক্ষক তাৰ কোনো বিপদ হব নোৱাৰে! কুলগুৰুৰ উপদেশত আশ্বস্ত হৈ ৰজাই শ্ৰীৰামচন্দ্ৰক ৰাজ সভালৈ মতাই অনালে। ৰাজ সভাত উপস্থিত হৈ ৰামে প্ৰথমে পিতাকক আৰু তাৰ পিচত আন আন ঋষি-মুনি আৰু গুৰুজনক প্ৰণাম কৰিলে। তেতিয়া বিশ্বমিত্ৰ মুনিয়ে ৰামক সম্বোধন কৰি সুধিলে,—"সৰ্ব্ব গুণাধাৰ ৰাম! তোমাৰ পক্ষে মানসিক কষ্ট ভোগকৰা উচিত নহয়। কিহৰ চিন্তাত তোমাৰ চিত্ত বিকল হৈ পৰিছে? তোমাৰ মনোগত ভাৱ আমাৰ আগত প্ৰকাশ কৰি কোৱা। আমালোকে এতিয়াই তোমাৰ মানসিক ক্লেশ নিবাৰণ কৰিম।" মুনি প্ৰবৰ্ বিশ্বামিত্ৰ আৰু বশিষ্ঠৰ আশ্বাস-পূৰ্ণ কথাত উৎসাহিত হৈ মহামতি ৰামে ধীৰে আৰু মধুৰ বচনে মনৰ বেদনাৰ কথা এই দৰে কবলৈ ধৰিলে—

"হে মুনিবৰ! সংসাৰৰ নশ্বৰতা আৰু ইয়াৰ বিবিধ দোষ দেখি মই শান্তিৰ পৰা সমূলি বঞ্চিত হৈছোঁ। অসাৰ সংসাৰত সুখৰ লেশমাত্ৰ নাই। মায়াময় মোহময় বুলি জানিও মূঢ় নৰে আমি এই সংসাৰ-চক্ৰত ক্ৰীত-দাসৰ নিচিনা ঘূৰি ফুৰিছোঁ। এই বিশ্ব-প্ৰপঞ্চ কি? মই কোন? কিয় মই ইয়ালৈ আহিলোঁ? এইবোৰ চিন্তাই মোক ব্যাকুল কৰি তুলিছে। সংসাৰ-চক্ৰত পৰি জীৱ বিলাকে কেৱল মৰিবৰ নিমিত্তে জন্মিছে আৰু জন্মিবৰ নিমিত্তে মৰিছে। এই সংসাৰত ভোগৰ বস্তু সমূলি নাই। কুহকিনী লক্ষ্মীয়ে মানুহৰ মনক ভুলাই নানা প্ৰকাৰে দুখ প্ৰদান কৰি থাকে। চঞ্চলা লক্ষ্মী ক'তো স্থিৰ হৈ নাথাকে। যি যি কামত দোষ বৃদ্ধি হয় লক্ষ্মীয়েও তাতেহে বৃদ্ধি প্ৰাপ্ত হয়। বিদ্যুৎ-চপলা-লক্ষ্মী বিবেক-শশধৰৰ ৰাহু-স্বৰূপ। লক্ষ্মী স্পৰ্শ কৰিলেই মানুহৰ বহু চিন্তা হয়। কামিনী বিলাকেই পুৰুষৰ প্ৰধান বন্ধনৰ হেতু। কিন্তু ৰমণীৰ দেহত কি ৰমণীয়তা আছে? মাংসৰ পুত্তলী ৰমণীয়ে বিষ-লতাৰ নিচিনা পুৰুষৰ

ৰামৰ বৈৰাগ্যৰ কাৰণ

লক্ষ্মীৰ স্বৰূপ

কামিনী

প্ৰপঞ্চ—মায়া, ভ্ৰান্তি।

চেতন হৰণ কৰে। অস্থি, চৰ্ম্ম, মল, মূত্ৰ, ক্লেদময় ৰমণীৰ অঙ্গস্পৰ্শ শান্তিকামী লোকৰ পক্ষে অত্যন্ত পীড়াদায়ক। অনল-শিখা-ৰূপিণী ৰমণীয়ে পুৰুষক তৃণৰ নিচিনা দগ্ধ কৰি থাকে। মানুহৰ কোনো অৱস্থাত শান্তি নাই। কোনে কয় শিশুকাল সুখৰ কাল? শিশুৰ কাৰ্য্য পশুৰ

চঞ্চল শিশু

তুল্য। বিষ্ঠা-মূত্ৰ, ভাল বেয়া একো বিচাৰ নাই। শিশুৰ মন অত্যন্ত চঞ্চল। শিশুকাল ভয়ৰ মন্দিৰ। পিতা, মাতা, শিক্ষক আৰু বয়সত ডাঙৰ লগৰীয়াৰ তাড়নাৰ ভয়ত শিশুৰ মন সদায় ত্ৰাস্ত। তাৰ

ভীষন যৌবন

পিচতে ভীষন যৌৱন-কাল মহা সঙ্কটৰ সময়। যৌৱন-মোহত পতিত হলে মানুহৰ বুদ্ধি হীন হয় আৰু সদাচাৰ বিলাক লোপ পায়। যুবাবিলাকে ৰাতিদিন কেৱল কামিনীৰ চিন্তাত ক্ষীণ হৈ যায়। যুবাৰ মনত নাৰীৰ বাহিৰে আৰু উপাদেয় একোৱেই নাই। নৰ-হস্তীয়ে নাৰী-হস্তিনীশালাত আৱদ্ধ হৈ নানা প্ৰকাৰ দুখ ভোগ

বিকট জৰা

কৰে। আকৌ ক্ষণস্থায়ী যৌৱন-ভোগ পৰিতৃপ্ত নৌ হওঁতেই জৰাই আক্ৰমণ কৰি দেহক জীৰ্ণ-শীৰ্ণ কৰে। বিকটামুৰা জৰাক

ক্লেদ-গেলা দুৰ্গন্ধ যুক্ত ৰস, পুঁজ।

দেখিলে যুৱতীবিলাকে তাক গাধৰ নিচিনা অৱজ্ঞা কৰে। এনেকি অতি কষ্টে লালন-পালন কৰা নিজৰ ল'ৰা ছোৱালীবিলাকেও বুঢাক অৱহেলা কৰে। নিৰ্দ্দয় কালে জৰাগ্ৰস্থ মানুহক নিৰ্ম্মমভাৱে গ্ৰাস কৰে। তেতিয়া ঠগ-প্ৰৱঞ্চনা কৰি উপাৰ্জ্জন কৰা ধন-দৌলত আৰু বুকুৰ তেজ পানী কৰি পালন কৰা পুত্ৰ-কন্যাদিয়েও বিষম অনুতাপৰ বিষয় হৈ পৰে। সংসাৰৰ সকলো বিষয়েই অতি বলৱান কালৰ অধীন।

বলৱান কাল

কালৰ প্ৰভাৱত সকলো সৃষ্ট পদাৰ্থই পলে পলে তিলে তিলে বিকাৰ প্ৰাপ্ত হৈ থাকে। বিশ্বগ্ৰাসী মহাকাল অনন্ত ব্ৰহ্মাণ্ড ভক্ষণ কৰিলেও তাৰ উদৰ পূৰ্ণ নহয়। এনেকুৱা কালৰ অধীন নশ্বৰ দেহ ভাৰবহন কৰি কি সুখ? ৰোগ, শোক চিন্তাৰ-দ্বাৰা জৰ্জ্জৰিত দেহ কালৰ প্ৰভাৱত জীৰ্ণ হলে প্ৰাণ পক্ষীয়ে অৱজ্ঞা কৰি তাক পৰিত্যাগ কৰে। তেতিয়া সুন্দৰ শৰীৰ হয়তো ছাই-ভস্ম নহলে পোক-পৰুৱাৰ আধাৰ হৈ পৰে। মই বিচাৰ কৰি দেখিছোঁ যে জগৎ অনিত্য। জগতৰ সকলো বস্তুৱেই অস্থায়ী আৰু নানা দোষেৰে দুষিত।

বিষাদ যোগ

চিত্ত সদায় আকুল। তৃষ্ণা সদায় অতৃপ্ত। জন্মাৱধি মৰণ পৰ্য্যন্ত 'কেৱল দুখ-ভোগ'।

গতিকে এনেকুৱা জীৱন ধৰি লাভ কি ? জগতৰ এনেকুৱা দৈন্যময় অৱস্থা দেখি ইয়াৰ প্ৰতি মোৰ আস্থা নোহোৱা হৈছে। আমোদ প্ৰমোদ উদ্যান উপভোগ কৰিও মোৰ আনন্দ নাই। মোৰ ৰমণীত সুখ নাই, ধনত হৰ্ষ নাই—মই কেৱল মনৰ শান্তিহে আকাঙ্ক্ষা কৰোঁ। এই দেহ মোৰ নহয়। মইও দেহৰ নহওঁ। মই ৰামচন্দ্ৰ নহয়, মোৰ বিষয় স্পৃহা নাই—মই বুদ্ধদেৱৰ দৰে শান্তভাৱে থাকিবলৈ ইচ্ছা কৰোঁ। যদিহে শান্তি লাভৰ উপায় নাথাকে নতুবা থাকিলেও যদি মই তাৰ অধিকাৰী হব নোৱাৰোঁ। তেন্তে খোৱা-লোৱা উশাহ-নিশাহ পৰিত্যাগ কৰি অৱশেষত কলেৱৰ ত্যাগ কৰাই মোৰ পক্ষে শ্ৰেয়ঃ।

সূৰ্য্য বংশৰ সূৰ্য্যস্বৰূপ শ্ৰীৰামচন্দ্ৰৰ মুখৰপৰা এনেকুৱা জ্ঞানগৰ্ভ আৰু পবিত্ৰ বৈৰাগ্যৰ কথা শুনি সভাস্থ সকলোৱে আচৰিত মানিলে। সকলোৱে একবাক্যে ধন্য ধন্য কৰি কবলৈ ধৰিলে যে ৰামৰ নিচিনা বিচাৰজ্ঞ আৰু নিৰ্ম্মল হৃদয়ৰ মানুহ অত্যন্ত বিৰল। ৰামচন্দ্ৰৰ বৈৰাগ্যগৰ্ভ কথাবিলাক হিতকৰ, নিৰ্দ্দোষ আৰু জ্ঞানোদয়কৰ।

তেতিয়া মহৰ্ষি বিশ্বামিত্ৰৰ পৰামৰ্শ অনুসাৰে স্বয়ং ব্ৰহ্মাৰ পুত্ৰ আত্মজ্ঞানী বশিষ্ঠদেৱে ৰামৰ অজ্ঞানজনিত

অশান্তি নিবাৰণৰ নিমিত্তে পৰম মঙ্গলময় আত্মতত্ত্বৰ বিষয়ে উপদেশ দিবলৈ ধৰিলে। আত্মজ্ঞান লাভৰ নিমিত্তে বিচাৰ, শম, সন্তোষ, সাধুসঙ্গ আৰু পুৰুষ-কাৰৰ নিতান্ত আৱশ্যক। অতীন্দ্ৰিয় আত্মতত্ত্ব হৃদয়ঙ্গম কৰা অতীৱ কঠিন। এই কাঠিন্য দূৰীকৰণাৰ্থে প্ৰজ্ঞাৱান বাল্মীকিয়ে বহু মনোৰম উপাখ্যান আৰু হৃদয়গ্ৰাহী উপমাৰ অৱতাৰণা কৰিছে। বশিষ্ঠৰ দৰে আত্মদৰ্শী গুৰু আৰু শ্ৰীৰামচন্দ্ৰৰ নিচিনা প্ৰজ্ঞাৱান শিষ্যৰ কথোপকথন ৰূপ যি "যোগবাশিষ্ঠ ৰামায়ণ" ৰচিত হৈছে তাক যত্ন পূৰ্ব্বক পাঠ বা শ্ৰৱণ কৰিলে পৰম মঙ্গল সাধিত হব, তাত সন্দেহ নাই। পৰমপদ লাভ কৰিবলৈ তত্ত্বজ্ঞান পৰমোৎকৃষ্ট উপায়।

মৃত্যুৰ পিচত কাৰ কি অৱস্থা হয় তাক কোনোৱে বুজিব নোৱাৰে। মৃত্যুৰ পিচত মুক্তিলাভ কৰা বহুতে পচন্দ নকৰে। কিন্তু নানা চিন্তাৰপৰা মুক্তিলাভ কৰি ইহ জনমতে শান্তি আৰু সুখ ভোগ কৰিবলৈ সকলোৱে ইচ্ছা কৰে। এনেকুৱা অৱস্থা লাভ কৰাই জীৱন্মুক্তি। জীৱন্মুক্ত হোৱাৰ একমাত্ৰ উপায় তত্ত্বজ্ঞান লাভ। জনকাদি জীৱন্মুক্তবিলাকে এইদৰে তত্ত্বজ্ঞান লাভ কৰি-য়েই সম আৰু শান্তভাৱে সকলো সাংসাৰিক কাৰ্য্য চলাই গৈছিল। যোগবাশিষ্ঠৰ শিক্ষাই হৈছে জীৱন্মুক্তি লাভ কৰি মহানন্দে জীৱন ভোগ কৰা।

ভেশধাৰী সাধু সন্ন্যাসী কিছুমানক দেখি বহুতে ভাবে যে তেওঁলোক সমাজৰ বোজাস্বৰূপ। সকলোৰে প্ৰতি এনেকুৱা ভাব পোষণ কৰা নিতান্ত অজ্ঞতাৰ পৰিচায়ক। জগতত শান্তি স্থাপন কৰাত প্ৰকৃত তত্ত্বজ্ঞ সাধুবিলাকৰ অৱদান বৰ বেছি। শাস্ত্ৰ, গুৰু আৰু সাধু মহন্তৰ শিক্ষাৰ প্ৰতি অৱজ্ঞা হোৱাৰ নিমিত্তে মানুহে বনৰ হিংস্ৰ জন্তুৰ দৰে উদৰ আৰু উপস্থৰ নিমিত্তে নিজৰ ভিতৰত কলহ কৰি জলা-কলা হৈ মৰে।

সুবৃহৎ 'যোগবাশিষ্ঠ' শাস্ত্ৰ পাঠ বা শ্ৰৱণ কৰিবলৈ সকলোৰে পক্ষে সুবিধা নহব পাৰে। ইয়াত উল্লিখিত উপাখ্যান বিলাকৰ ভিতৰত 'চূড়ালা চৰিত্ৰ' এটি বিশিষ্ট উপাখ্যান। অকল এইটো উপাখ্যান প'ঢ়িলেও যোগ-বাশিষ্ঠৰ মূল বিষয় সম্বন্ধে ভালেখিনি জানিব পৰা যায়। কিন্তু লিখকৰ নিচিনা অনভিজ্ঞ মানুহে ইয়াত কিমানখিনি কৃতকাৰ্য্য হব পাৰিছে তাৰ বিচাৰৰ ভাৰ সহৃদয় পাঠক পাঠিকাসকলৰ ওপৰত।

ওঁ শ্ৰীগুৰবে নমঃ

ৰাণী চূড়ালা

প্ৰথম অধ্যায়

চূড়ালাৰ যৌবন-লীলা

অতীত দ্বাপৰযুগত শিখিধ্বজ নামেৰে এজন ৰজাই বিন্ধ্যাগিৰিৰ ওচৰত থকা উজ্জয়িনী নগৰত ৰাজত্ব কৰিছিল। তেওঁ ৰূপে-গুণে নিৰুপম আৰু পৰম ধাৰ্ম্মিক ৰজা আছিল। তেওঁৰ শৰীৰৰ গঠন সুন্দৰ, শাস্ত্ৰ আৰু সৌভাগ্যসূচক আছিল। তেওঁ শূৰ, সদাচাৰী আৰু বহু সদ্‌গুণৰ আকৰ আছিল। তেওঁ সদায় সৎসঙ্গ আৰু বেদাদি আলোচনা কৰিছিল। বাপীকূপ-তড়াগাদি প্ৰজাহিতকৰ কাৰ্য্য কৰি তেওঁ ৰাজ্যত সুখ সমৃদ্ধি বৃদ্ধি কৰিছিল আৰু প্ৰজাবিলাকো ৰাজভক্ত আছিল।

বাপী—পুখুৰী, কূপ=নাদ, তড়াগ=ডাঙৰ পুখুৰী।

তেওঁ স্ত্রৈণাদি ব্যসনৰ পৰা নিজক সদায় আঁতৰত ৰাখিছিল। লৰাকালতে তেওঁৰ পিতাক ঢুকায় আৰু ৰাজ্য-শাসনৰ নিচিনা গুৰুভাৰ তেওঁৰ ওপৰত পৰে। সেই অৱস্থাতে তেওঁ নিজৰ বাহুবলেৰে দিগ্বিজয় কৰি সম্রাট উপাধি লাভ কৰিছিল। পাত্র-মন্ত্রী বিষয়াবিলাকে ৰজাৰ অনুগত আৰু বিশ্বাসী আছিল আৰু তেওঁলোকৰ সহায়ত সুকলমে ৰাজ্য শাসন কৰি ৰজা শিখিধ্বজে শান্তিৰে কাল কটাব পাৰিছিল।

সাম্রাজ্যলক্ষ্মী লাভ কৰাৰ কিছুদিন পিচতে তেওঁৰ পূর্ণ যৌৱন উপস্থিত হ'ল। তেতিয়া মধুৰ বসন্ত কাল সমাগত হোৱাত প্রকৃতি দেৱীয়ে নতুন সাজ-পাৰ পৰিধান কৰি মনোহৰ ৰূপ ধাৰণ কৰিলে আৰু নানা-জাতীয় ফুলৰ সৌৰভে দশোদিশ আমোদিত কৰি তুলিলে। এনেকুৱা সুন্দৰ আৰু সুখকৰ কালত ৰজাৰ মন আনন্দত উত্রাৱল হৈ পৰিল। তেওঁৰ মনত কান্তাবিলাসৰ ইচ্ছা অত্যন্ত প্রৱল হৈ উঠিল। তেওঁ ৰাতি-দিনে ভাবিবলৈ ধৰিলে কেতিয়া হেমাব্জ-মুকুল-

ব্যসন-দহোটা দোষ যেনে (১) মৃগয়া (২) আৰিমাৰা (৩) দিবানিদ্রা (৪) লোকনিন্দা (৫) বেশ্যাগমন (৬) মদ্যপান (৭) অত্যাচাৰ (৮) প্রতাৰণ (৯) পৰস্ত্রীকাতৰতা (১০) হিংসা।

হেম—সোণ। অব্জ—পদ্ম। মুকুল—ফুলৰ কলি।

স্তনী, মনোহাৰিণী, প্ৰণয়িনী, কামিনীক বিবাহ কৰাই তেওঁৰ লগত বিবিধ প্ৰকাৰে বিহাৰ কৰিব আৰু কেতিয়া সেই চঞ্চলা কামিনীয়ে প্ৰেমৰ প্ৰতিদান কৰি তেওঁৰ আনন্দ বৰ্দ্ধন কৰিব। তেওঁ চিন্তা কৰিবলৈ ধৰিলে কেতিয়া ভূবন-মোহিনী ৰমণীক কোলাত তুলি কুঙ্কুমৰ দ্বাৰা তেওঁৰ অঙ্গ আঙ্কত কৰিব। সদায় শৃঙ্গাৰ-ৰসোদ্দীপক কথাত মন উদ্বিগ্ন থকাৰ কাৰণে ৰজাৰ মন ৰাজ-কাৰ্য্যৰ প্ৰতি উদাসীন হৈ পৰিল। ভব্য মন্ত্ৰীবিলাকে ইঙ্গিততে ৰজাৰ মনোভাব বুজিব পাৰিলে আৰু ৰজাৰ বিবাহৰ নিমিত্তে যত্নপৰ হ'ল। তেওঁলোকে তেতিয়া ৰজাৰ লগত বিবাহ দিবৰ নিমিত্তে নব-যৌৱন-শালিনী সুৰাষ্ট্ৰ-ৰাজ-নন্দিনীক প্ৰাৰ্থনা কৰিলে। সুৰাষ্ট্ৰৰাজে সেই প্ৰস্তাৱত সন্মতি দিলে আৰু যথাসময়ত অতি সমাৰোহেৰে সৈতে বিবাহ-কাৰ্য্য সম্পাদন কৰা হ'ল।

এই সুৰাষ্ট্ৰ-নন্দিনীৰ নাম চূড়ালা। নিজৰ প্ৰতিমূৰ্ত্তিৰ নিচিনা চূড়ালাক পত্নীৰূপে পাই ৰজা শিখিধ্বজে বৰ আনন্দিত হৈছিল। চূড়ালাইও শিখিধ্বজক পতিৰূপে পাই পৰম পুলকিত হৈছিল। শিখিধ্বজ যেনে সুন্দৰ আৰু গুণৱান আছিল, চূড়ালাও তেনে সুন্দৰী আৰু গুণৱতী আছিল। সমগুণ-সম্পন্ন এই নৱ দম্পতিয়ে

শৃঙ্গাৰ=ৰতি-ক্ৰিড়া বিশেষ

পৰস্পৰে পৰস্পৰক চিত্ত সমৰ্পণ কৰি একমন একপ্ৰাণ হৈ মনৰ আনন্দে কালাতিপাত কৰিবলৈ ধৰিলে।

ৰাজমন্ত্ৰীবিলাকে নানা ভোগ্য বস্তু সংগ্ৰহ কৰি দি ৰজাৰাণীৰ আনন্দ বৰ্দ্ধন কৰিবলৈ ধৰিলে। ৰজায়ো ৰাজমন্ত্ৰী বিলাকৰ ওপৰত ৰাজকাৰ্য্য সমৰ্পণ কৰি ৰাজ্য শাসন সম্পৰ্কে নিশ্চিন্ত হৈ একান্ত মনে ভোগবিলাসত আত্মনিয়োগ কৰিলে। ৰজাই কেতিয়াবা অন্তঃপুৰত, কেতিয়াবা উদ্যানত, কেতিয়াবা সৰোবৰত আৰু কেতিয়াবা বৃক্ষ-লতা শোভিত কাননত প্ৰিয়াৰ লগত বিহাৰ কৰিবলৈ ধৰিলে। পৰস্পৰে পৰস্পৰৰ প্ৰতি অনুৰক্ত হৈ এই নৱ-দম্পতি যুগলে হৰ-গৌৰীৰ নিচিনা অভিন্নহৃদয়ে বিৰাজ কৰিবলৈ ধৰিলে। অইন দিনে আয়ুস কৰতলস্থ পানীৰ নিচিনা অবিৰত, বৈ গৈ আছে। সেই দিনে তেওঁলোকৰ ভ্ৰূক্ষেপ নাই'।

দ্বিতীয় অধ্যায়

চূড়ালাৰ আত্ম-বিচাৰ।

এই সুখী ৰাজ-দম্পতিয়ে নিৰৱচ্ছিন্নভাৱে যৌৱনলীলা উপভোগ কৰি থাকোঁতে বহু বছৰ অতীত হ'ল। তেওঁ-লোকৰ যৌৱন বিগলিত হৈ যাব ধৰিলে। ক্ৰমে তেওঁ-লোকৰ শৰীৰত জৰাৰ লক্ষণ দেখা দিলে। তেতিয়া তেওঁলোকৰ চেতনাৰ উদয় হ'ল। সুপণ্ডিতা চূড়ালাই কালৰ প্ৰভাৱ ভালদৰে জানে। তেওঁলোকে ভাবিবলৈ ধৰিলে যে শৰীৰ জলতৰঙ্গৰ নিচিনা ক্ষণভঙ্গুৰ। ফল পকিলে সৰি পৰাৰদৰে দেহৰ পতনো অৱশ্যম্ভাৱী। দিন দিন আয়ুস ক্ষীণ হৈ থাকে অথচ ভোগ-তৃষ্ণা বাৰিষা কালৰ লাউৰ নিচিনা ক্ৰমে বাঢ়ি গৈ থাকে। যৌৱন অতি বেগে পলায়ন কৰিব ধৰিছে। ইন্দ্ৰজালৰ নিচিনা এই দেহ মিছা—এই আছে এই নাই। ত্ৰিবিধ দুখে মানুহৰ হৃদয়ক ব্যথিত কৰি থাকে। এনেকুৱা অৱস্থাত যদি কিবা চিৰস্থায়ী থাকে তাৰ নিমিত্তে যত্নপৰ হোৱা উচিত। এইদৰে আলোচনা কৰি পতি-পত্নী দুইজনে ঠিক কৰিলে যে অধ্যাত্ম-শাস্ত্ৰইহে ভৱ-ৰোগৰ একমাত্ৰ

মহৌষধ। তেতিয়া তেওঁলোকে তত্ত্ববিদ্ পণ্ডিত ব্ৰাহ্মণৰ লগত অধ্যাত্ম-শাস্ত্ৰৰ আলোচনাত মন নিয়োগ কৰিলে। চূড়ালাই পৰম শান্তিদায়ক আত্মজ্ঞান লাভ কৰিবৰ নিমিত্তে সুদৃঢ় অভ্যাস আৰম্ভ কৰিলে।

অবিচলিত পুৰুষকাৰৰ গুণত চূড়ালাই অতি সোনকালে আত্মতত্ত্ব লাভ কৰিলে। বাহিৰত যথানিয়মে কাম-কাজ কৰি থাকিলেও অন্তৰত তেওঁ সদায় আত্ম-বিচাৰত আত্ম-নিয়োগ কৰিছিল। তেওঁ বিচাৰ কৰিব ধৰিলে যে "অহং" 'মই' শব্দৰ দ্বাৰা যি বুজা যায় সি চেতন ধাতু বিশেষ। কাৰ্য্য-কাৰণ সংঘাটত সেই "মই" কি? এই সংসাৰ-মোহ কাৰ? ক'ৰ পৰা কি কাৰণে এই মোহময় সংসাৰৰ উৎপত্তি? এই জগতৰ মূল কি? তাৰ পিচত তেওঁ বিচাৰ কৰি জানিব পাৰিলে যে 'মই' শৰীৰ হব নোৱাৰে; কিয়নো "মই" চেতন ধাতু আৰু শৰীৰ জড় বস্তু বিশেষ। হস্ত-পদাদি কৰ্ম্মেন্দ্ৰিয় আৰু চক্ষু-কৰ্ণাদি জ্ঞানেন্দ্ৰিয় বিলাকো শৰীৰৰ অংশ বুলি জড় আৰু "মই"ৰপৰা পৃথক। সঙ্কল্পাত্মক মন, নিশ্চয়াত্মিকা বুদ্ধি আৰু বুদ্ধিৰ পৰিচালক অহঙ্কাৰো জড় বিশেষ, আৰু "মই"ৰপৰা বেলেগ বিষয়। জ্ঞেয় বিষয়ে আবিশিষ্ট চিৎ জীৱৰ জীৱন। অধ্যস্ত বুলি জীৱও জড় বিশেষ। এইদৰে বিচাৰ কৰিলে 'অহং' "মই"ৰ কোনো অস্তিত্বই নাথাকে। কিন্তু একে-

বাবে নাই বুলিও কব নোৱাৰি ; কিয়নো 'মই' বুলি এটি জ্ঞান সদায় বৰ্ত্তমান আছে । অনেক বিচাৰ আৰু চিন্তাৰ পিচত চূড়ালাই জানিব পাৰিলে যে অগ্নিয়ে যিদৰে নিজৰ ভাস্বৰৰূপ পৰিত্যাগ কৰি পানীৰ মাজত থাকে সেইদৰে 'চিৎ'এও নিজৰ স্বৰূপ পৰিত্যাগ কৰি জীৱ উপাধি গ্ৰহণ কৰে । শুদ্ধ-চৈতন্য স্বপ্ৰকাশ জ্ঞানস্বৰূপ । তাকেই বেদান্তাদি শাস্ত্ৰত নিত্যোদিত ব্ৰহ্ম, আত্মা, ঈশ্বৰ আদি নানা ভাৱে ব্যক্ত কৰিছে ।

সমুদায় জগৎ ভাবৰে সমুদ্ৰ বিশেষ । চিৎ-স্বৰূপই চেত্য ভাৱনাৰদ্বাৰা নিজৰ স্বৰূপ পাহৰি গৈ জগৎৰূপে কল্পনা কৰে । কল্পনাৰ ফল বুলি জগৎ কাল্পনিক আৰু মিছা । পৰমাত্মাৰ স্বৰূপৰ অভাৱেই হৈছে অবিদ্যা, মায়া বা ভ্ৰম । এই ভ্ৰম আঁতৰাব পাৰিলে চিৎ-স্বৰূপহে মাথোন বাকী থাকে । কেনেকৈ অবিদ্যা নাশ কৰি পূৰ্ণব্ৰহ্মত লীন হব পৰা যায় চূড়ালাই সেই বিষয়ে চিন্তা কৰিবলৈ ধৰিলে ! তাৰ পিচত শাস্ত্ৰানুশীলন, সাধুসঙ্গ আৰু অভ্যাসৰ দ্বাৰা সাধনা কৰি তেওঁ ব্ৰহ্মৰ স্বৰূপ জানিব পাৰিলে ।

চূড়ালাই আৰৌ জানিব পাৰিলে যে এই জগৎ প্ৰকৃত পক্ষে পৰমাত্মাৰপৰা পৃথক নহয়—কেৱল ভ্ৰান্তিতে পৃথক বুলি

ভাস্বৰ—দীপ্তিযুক্ত ।

অনুমান হয়। জ্ঞান আদিতে এক অখণ্ডৰূপে অৱস্থান কৰে। তেতিয়া তেওঁ নিজৰ মহিমাতে নিজে বিৰাজমান থাকে। পিচত কোনো কাৰণ ব্যতীৰেকেই তাত স্পন্দন উত্থিত হলে তেওঁ জ্ঞান-জ্ঞেয়-জ্ঞাতা এইদৰে ত্ৰিধা বিভক্ত হৈ নিজেই নিজক জ্ঞেয় ভাৱে অনুভৱ কৰে। ইয়াকে শাস্ত্ৰত ত্ৰিপুটী বোলে। এইদৰে অনুভূতিত অধ্যস্ত হৈ আত্মাই নিজৰ স্বৰূপ পাহৰি যায়। স্বৰূপৰ অভাৱ হোৱাত আত্মাই নানা কল্পনাৰ আশ্ৰয় কৰে। এই কল্পনাৰ ফলেই হৈছে জগৎ। সকলো প্ৰকাৰ দুখ বা অশান্তিৰ মূল কাৰণ হৈছে অভাৱ। এই অভাৱ আত্মাৰ স্বস্বৰূপৰেই অভাৱ—অইন একো নহয়। জ্ঞানৰ জ্ঞেয় ভ্ৰান্তিযেই হৈছে অহংজ্ঞান 'মই' বা দ্বিত্বজ্ঞান। এইদৰে বিচাৰ কৰি চূড়ালাই হৃদয়ঙ্গম কৰিলে যে 'অহং' 'মই' সেই জ্ঞানস্বৰূপ পৰমাত্মাই। ৰজ্জুত সৰ্পভ্ৰমৰ নিচিনা তত্ত্বজ্ঞানৰ পোহৰত যেতিয়া তেওঁ ভ্ৰমৰ স্বৰূপ জানিব পাৰিলে তেতিয়া তেওঁৰ ভ্ৰান্তি বা কল্পনাও গ'ল, অহং জ্ঞানো গল আৰু কল্পনাৰ ফল স্বৰূপ জগৎ জ্ঞানো অদৃশ্য হ'ল। তেতিয়া তেওঁ "সোঽহং" বুলি সেই হৈ অৱস্থান কৰিলে। বিষয়ৰ অভাৱত বিষয়-চিন্তা আঁতৰি যোৱাত তেওঁ সকলো প্ৰকাৰ অভাৱ-পাৰিশূন্য ব্ৰহ্ম-স্বৰূপত লীন গ'ল। এয়েই হৈছে

সমাধি বা পূৰ্ণানন্দৰ অৱস্থা। এই অৱস্থা লাভ কৰিব পাৰিলেহে 'পৰম-সুখদং' 'ব্ৰহ্মানন্দ' ভোগ কৰিব পাৰি।

তেতিয়া চূড়ালাই সমাধিত জানিব পাৰিলে যে এই নিখিল বিশ্ব চিন্ময় আত্মাৰে বিকাশ। সেই চিন্ময়-আত্মা জ্ঞান-স্বৰূপ আৰু আনন্দ-স্বৰূপ। তেওঁৰ জন্ম-মৃত্যু বিকাৰ নাই। এইদৰে "অহং" 'মই' জ্ঞান বিলোপ হোৱাত চূড়ালাই ৰাগ-ভয়-মোহ-বিলাসৰ পৰা মুক্ত হৈ প্ৰশান্ত ভাৱে বিৰাজ কৰিবলৈ ধৰিলে।

তৃতীয় অধ্যায়

চূড়ালাৰ আত্মাজ্ঞান লাভ

ৰাণী চূড়ালাই আত্মপ্ৰতিষ্ঠা লাভ কৰি সমভাৱে অৱস্থান কৰিব ধৰিলে। মন প্ৰসন্ন হলে শৰীৰো সবল আৰু সুঠাম হয়। শিখিধ্বজ-সহধৰ্ম্মিণী চূড়ালাৰ দেহৰ কান্তি ক্ৰমে বাঢিবলৈ ধৰিলে। ক্ৰমে তেওঁ আকৌ যৌৱনাৱস্থা লাভ কৰিলে। ৰজাই ৰাণীৰ এনে-কুৱা পৰিবৰ্ত্তন লক্ষ্য কৰি আচৰিত মানিলে। এদিনা-খন ৰজাই ৰাণীক সম্বোধন কৰি সুধিলে, "প্ৰিয়ে! মই দেখিছোঁ। তুমি পুনৰাই নৱ-যৌৱন লাভ কৰি অনিৰ্ব্বচনীয় শোভা ধাৰণ কৰিছা। তুমি কি অমৃত পান কৰিছা? অথবা কোনো ৰসায়ণ কিংবা মন্ত্ৰ-সিদ্ধি কৰিছা?"

তেতিয়া ৰজাৰ কথাৰ উত্তৰত চূড়ালাই কবলৈ ধৰিলে, "প্ৰাণেশ্বৰ! ৰসায়ণ, মন্ত্ৰসিদ্ধি বা হঠ-যোগ মোৰ মনত নিতান্ত অকিঞ্চিৎকৰ। সেইকাৰণে মই তেনে কোনো অনুষ্ঠান কৰা নাই।। মই দেহত আত্মা-বুদ্ধি ত্যাগ কৰি ব্ৰহ্মাত্মভাৱ লাভ কৰিছোঁ। আৰু

তাৰ ফলতেই মই শ্ৰীমতী হৈছোঁ। ৰাজভোগত মোৰ আস্থা নাই। ভোগ আৰু অভোগত মোৰ সমভাব। মোৰ হৰ্ষও নাই আৰু বিষাদও নাই। পৰিচ্ছিন্ন তুচ্ছ বিষয় ত্যাগ কৰি মই অপৰিচ্ছিন্ন আত্মাৰ আশ্ৰয় লৈছোঁ আৰু সেইকাৰণেই মোৰ দেহৰ লাৱণ্য বৰ্দ্ধিত হৈছে। 'অহং' বা 'মই' এই দেহ নহয়। মই একোৱেই নহয় অথচময়ে সকলো। এইদৰে স্বৰূপজ্ঞান লাভ কৰি মই উপশান্ত হৈছোঁ আৰু সেইকাৰণেই মোৰ শৰীৰে এনেকুৱা শোভা ধাৰণ কৰিছে। মোৰ দুজনী সখী আছে—তেওঁলোকৰ একজনীৰ নাম প্ৰজ্ঞা আৰু আন জনীৰ নাম শাস্ত্ৰ। এই সখী দুজনীৰ লগত সততে বিহাৰ কৰি মই এৰ সন্তোষ লাভ কৰিছোঁ আৰু সেই কাৰণেই মোৰ দেহৰ এনেকুৱা অপূৰ্ব্ব কান্তি।"

আত্মজ্ঞানৰ অভাৱ হেতু ৰজা শিখিধ্বজে ৰাণীৰ কথাৰ তাৎপৰ্য্য আৰু অভিপ্ৰায় বুজিব নোৱাৰিলে। সেইকাৰণে ৰজাই উপহাস কৰি কলে,—"প্ৰিয়ে! মই দেখিছোঁ যে তুমি কিছুমান অসম্বন্ধ কথা বকিছা। যাক প্ৰত্যক্ষ দেখা যায় তাক কৈছা মিছা বুলি আৰু ইন্দ্ৰিয়েৰে ঢুকি নোপোৱা কিবা এটিক কৈছা সঁচা বুলি। তোমাৰ এনেকুৱা নিৰৰ্থক কথা কোনে বিশ্বাস

কৰিব ? ইন্দ্ৰিয়ৰ দ্বাৰা যাক অনুভৱ কৰিব নোৱাৰি সি সুখৰ কাৰণ হব পাৰে কেনেকৈ ? যাৰ আকাৰ নাই সি শূন্য—শূন্যৰ আক কি শোভা হব পাৰে ? তুমি চিৰঅনুভৱনীয় দেহ নহয় —তুমি ইন্দ্ৰিয়ৰ অগোচৰ কিবা—এনেকুৱা অস্বাভাৱিক কথা কোনে বিশ্বাস কৰিব পাৰে ? তুমি ৰজাৰ ৰাণী ! তোমাৰ পক্ষে এনেকুৱা কথা শোভা নাপায়। সুন্দৰী তিৰোতা বিলাকে কৌতুহল কৰি নানা প্ৰকাৰ আলাপ প্ৰলাপ কৰি থাকে। তুমিও নিশ্চয় তাকেই কৰিছা।"

তেতিয়া গা ধুবৰ সময় হোৱাত ৰজাই হাঁহি হাঁহি গা ধুবলৈ গ'ল। আত্মতত্ত্ব অৱগত নোহোৱাৰ কাৰণে ৰজাই চূড়ালাৰ কথাৰ তাৎপৰ্য্য বুজিব নোৱাৰিলে। সেইকাৰণে চূড়ালাৰ মনত বৰ খেদ লাগিছিল। তাৰ পিচত চূড়ালাই তেওঁৰ দৈনিক কাৰ্য্যত মনযোগ দিলে। ৰাণীয়ে আত্মজ্ঞান লাভৰ নিমিত্ত ৰজাক নানা প্ৰকাৰে উপদেশ দিছিল। ৰজাই কিন্তু আত্মতত্ত্ব বুজিব নোৱাৰিলে। মুগ্ধা, কলাভিজ্ঞা বালিকাৰ কথা বুলি ৰজাই চূড়ালাৰ কথাত সিমান গুৰুত্ব দিব পৰা নাছিল। আত্মজ্ঞান লাভ কৰিবলৈ হলে তত্ত্বজ্ঞানী গুৰুৰ উপদেশ নিতান্ত প্ৰয়োজন। কিন্তু শিষ্যৰ নিজৰ আগ্ৰহ আৰু পুৰুষাৰ্থ

কলা—নাচ, গান বাদ্য আদি ৬৪ বিধ বিদ্যা।

নহলে অকল গুৰুৰ উপদেশৰদ্বাৰা আত্মজ্ঞান লাভ কৰিব নোৱাৰি। গুৰুৰ উপদেশানুযায়ী অক্লান্তভাৱে পৰোক্ষজ্ঞানৰ অনুসৰণ কৰোঁতে কৰোঁতে প্ৰত্যক্ষ আত্মজ্ঞানৰ উদয় হয়। চূড়ালাৰ উপদেশৰ প্ৰতি আস্থা নথকাৰ বাবে ৰজাই ৰাণীৰ উপদেশানুৰূপ কাৰ্য্য কৰিব পৰা নাছিল। চঞ্চলা বালিকাৰ কথা বুলি ৰজাই চূড়ালাৰ সকলো উপদেশ উকৰাই দিছিল।

তাৰ পিচত ৰজা আৰু ৰাণীয়ে নিজৰ নিজৰ ভাৱত থাকি আগৰ দৰে মহাসুখে কাল কটাব ধৰিলে। এইদৰে থাকোঁতে বহু বছৰ অতীত হ'ল। এসময়ত ৰজাই শত্ৰু পৰাজয়ৰ নিমিত্তে দূৰ-দেশলৈ যাবলগীয়াত পৰিল। তেতিয়া খেচৰ-সিদ্ধিৰ নিমিত্তে চূড়ালাৰ ইচ্ছা হ'ল। ৰজাৰ অনুপস্থিতিৰ সুযোগতে ৰাণীয়ে আকাশগমন-সিদ্ধি লাভ কৰিবৰ নিমিত্তে একান্ত মনে যোগ-সাধনা কৰিবলৈ ধৰিলে।

সকলো সিদ্ধিৰ মূলতে পুৰুষকাৰ। পুৰুষকাৰৰ বলত ব্ৰহ্মত্ব আৰু বিষ্ণুত্ব লাভ কৰিব পৰা যায়। শাস্ত্ৰীয় উপায়ে পুৰুষাৰ্থ কৰিলে দৈৱ আৰু নিয়তিকো জয় কৰা যায়। দৈৱ, প্ৰাক্তন বা অদৃষ্ট পুৰুষকাৰৰে ফল। পূৰ্ব্বজন্মৰ কৰ্ম্মফল বৰ্ত্তমান জন্মত দৈৱ। অস্ত্ৰৰদ্বাৰা

পৰোক্ষ—অপ্ৰত্যক্ষ প্ৰত্যক্ষ—সাক্ষাত

অস্ত্ৰক কাটিব পাৰি। কৰ্ম্মৰদ্বাৰা কৰ্ম্মফল নাশ কৰা সম্ভৱ। প্ৰাক্তন ক্ষয় কৰিবলৈ হলে এলাহক মনত ঠাই নিদি দ্বিগুণ উৎসাহেৰে সৈতে শাস্ত্ৰ-বিহিত কৰ্ম্ম কৰা উচিত। আমালোকৰ বৰ্ত্তমান জন্মও পূৰ্ব্বজন্মৰ কৰ্ম্মফল। ৰজা শিখিধ্বজে শাস্ত্ৰ-পথ পৰিত্যাগ কৰি বিপথে বাট ললে। সেইকাৰণে তেওঁ আত্মজ্ঞান লাভৰপৰা বঞ্চিত হৈছিল।

চতুৰ্থ অধ্যায়

অণিমাদি যোগ-সিদ্ধি।

ব্ৰহ্ম, আত্মা বা জ্ঞান স্বস্বৰূপত ধীৰ, স্থিৰ, শিৱ-স্বৰূপ। কোনো কাৰণ ব্যতিৰেকেই তাত স্পন্দন উত্থিত হ'লে তেওঁ জ্ঞান-জ্ঞেয়-জ্ঞাতা ত্ৰিধা বিভক্ত হৈ নিজেই নিজক অনুভৱ কৰে। এইদৰে অনুভৱ কৰোঁতে আত্ম-বিস্মৰণ ঘটিলে স্বৰূপ নেদেখি আত্মাই নিজকে বিৰূপ জগত বুলি অনুমান কৰে। জগৎ আৰু জীৱ এই অনুমান বা কল্পনাৰেই ফল। যেতিয়ালৈকে জীৱৰ স্বৰূপ-জ্ঞান বা আত্মজ্ঞান লাভ নহয়, তেতিয়ালৈকে প্ৰকৃত শান্তি সুদূৰপৰাহত!

স্বৰূপজ্ঞান বা আত্মজ্ঞান লাভ কৰাই জীৱৰ চৰম লক্ষ্য। এই জ্ঞান লাভ কৰিবলৈ নানা উপায় উদ্ভাৱন কৰা হৈছে। আত্ম-বিচাৰ এইবিলাকৰ ভিতৰতে এটি সহজ উপায়। ইয়াকেই জ্ঞান-যোগ বোলে। এই যোগৰদ্বাৰা দ্বিত্বজ্ঞানৰ লোপ হয়। দ্বিত্বজ্ঞানৰ লয় হ'লেই মুক্তি বা মোক্ষ। সেই কাৰণে এই যোগক লয়-যোগো বোলে। চূড়ালাই এই পথ ধৰিয়েই আত্মজ্ঞান লাভ

কৰি জীৱনমুক্ত হৈছিল। আত্মজ্ঞানতকৈ উৎকৃষ্ট আৰু একো নাই। আত্মজ্ঞান লাভ হলে জানিবলৈ বা পাবলৈ আৰু একো বাকী নাথাকে। এয়েই হৈছে সকলো সিদ্ধিৰ মূল। বুদ্ধিমতী চূড়ালাই পূর্ণানন্দৰ অৱস্থা লাভ কৰিলেও ভৱিষ্যৎ কার্য্য উদ্ধাৰৰ নিমিত্তেই আকাশ-গমন-সিদ্ধিৰ নিমিত্তে তদুপযোগী সাধনাও কৰিছিল।

শাস্ত্ৰত অষ্ট প্ৰকাৰ সিদ্ধিৰ কথা উল্লেখ আছে। সেই-বিলাক এই— (১) অণিমা (২) লঘিমা (৩) প্ৰাপ্তি (৪) প্ৰাকাম্য (৫) মহিমা (৬) ঈশিত্ব (৭) বশিত্ব আৰু (৮) কামাৱসায়িতা। আত্মজ্ঞানৰ তুলনাত এই সিদ্ধি-বিলাক নিতান্ত অকিঞ্চিৎকৰ। অনেক সময়ত এই সিদ্ধি-বিলাক আত্মজ্ঞান লাভৰ পক্ষে অন্তৰায়-স্বৰূপ হয়। সকলো প্ৰকাৰ সিদ্ধিৰ নিমিত্তে যোগাভ্যাস বা যোগ সাধনাৰ দৰ-কাৰ। শাস্ত্ৰত কেইবাবিধো যোগৰ বিধান আছে। যেনে,— ভক্তিযোগ, কর্ম্ম-যোগ, জ্ঞানযোগ, ৰাজযোগ, হঠযোগ। হঠযোগৰ দ্বাৰা শাৰীৰিক উন্নতি হয় আৰু বহুত অলৌকিক কার্য্য কৰিব পাৰি। কিন্তু তাতে ভোল গলে

অণিমা—নিচেই সৰু হোৱা, লঘিমা—অতি পাতল হোৱা, প্ৰাপ্তি—ইচ্ছামতে সকলো বস্তু পোৱা, প্ৰাকাম্য—বৰ ডাঙৰ হোৱা, মহিমা—মহৎগুণ, ঈশিত্ব—সকলোৰে ওপৰত প্ৰভুত্ব কৰা, বশিত্ব—আত্ম সংযম, কামাৱসায়িতা—ইন্দ্ৰিয় দমন।

আত্মজ্ঞান লক্ষ্যৰ বহিভূৰ্ত হৈ পৰাৰ বিশেষ আশঙ্কা থাকে ।

যোগৰ মূল উদ্দেশ্য হৈছে মনক পৰমাত্মাত যোগ বা লয় কৰা । মনেই হৈছে সকলোৰে মূল। মনৰ ভিতৰত দেহৰ যি সূক্ষ্মভাব নিহিত থাকে তাক পূৰ্য্যষ্টক বোলে । মন, বুদ্ধি, অহঙ্কাৰ, শব্দ, স্পৰ্শ, ৰূপ, ৰস আৰু গন্ধ এই অঠোটাই পূৰ্য্যষ্টক। 'চিৎ'ৰ পৰাই ক্রমে চেত্যভাব, চেতনভাব মনোভাব বা জীৱভাব, পূৰ্য্যষ্টক আৰু অৱশেষত স্থূলদেহৰ উৎপত্তি হয়। মানুহৰ শৰীৰৰ সাৰভাগ হৈছে শুক্র। ই মানুহৰ মস্তিষ্কত থাকে। এই শুক্রৰ ভিতৰতে 'মই' 'মোৰ' এই জ্ঞান নিহিত থাকে আৰু ক্রমে সমুদায় শৰীৰতে ব্যাপী পৰে । এই সাৰ পদাৰ্থৰ অপব্যৱহাৰ হলে মস্তিষ্ক দুৰ্ব্বল হয় আৰু ধাৰণা শক্তি কমি যায় । সেই কাৰণে শক্তি সঞ্চয় কৰিবৰ নিমিত্তে ব্ৰহ্মচৰ্য্যৰ ব্যৱস্থা। অতিৰিক্ত শুক্র ক্ষয় কৰিলে সাধনাত কৃতকাৰ্য্য হোৱা অত্যন্ত কঠিন হৈ পৰে । ধ্যান আৰু ধাৰণা কৰিবলৈ শৰীৰ সুস্থ আৰু সবল ৰখা দৰকাৰ । শৰীৰৰ সহায়েৰেই জ্ঞান লাভ কৰা সম্ভৱপৰ। জ্ঞান লাভ কৰিবলৈ দেৱতা বিলাকেও মানৱ শৰীৰ ধাৰণ কৰিব লাগে। সেই কাৰণে দেহসাৰ ৰক্ষা কৰিবলৈ বিশেষ চেষ্টা কৰা উচিত।

জ্ঞান-জ্ঞেয়-জ্ঞাতা এই তিনিটি ভাবক একভাবাপন্ন কৰি দ্বৈতভাব বিনাশ কৰাই ৰাজ-যোগৰ লক্ষ্য। এই যোগ প্ৰথমে ৰজাবিলাকক শিকোৱা হৈছিল। পিচত এই বিদ্যা সাধাৰণ মানুহৰ মাজতো প্ৰচাৰিত হয়। ৰাজ-যোগক ৰাজ-বিদ্যা বা অধ্যাত্ম-বিদ্যাও বোলে। জ্ঞানযোগ আৰু ৰাজযোগৰ মাজত পাৰ্থক্য নিচেই কম। উভয়েৰে লক্ষ্য এক — জ্ঞান লাভ কৰা। ভক্তিযোগ আৰু কৰ্ম্মযোগক জ্ঞানযোগৰে শাখা বুলি ধৰিব পাৰি। স্বৰূপজ্ঞান বা আত্মজ্ঞান লাভ কৰাই হৈছে সকলো প্ৰকাৰ যোগৰ মুখ্য লক্ষ্য।

যোগৰ প্ৰধান অঙ্গ আঠোটা। প্ৰাণায়াম বা পৱনাভ্যাস সেই বিলাকৰ ভিতৰত প্ৰধান। আমালোকৰ শৰীৰৰ ভিতৰত অবিৰাম নানা প্ৰকাৰ কাৰ্য্য চলি আছে। সেইবিলাকৰ আমি একো গম ধৰিব নোৱাৰোঁ। কিন্তু নিশ্বাস-প্ৰশ্বাসৰ কাৰ্য্য সদায় দেখোঁ। প্ৰাণেই হৈছে শৰীৰ যন্ত্ৰৰ চালক। জগদুৎপত্তিৰ কাৰণীভূতা বিকাশিনী শক্তি হৈছে প্ৰাণ আৰু ইয়াৰ বিকাশ হৈছে শ্বাস-প্ৰশ্বাসৰ কাৰ্য্যত। প্ৰাণ সমুদায় প্ৰাণীৰ অন্তৰত জীৱনী-শক্তি ৰূপে থাকে। এই প্ৰাণৰো প্ৰাণ হৈছে জ্ঞান বা আত্মা। শৰীৰস্থ আত্মাক দৰ্শন কৰিবলৈ হলে নিশ্বাস-প্ৰশ্বাসক অৱলম্বন কৰি অগ্ৰসৰ হোৱাই প্ৰশস্ত

পথ। যি প্ৰণালীত এই পথত অগ্ৰসৰ হোৱা যায় সেয়ে হৈছে প্ৰাণায়াম বা যোগ। এই অষ্টাঙ্গ যোগৰ প্ৰণালী এইবিলাক :—

১। যম — (ক) অহিংসা
(খ) সত্য
(গ) অস্তেয় (চুৰ নকৰা)
(ঘ) ব্ৰহ্মচৰ্য্য
(ঙ) অপৰিগ্ৰহ (উপহাৰ গ্ৰহণ নকৰা)

২। নিয়ম —(ক) শৌচ (শুচি)
(খ) সন্তোষ
(গ) তপস্যা (যজ্ঞ, ব্ৰত, উপবাস)
(ঘ) স্বাধ্যায় (বেদ-পাঠ, মন্ত্ৰোচ্চাৰণ)
(ঙ) ঈশ্বৰ-প্ৰণিধান (ঈশ্বৰত আত্ম-সমৰ্পণ)

৩। আসন—

৪। প্ৰাণায়াম বা পৱনাভ্যাস।

৫। প্ৰত্যাহাৰ (মনক বাহিৰৰপৰা ভিতৰলৈ আহৰণ কৰা)

৬। ধাৰণা (একাগ্ৰতা) ৭। ধ্যান

৮। সমাধি (জ্ঞানাতীত বা ব্ৰহ্মানন্দৰ অৱস্থা)

আসন পাঁচ প্ৰকাৰ :- ১। পদ্মাসন। ২। স্বস্তিকাসন। ৩। ভদ্ৰাসন। ৪। বজ্ৰাসন! ৫। বীৰাসন।

উক্ত প্ৰণালী অৱলম্বন পূৰ্ব্বক ৰেচক, পূৰক আৰু কুম্ভক অভ্যাস কৰিলে প্ৰাণৰ ওপৰত প্ৰভুত্ব জন্মে। তেতিয়া ৰাজ্য, সম্পদ এনেকি মোক্ষ পৰ্য্যন্ত লাভ কৰিব পাৰি প্ৰাণশক্তিক আয়ত্ত কৰিব পাৰিলে তাৰ সহায়তে অত্যন্ত চঞ্চল চিত্ত বা মনক স্থিৰ অৱস্থালৈ আনিব পাৰি। মনক স্থিৰ কৰাই পৰমা-শান্তি লাভ। চঞ্চল মন বা চিত্তক সংযম কৰাই যোগৰ উদ্দেশ্য। সেই কাৰণে শাস্ত্ৰত কৈছে- "যোগচিত্ত বৃত্তিনিৰোধঃ।"

শৰীৰৰ ভিতৰত অসংখ্য স্নায়ু বা নাড়ী আছে। সেই-বিলাকৰ ভিতৰেদি খোৱা-বস্তুৰ সাৰভাগ তেজৰূপে শৰীৰৰ সকলো অংশলৈ গৈ প্ৰত্যেক অঙ্গকে পৰিপুষ্ট কৰে। এই নাড়ীবিলাকৰ ভিতৰত প্ৰধান নাড়ী তিনিটা :— ইড়া, পিঙ্গলা, আৰু সুষুম্না। এই বিলাকৰ লগত সংযোগ কৰি আৰু বহুনাড়ী শৰীৰৰ প্ৰত্যেক ভাগলৈ গৈছে। সেইবিলাকৰ জৰীয়তে প্ৰাণ শক্তিয়ে নানা কাৰ্য্য কৰি শৰীৰ-যন্ত্ৰ চলাই থাকে।

সুষুম্না নাড়ী মেৰুদণ্ডৰ ভিতৰত থকা এটি শূন্য-নালী। সপ্তচক্ৰ ভেদ কৰি এই নাড়ী গুহ্যদ্বাৰৰপৰা মস্তিষ্কলৈকে বিয়াপি আছে। গুহ্যদ্বাৰৰপৰা আৰম্ভ কৰি এই সাতোটা

চক্র এই :—

(১) মূলাধাৰ চক্র :—গুহ্যৰ পিচফালে মেৰুদণ্ডৰ মূৰত।
(২) স্বাধিস্থান চক্র :—লিঙ্গৰ পিচফালে মেৰুদণ্ডৰ মাজত।
(৩) মণিপুৰ চক্র :—নাভিৰ পিচফালে মেৰুদণ্ডৰ মাজত।
(৪) অনাহত চক্র :—বুকুৰ পিচফালে মেৰুদণ্ডৰ মাজত।
(৫) বিশুধ্যাখ্য চক্র :—কণ্ঠৰ পিচফালে মেৰুদণ্ডৰ মাজত।
(৬) আজ্ঞাচক্র :—ভ্রূদ্বয়ৰ সন্ধিৰ পিচ ফালে মূৰত।
(৭) সহস্রাৰ বা সহস্রদল চক্র :—মস্তিষ্কৰ ভিতৰত।

এই চক্রবিলাকক পদ্মও বোলে। এই বিলাক প্রত্যেকে একোটা শক্তিৰ কেন্দ্র স্বৰূপ।

যি শক্তিৰ প্রভাৱত শৰীৰৰ ভিতৰত নানা কাৰ্য্য চলি আছে সেয়ে হৈছে জীৱনী-শক্তি বা প্রাণ-শক্তি। তাকে আকৌ কুণ্ডলিনী শক্তিও বোলে। ত্রিকোণাকৃতি মূলাধাৰ চক্রৰ ভিতৰত এই শক্তি অৰ্দ্ধ 'ওঁ'কাৰৰ নিচিনা কুণ্ডলাকাৰে থাকে বুলি ইয়াক কুণ্ডলিনী শক্তি বোলে। সুৰ, অসুৰ, নৰ, কীট আদি সকলো প্রাণীৰ ভিতৰতে এই শক্তি আছে। স্থূলদেহৰ ভিতৰত লিঙ্গদেহ। কুণ্ডলিনী শক্তি এই লিঙ্গদেহৰ বীজস্বৰূপ। এই কুণ্ডলিনী শক্তিয়েই চিৎ, জীৱ, মন, প্রাণ, বুদ্ধি, অহঙ্কাৰ, ইন্দ্রিয় পুৰ্য্যষ্টক আৰু সকলো।

তস্যাস্ত্বভ্যন্তৰে তস্মিন্ কদলীকোশকোমলে।
যা পৰা শক্তিঃ স্ফুৰতি বীণাবেগলসদ্গতিঃ ॥
সা চোক্তা কুণ্ডলীনাম্না কুণ্ডলাকাৰবাহিনী।
প্ৰাণীনাং পৰমা শক্তিঃ সৰ্ব্বশক্তিজৱপ্ৰদা ॥ ৮০।৪১,৪২

মানুহৰ সাধাৰণতে সুষুম্না নাড়ীৰ তলৰ পিনে মুখ বন্ধ থাকে। প্ৰাণায়ামৰদ্বাৰা সুষুম্নাৰ মুখ মুকলি হয়। তেতিয়া শুই থকা কুণ্ডলিনী মূলাধাৰৰপৰা ওপৰলৈ উঠে। এই শক্তি মূলাধাৰৰপৰা ওপৰলৈ উঠি সহস্ৰাৰত উপনীত হঁলে সমাধিৰ অৱস্থা লাভ হয়।

সুষুম্নাৰ বাওঁফালে ইড়ানাড়ী আৰু সোঁফালে পিঙ্গলা-নাড়ী মেৰুদণ্ডৰ ভিতৰতে অৱস্থিত। কুণ্ডলিনীয়ে এই দুই নাড়ীৰ ভিতৰেদি বাহিৰৰ বায়ুক ভিতৰলৈ টানি আনে আৰু ভিতৰৰ বায়ুক বাহিৰলৈ উলিয়াই দিয়ে। কুণ্ডলিনী প্ৰাণস্বৰূপে ওপৰলৈ গতি কৰে আৰু অপান-ৰূপে তললৈ নামি যায়। এই গতিৰ গুণতে শৰীৰৰ ভিতৰত নানা ভাব যেনে,—ভোক, পিয়াহ, কাম, ক্ৰোধ, হৰ্ষ, বিষাদ, আদি প্ৰকাশ পাই থাকে।

বিশেষ কৌশল অৱলম্বন পূৰ্ব্বক এই প্ৰাণৰ কাৰ্য্যক অৰ্থাৎ উশাহ আৰু নিশ্বাসক নিয়ন্ত্ৰিত কৰিব পাৰিলে তাৰ মূলীভূত কাৰণ প্ৰাণশক্তি বা কুণ্ডলিনীশক্তিকো

জৱপ্ৰদা-বেগবিধান কাৰিণী।

আয়ত্ত কৰিব পৰা যায়। মূলাধাৰত নিদ্ৰিতা কুণ্ডলিনীক উদ্বোধন কৰাই প্ৰাণায়মৰ লক্ষ্য। প্ৰাণায়াম অৰ্থাৎ ৰেচক, পূৰক আৰু কুম্ভকেই হৈছে—সেই কৌশল। ৰেচকৰদ্বাৰা বায়ুক ভিতৰলৈ টানি অনা যায়। পূৰকৰদ্বাৰা তাক বাহিৰলৈ উলিয়াই দিয়া হয় আৰু কুম্ভকৰদ্বাৰা তাক ক্ৰমধ্যত নিৰোধ কৰি ৰখা হয়। পুৰুষকাৰ সহকাৰে দীৰ্ঘকাল অভ্যাস কৰিলেহে ইয়াত কৃতকাৰ্য্য হব পৰা যায়। তাকে কৰিবলৈ সুদক্ষ গুৰুৰ নিতান্ত দৰকাৰ। নিৰ্দ্দিষ্ট প্ৰণালীৰ অলপ ব্যতিক্ৰম হলেও মস্তিষ্ক বিকৃতি আনকি মৃত্যুও হব পাৰে।

কুণ্ডলিনীক জাগৰিত কৰিব পাৰিলে তত্ত্বজ্ঞান, পৰমপদ বা আত্মানুভূতি লাভ কৰিব পাৰি। নানা উপায়ে কুণ্ডলিনীক উদ্বোধন কৰিব পৰা যায়। একাগ্ৰতা আৰু পুৰুষকাৰ সকলোৰে মূল। ভগৱৎ প্ৰেমৰদ্বাৰা, সিদ্ধমহাপুৰুষৰ কৃপাৰদ্বাৰা, প্ৰাণায়ামৰদ্বাৰা বা জ্ঞানবিচাৰৰ দ্বাৰা তেওঁক আয়ত্ত কৰিব পাৰি। চূড়ালাই প্ৰথমে আত্মবিচাৰ, শাস্ত্ৰালোচনা আৰু সৎসঙ্গৰদ্বাৰাই আত্মজ্ঞান লাভ কৰি অভাৱ আৰু ইচ্ছা পৰিশূন্য বিশ্ৰাম লাভ কৰিছিল। তথাপি লীলা বশতঃ বা ভৱিষ্যৎ উদ্দেশ্য সাধনৰ নিমিত্তে তেওঁ অকাশ-গমন-সিদ্ধিও লাভ কৰিছিল। তাৰ বাৰে তেওঁ সকলো প্ৰকাৰ ভোগ ত্যাগ কৰি ওপৰত উল্লেখ

কৰা প্ৰণালী মতে নিৰ্জ্জন ঠাইত খেচৰ-সিদ্ধিৰ অনুকূল পৱনাভ্যাসৰূপ যোগ সাধন কৰিছিল।

ৰাজ-পত্নী চূড়ালাই যথাবিধি প্ৰাণ-ধাৰণাদি যোগাভ্যাস কৰি অণিমা, লঘিমা আদি যোগৈশ্বৰ্য্য লাভ কৰিছিল। এই সিদ্ধিৰ প্ৰভাৱতে তেওঁ আকাশ, পাতাল ভূমণ্ডল পৰ্য্যটন কৰিব পাৰিছিল। তেওঁ সকলো ভূতৰ ভাষা বুজিব পাৰিছিল আৰু ভূত, পিশাচ, সুৰ, অসুৰ, সিদ্ধ, বিদ্যাধৰ বিলাকৰ লগত কথা-বাৰ্ত্তা হব পাৰিছিল। তেওঁ নানা ঠাইত বিচৰণ কৰি ফুৰিলেও যোগৈশ্বৰ্য্যৰ প্ৰভাৱত সদায় স্বামীৰ লগতো উপস্থিত আছিল। চূড়ালাই নিজৰ সিদ্ধি-সম্পদৰ কথা ৰজাক জনোৱা নাছিল।

পঞ্চম অধ্যায়

শিখিধ্বজৰ ৰাজ্যত্যাগ ।

ৰজা শিখিধ্বজ সুখেৰে ৰাজত্ব কৰি বহু বছৰ কটালে। অৱশেষত ভোগৰ অন্ত হলত ৰজাৰ মনত শ্ৰান্তিয়ে দেখা দিলে। তেতিয়া ৰজাই বুজিলে যে ৰাজ্য, ধন, সম্পত্তিয়ে মনত শান্তি দিব নোৱাৰে। ক্ৰমে ৰজাৰ মনত বৈৰাগ্যৰ ভাব প্ৰবল হৈ উঠিল। তেতিয়া দেৱতা ব্ৰাহ্মণক গো, ভূমি ৰত্নাদি বিতৰণ কৰি ৰজাই চান্দ্ৰায়ণাদি ব্ৰত আৰু তীৰ্থ, দেৱালয় আদি পৰ্য্যটন কৰি ফুৰিব ধৰিলে। এই বিলাক কাৰ্য্য কৰিও ৰজাই শান্তি লাভ কৰিব নোৱাৰিলে। যি ঠাইত ৰত্নৰ আকৰ নাই তাত খান্দিলে কোনে ৰত্ন লাভ কৰিব পাৰে? অৱশেষত সংসাৰৰ জ্বালাৰ পৰা পৰিত্ৰাণ পাবৰ নিমিত্তে ৰজাই ৰাজ্যধন পৰিত্যাগ কৰি বনবাসী হবলৈ দৃঢ় সঙ্কল্প কৰিলে।

চিন্তাকুল ৰজা শিখিধ্বজে এসময়ত ৰাণী চূড়ালাক অকলে পাই মধুৰ বচনে কবলৈ ধৰিলে,- "প্ৰিয়ে! মই বহুকাল ৰাজ্য আৰু বিবিধ বিভৱ উপভোগ

কৰিলোঁ। তথাপি ভোগতৃষ্ণাৰ নিবৃত্তি নাই। মোৰ চিত্ত সদায় চঞ্চল আৰু অশান্ত। সেই কাৰণে য'ত দুখ-সুখ, বিপদ-সম্পদ, দেশভঙ্গ সংগ্ৰাম আৰু জনক্ষয় নাই; য'ত নয়নৰঞ্জনকাৰী শ্যামবৰণীয়া ঘাঁহনি পথাৰ বিৰাজমান; য'ত নানা জাতিৰ পুষ্পপুঞ্জে নয়ন মন আমোদিত কৰে; য'ত মুগ্ধ হৰিণাবিলাকে নিঃশঙ্ক মনে বিচৰণ কৰি ফুৰে, — শান্তিৰ লীলাভূমি সেই নিৰ্জ্জন বনপ্ৰদেশলৈ গৈ জীৱনৰ বাকী কালখিনি শান্তিৰে কটাম বুলি মন কৰিছোঁ। আশা কৰোঁ তুমি মোৰ এই সঙ্কল্পত বাধা নিদিবা। পতি-পৰায়ণা ৰমণীয়ে সপোনতো স্বামীৰ বিৰুদ্ধাচৰণ নকৰে।"

ৰজাক এই দৰে খেদ কৰা দেখি ৰাণী চূড়ালাই কবলৈ ধৰিলে, - "মহাৰাজ! এইটো সচৰাচৰ দেখা যায় যে সকলো ক্ষেত্ৰতে যেতিয়াৰ যিটো কাম সেই সময়ত কৰিলেহে শোভা পায়। যেনেকৈ বসন্তত ফুলে আৰু শৰতত ফলে বিশেষ শোভা পায় সেইদৰে বৃদ্ধ বয়সত বানপ্ৰস্থ অৱলম্বন কৰিলেহে শোভা পায়। যেতিয়ালৈকে আমালোকৰ যৌৱন সম্পূৰ্ণৰূপে ক্ষয় নহয় তেতিয়ালৈকে আমালোকে গৃহশোভা কৰি থকা উচিত। বৃদ্ধকাল উপস্থিত হলে দুয়োজনে একেলগে বানবাসী হম। এই সময়ত প্ৰজাপালন কৰ্ম্ম পৰিত্যাগ কৰিলে অধৰ্ম্মহে হব।"

ৰজা শিখিধ্বজে চূড়ালাৰ কথাত অলপো গুৰুত্ব আৰোপ নকৰিলে। তেওঁৰ অনুপস্থিতিৰ সময়ত চূৰালাৰ ওপৰত ৰাজ্যভাৰ গতাই দি ৰজাই অকলে বনবাসী হবলৈ ঠিক কৰিলে। ৰজাই কলে যে কোনো কাৰণে ৰজাই ৰাজ্যৰপৰা আন ঠাইলৈ যাব লগা হলে কুটুম্বভাৰ বহন কৰা পতিপৰায়ণা স্ত্ৰীৰ কৰ্ত্তব্য। পতিৰ প্ৰতি অনুৰাগিনী চূড়ালাই স্বামীৰ সহগমন কৰিবলৈ বিৰোধী কৰিলে। তাৰ পাচত এদিনাখন নিশা ৰজাই কপট-নিদ্ৰাৰ ভাও ধৰি থাকিল। ৰাণীয়ে পদুমফুলৰ মাজত নিদ্ৰিতা ভ্ৰমৰীৰ নিচিনা ৰজাৰ কোলাত গভীৰ নিদ্ৰাত অভিভূত হৈ পৰিল। তেতিয়া গ্ৰহণৰ পিচত ৰাহুৱে চন্দ্ৰক লাহে লাহে এৰি দিয়াৰ দৰে ৰজাই নিদ্ৰিতা চূড়ালাক কোলাৰপৰা আঁতৰাই ৰাখি নিজে বিছনাৰ পৰা উঠি পৰিল। "মোক আজিৰ পৰা বিদায় দিয়া" বুলি ৰাজ-লক্ষ্মীক নমস্কাৰ কৰি ৰজাই গভীৰ অন্ধকাৰ ৰাতি নীৰিড় অৰণ্যৰ ভিতৰেদি বেগেৰে খোজ ললে। ওৰেদিন বাট বুলি সন্ধিয়া সময়ত ৰজাই অলপ ফলমূল খায় আৰু ৰাতি হলে বিশ্ৰাম কৰি অৰুণোদয়ৰ লগে লগে আকৌ খোজ লয়। এইদৰে খোজ কাঢ়ি দ্বাদশ ৰজনী কটালে। অৱশেষত জন-কোলাহল বিবৰ্জ্জিত সুদূৰ মন্দৰ পৰ্ব্বতৰ ওচৰত থকা এখন সমতল ভূমি পালেগৈ।

সেই কাননত বাপীৰ জল সবেগে বৈ গৈছে আৰু তাৰে পানীৰদ্বাৰা পৰিপুষ্ট হৈ বৃক্ষবিলাকে স্থূলকায় ধাৰণ কৰিছে। তাত তপস্বীবিলাকে আগতে আশ্ৰম কৰি থকা চিন পৰি আছে। তাত সিদ্ধগণ-মোহিত সুন্দৰ সুন্দৰ লতা-কুঞ্জে বিৰাজ কৰি আছে। প্ৰাণী-বিলাকৰ প্ৰাণ-ধাৰণোপযোগী ফল-মূলাদিও তাত আছে। লতা-পাতা সংগ্ৰহ কৰি ৰজাই তাতে এটি সৰু কুটীৰ সাজি ললে। ৰজাই সেই আশ্ৰমৰ অ'ত ত'ত পৰি থকা শীত নিবাৰণৰ নিমিত্তে কঁথা, ভোজন-পাত্ৰ আৰু নানা আৱশ্যকীয় বস্তু-বাহানি বিচাৰি আনি গোটাই ললে। তপস্যাৰ উপযোগী পুষ্প-পাত্ৰ কমণ্ডলু, কোষা, অৰ্ঘ্য, কুশাসন আৰু মৃগচৰ্ম্ম আদিও বিচাৰি বিচাৰি সংগ্ৰহ কৰি ললে। এইদৰে বয়বস্তু গোটাই লৈ ৰজাই নিৰ্জ্জন কাননত একান্ত মনে তপস্যা কৰিবলৈ ধৰিলে। পুৱাৰ প্ৰথম প্ৰহৰত সন্ধ্যা, তাৰ পিচত জপ, দ্বিতীয় প্ৰহৰত ফুল তোলা আৰু ফল-মূল, কাঠ সংগ্ৰহ কৰা, তৃতীয় প্ৰহৰত স্নান আৰু দেৱাৰ্চ্চনা, তাৰ পিচত ফলমূল ভোজন আৰু জপ। এইদৰে কাৰ্য্য-তালিকা ঠিক কৰি লৈ মালৱাধিপতি শিখিধ্বজে কাল কটাবলৈ ধৰিলে। ভেতিয়া তেওঁৰ আৰু ৰাজত্ব-সুখ মনত পৰা নাছিল। যাৰ মনত প্ৰকৃত বৈৰাগ্য উদয় হয় ৰাজ-লক্ষ্মীয়েও তাক আকৰ্ষণ কৰিব নোৱাৰে। বৈৰাগ্যৰ আস্বাদ পালে পৰম দৰিদ্ৰেও ইন্দ্ৰপদ বাঞ্ছা নকৰে।

ষষ্ঠ অধ্যায়

ঋষি-কুমাৰ কুম্ভ

বাস কৰিবলৈ পৰ্ণকুটীৰ আৰু তপস্যাৰ নিমিত্তে কমণ্ডলু, অক্ষমালা আদি যোগাৰ কৰি লৈ ৰজা শিখিধ্বজে দুৰ্ঘোৰ অৰণ্যৰ ভিতৰত নিয়মিত ভাৱে তপস্যা কৰিবলৈ ধৰিলে। ইপিনে ৰাণী চূড়ালাই টোপনিৰপৰা সাৰ পাই দেখে যে ৰজাই তেওঁক অকলে এৰি থৈ গুচি গৈছে আৰু শূন্য শয্যা পৰি আছে। তেতিয়া চূড়ালাৰ মুখমণ্ডল মলিন হৈ উঠিল! তেওঁ অলপ সময় খিন্নহৃদয়ে বিছনাত বহি ভাবিলে যে স্বামীয়েই স্ত্ৰীৰ প্ৰথম গতি। অকলে ৰাজ্যত থাকি সুখ কি? পতিকে স্বামীৰ সহগমন কৰাই উচিত বুলি চূড়ালাই মনতে থিৰ কৰিলে। এইদৰে ভাবি-চিন্তি চূড়ালাই নিজৰ যোগ-শক্তিৰ প্ৰভাৱত আকাশৰ ওপৰলৈ উঠি স্বামীৰ অনুসৰণ কৰিবলৈ ধৰিলে। তেওঁ ওপৰৰপৰা দেখিবলৈ পালে যে ৰজাই খড়্গহস্তে পিচলৈ চকু নকৰি একান্তমনে নীবিড় অৰণ্যৰ মাজেদি বেগেৰে খোজ কাঢ়ি যাব ধৰিছে। তেতিয়া, ভৱিষ্যতে স্বামীৰ

যেতিয়া যিদৰে যি হব যোগবলেৰে জানিব পাৰি চূড়ালাই বেছি দূৰ অগ্ৰসৰ নহল। অন্তঃপুৰলৈ উভতি আহি ৰাণীয়ে আকৌ শুই পৰিল। জীৱন্মুক্তবিলাকে এইদৰেই মনক থিৰ কৰি সকলো অৱস্থাতে সাধাৰণ ভাৱে কাৰ্য্য কৰিব পাৰে। ৰাতি পুৱালত ৰাণীয়ে প্ৰধান মন্ত্ৰী আৰু পুৰবাসীবিলাকক আশ্বাস দি কলে যে ৰজাই কোনো বিশেষ কাৰ্য্যোপলক্ষে কিছুদিনৰ নিমিত্তে আন ঠাইলৈ গৈছে আৰু তেওঁ উভতি নাহে মানে ৰাজকাৰ্য্য আগৰদৰে নিয়মিত ভাবে চলিব লাগে। এইদৰে চূড়ালাই ৰাজ্য শাসন কৰি আৰু শিখিধ্বজে অৰণ্যত তপস্যা কৰি থাকোতে দিন, পক্ষ, মাহ, বছৰ ঋতু কৰি ওঠৰ বছৰ পাৰ হৈ গল। তেতিয়া চূড়ালাই বুজিব পাৰিলে যে ৰজাই জৰাক্ৰান্ত হৈছে আৰু বাসনাৰ পৰিপাক হোৱাত তেওঁ তত্ত্বজ্ঞান লাভ কৰিবলৈ উপযোগী হৈছে। চূড়ালাই ইমান দিনে তাকেই অপেক্ষা কৰি চাই আছিল।

তত্ত্বজ্ঞান হৃদয়ঙ্গম কৰিবলৈ ৰজাৰ উপযুক্ত সময় হৈছে বুলি বুজিব পাৰি চূড়ালাই এদিনাখন অন্তঃপুৰৰ পৰা বাহিৰ হৈ সূক্ষ্ম শৰীৰ ধাৰণ কৰিলে আৰু গগন-পথ অৱলম্বন কৰি স্বামীৰ ওচৰলৈ যাবলৈ ধৰিলে। মেঘৰ ভিতৰেদি যাওঁতে তাত বিজুলীৰ খেলা দেখি

আৰু সুশীতল সমীৰণ সেৱন কৰি চূড়ালাৰ মন আনন্দত নাচি উঠিল। দেৱৰাজ ইন্দ্ৰৰ বিনন্দীয়া নন্দন-কানন আৰু তাত সিদ্ধাভিসাৰিকাবিলাকক নিজৰ নিজৰ প্ৰিয়-তমৰ লগত মহাৰঙ্গে ক্ৰীড়া কৰি থকা দেখা পাই চূড়ালাৰ মনতো নিজৰ পতিৰ লগত প্ৰণয় কৰিবলৈ ইচ্ছা জাগি উঠিল। মনৰ চঞ্চলতা অনুভৱ কৰি চূড়ালাই মনে মনে ভাবিলে,—"কি আচৰিত কথা! মই বিবেকিনী হৈছোঁ—তথাপি আমোদ প্ৰমোদৰ দৃশ্য দেখি মোৰ মন উত্ৰাৱল হৈ উঠিছে। বুজিব পাৰিলোঁ। যে দেহীৰ মন আমৰণ কাল একেভাৱেই থাকে।" তেতিয়া বিবেক বলেৰে মনক সংযত কৰি ৰাণীয়ে নিজকে প্ৰবোধ দি কলে,—"হে মুগ্ধ চিত্ত! তোৰ এনেকুৱা অধীৰতা বৃথা! স্বামী এতিয়া তপস্বী। তেওঁৰ শৰীৰ জীৰ্ণ-শীৰ্ণ, জৰা-গ্ৰস্ত আৰু মন বাসনাশূন্য হৈ পৰিছে। ৰাজ্যাদি ভোগত তেওঁৰ আৰু আশক্তি নাই। এতেকে হে চঞ্চলমন! তই উৎকণ্ঠিত হৈ একো লাভ নাই। প্ৰথমে তত্ত্বজ্ঞানৰ সঞ্চাৰ কৰি স্বামীৰ মনক সমীকৰণ কৰিব লাগিব। তাৰ পিচত আমালোকে আকৌ মহানন্দে একেলগে বাস কৰিম। সমান মনোবৃত্তিৰ সম্মিলন সুখহে সৰ্ব্বোৎকৃষ্ট আনন্দ।"

সমীকৰণ—এক জাতীয় কৰা।

এইদৰে নিজেই নিজক প্ৰবোধ দি চূড়ালাই আকাশ-পথ ধৰি আগবাঢ়ি যাবলৈ ধৰিলে। বহুত দেশ, দিগন্ত, নদ-নদী, কানন, পৰ্ব্বত অতিক্ৰম কৰি চূড়ালাই অৱশেষত মন্দৰ পৰ্ব্বত পালেগৈ। তাতে এখন গহীন হাবিৰ মাজত পৰ্ণ-কুটীৰ নিৰ্ম্মাণ কৰি স্বামীক তপস্যা কৰি থকা দেখিলে। যি স্বামীৰ সুঠাম শৰীৰ, এক সময়ত হাৰ, কেয়ুৰ, কঙ্কন, কুণ্ডল আদি অলঙ্কাৰেৰে সুশোভিত আছিল, যাৰ দেহৰ কান্তি অতি মনোহৰ আছিল আৰু যাক শত শত দাস-দাসীয়ে সেৱা-শুশ্ৰূষা কৰিছিল সেই স্বামীৰ শৰীৰ জীৰ্ণ শীৰ্ণ আৰু কৃষ্ণবৰ্ণ হোৱা দেখি চূড়ালাৰ মনত বৰ খেদ লাগিল। চূড়ালাই আক্ষেপ কৰিলে যে তত্ত্বজ্ঞানৰ অভাৱ হেতু স্বামীৰ এনেকুৱা দুৰ্দ্দশা হৈছে। চূড়ালাই এইটো ঠিক কৰিলে যে তেওঁৰ স্বামীয়ে যাতে বিদতত্বেত্ত্ব হৈ ভোগ, মোক্ষ আৰু শ্ৰীলাভ কৰিব পাৰে তাৰ নিমিত্তে অতি সোনকালে ব্যৱস্থা কৰা উচিত। এতিয়া বৈৰাগ্য বশে ৰজাৰ চিত্ত শুদ্ধ হোৱাত তাত আত্মতত্ত্ব প্ৰতি-ফলিত হোৱাৰ উপযুক্ত হৈছে। কিন্তু যদি বৰ্ত্তমান আকাৰে দেখা দিয়া যায় তেন্তে তেওঁৰ উপদেশৰ প্ৰতি ৰজাৰ আগ্ৰহ নহব—আগৰ দৰেই অবলা, চঞ্চলা, কলা-ভিজ্ঞা বালিকা বুলি অৱজ্ঞা কৰিব। সেই কাৰণে চূড়ালাই

স্বীয় যোগৰ প্ৰভাৱে দ্বিজ-বালকৰূপ ধাৰণ কৰি পতিৰ আগত উপস্থিত হল গৈ।

এই ব্ৰাহ্মণ-বালকৰ বৰ্ণ গৌৰ। তেওঁৰ গলত মুক্তা-মালা, কান্ধত যজ্ঞোপবীত, পৰিধানত শুক্ল বসন, হাতত কমণ্ডলু, টিকনিত মন্দাৰ ফুল আৰু ললাটত ভস্ম-তিলক শোভা পাইছে। শান্তচিত্ত জিতেন্দ্ৰিয় ব্ৰাহ্মণ-কুমাৰক দেৱ পুত্ৰ বুলি ভাবি ৰজাই পাদুকা পৰিত্যাগ পূৰ্ব্বক চূড়ালাক নমস্কাৰ কৰিলে আৰু পাদ্য, অৰ্ঘ্য আৰু পুষ্পমাল্য আগবঢ়াই দি যথাবিহিত অভ্যৰ্থনা কৰিলে। ব্ৰাহ্মণকুমাৰেও প্ৰতিনমস্কাৰ কৰি ৰজাৰ কুশল বাৰ্ত্তা সুধিলে। তেতিয়া ৰজাই নিজৰ পৰিচয় দি কলে,—"মোৰ পৰম ভাগ্য যে আজি বহুদিনৰ মূৰত এই অৰণ্যত আপোনাৰ নিচিনা দেৱকুমাৰৰ দৰ্শন মিলিছে। আপোনাৰ দেহৰ গঠন অতি মনোহৰ। আপোনাক দেখা পাই মোৰ সহধৰ্ম্মিণী চূড়ালালৈ মনত পৰিছে। আপোনাৰ অঙ্গ-প্ৰত্যঙ্গৰ লগত মোৰ স্ত্ৰীৰ অঙ্গ-প্ৰত্যঙ্গৰ ভালেখিনি মিল আছে। আপোনাৰ কমনীয় ৰূপ দেখি মোৰ স্বভাৱতে বৰ সুখ লাগিছে। এতিয়া অনুগ্ৰহ কৰি কওকচোন আপুনি কোন? আৰু কি উদ্দেশ্যে বা আপুনি ইয়ালৈ আহিছে?'

ৰজাৰ প্ৰশ্ন শুনি ব্ৰাহ্মণৰূপিণী চূড়ালাই কলে,— “হে ৰাজন। মই পৃথিৱীৰ বহুত ঠাইত ভ্ৰমণ কৰিছোঁ। কিন্তু আপোনাৰ দ্বাৰা যি ৰকম অভ্যৰ্থিত হৈছোঁ এনেকুৱা অৰ্চ্চনা আৰু কৰবাত পোৱা বুলি মনত নপৰে। আপুনি দীৰ্ঘজীৱি হওক আৰু ফল কামনা ত্যাগ কৰি আপুনি যি ব্ৰত কৰিছে সি সফল হওক। বিনীত ভাবে প্ৰশ্ন কৰ্ত্তাক কেনোৱে বঞ্চিত নকৰে। সেই কাৰণে মোৰ জন্মবৃত্তান্তৰ কথা কওঁ মন দি শুনক—

“এই জগন্মণ্ডলত নাৰদ নামেৰে এজন বিশুদ্ধচিত্ত মুনি আছে। তেওঁ এক সময়ত সুমেৰু গুহাত সমাধিস্থ হৈ আছিল। ধ্যানান্তে তেওঁ মন্দাকিনীৰ পাৰত বলয়-শিঞ্জন সুমধুৰ কুলুধ্বনি শুনিবলৈ পালে। কৌতূহল বশতঃ চাৰিও পিনে চকুফৰাই চাওঁতে দেখিবলৈ পালে যে ৰম্ভা, তিলোত্তমা আদি সৰগৰ অপ্‌সৰা সকলে উলঙ্গ হৈ নিৰ্ভয়ে মন্দাকিনীৰ নিৰ্ম্মল পানীত জলক্ৰীড়া কৰিবলৈ ধৰিছে। সেই নিৰ্জ্জন ঠাইত কমনীয়া কামিনীবিলাকক নাচি-বাগি ক্ৰীড়া কৰি থকা দেখা পাই নাৰদ মুনিৰ মন চঞ্চল হৈ পৰিল আৰু ক্ষন্তেকৰ নিমিত্তে তেওঁৰ বিবেক আঁতৰি গল। মদনৰ বশীভূত হৈ আনন্দত অধীৰ হোৱাত মুনিৰ প্ৰাণবায়ু বিক্ষোভিত হৈ পৰিল।

তেতিয়া তেওঁৰ দেহসাৰ শুক্র দেহচ্যুত হৈ পৰিল। তাৰ পিচত বিবেকৰ দ্বাৰা চিত্ত সংযম কৰি মুনিয়ে সেই বীৰ্য্য এটি কুম্ভ-পাত্রত ৰাখি দিলে। মুনিৰ অব্যর্থ বীৰ্য্য সেই কুম্ভ-পাত্রতে গৰ্ভৰূপে পৰিণত হ'ল আৰু ক্রমে বৰ্দ্ধিত হৈ যথা সময়ত এটি শিশুৰ জন্ম হয়। নাৰদে পুত্রৰ সংস্কাৰ কাৰ্য্য কৰি যথাসময়ত তাক সকলো শাস্ত্রতে সুপণ্ডিত কৰি তুলিলে। কুম্ভ-পাত্রৰ পৰা জন্ম হোৱা কাৰণে সেই পুত্রৰ নাম "কুম্ভ" ৰখা হৈছে। মযেই সেই কুম্ভ নামধাৰী নাৰদপুত্র। ব্রহ্মা মোৰ পিতামহ। বেদ মোৰ সহচৰ। সৰস্বতী মোৰ জননী। গায়ত্রী মোৰ মাহী। মই ব্রহ্মলোকত বাস কৰোঁ। মই ইচ্ছামতে সকলো ঠাইতে ফুৰিব পাৰোঁ। ফুৰোঁতে ঘুৰোঁতে হঠাত আপোনাক অকলে নিৰ্জ্জনত দেখা পাই আপোনাৰ ওচৰলৈ আহিছোঁ।"

ব্রহ্মচাৰীৰ কথাত আচৰিত হৈ ৰজা শিখিধ্বজে সুধিলে, "নাৰদ এজন ব্রহ্মজ্ঞ, ইচ্ছা শূন্য আৰু জীৱন্মুক্ত হৈয়ো মদন-স্খলত হ'ল কেনেকৈ?" তেতিয়া কুম্ভমুনিয়ে কলে, "হে মহাৰাজ! ত্রিভুৱনৰ ভিতৰত জীৱ মাত্রেই এনে কি দেৱতা বিলাকো স্বভাৱৰ অধীন। কল্পাৰম্ভৰ সময়ত ব্রহ্মাই নিজে অবিদ্যাক আশ্রয় কৰি জগৎৰূপে

প্ৰকাশিত হৈ প্ৰলয়—কাল পৰ্য্যন্ত চলি থাকে। এইদৰে হোৱাকে স্বভাব বোলে। স্বভাৱৰ আন আন নাম হৈছে—প্ৰকৃতি, নিয়তি, মায়া প্ৰপঞ্চ আদি। এই নিয়তি দ্বৈতভাবে অন্বিত যেনে—শীত-উষ্ণ, দিন-ৰাতি, সুখ-দুখ, জন্ম মৃত্যু। ই নিয়তিৰ নিয়ম। স্বভাৱৰ অধীন বিষয় মাত্ৰেই ইয়াৰ প্ৰভাৱৰ হাত সাৰিব নোৱাৰে। শৰীৰ কি সূক্ষ্ম, কি স্থূল থাকে মানে সুখ-দুখ আছেই। অজ্ঞ মানুহে দেহাত্মভাব থকাৰ নিমিত্তে বিষয়ৰ সংসৰ্গত তাত দৃঢ় ৰূপে লাগি থাকে। এনে কি বিষয়ৰ অভাৱ হলেও অন্তৰিলাকে সুখ-দুখ অনুভৱ কৰে। তত্বজ্ঞ জ্ঞানীৰ চিত্তত সুখ-দুখৰ আভা পৰিলেও তাত দৃঢ় ৰূপে লাগি নাথাকে—যেনে পদ্মৰাগ মণি বা ইন্দ্ৰনীল মণিৰ বং স্ফটিকত প্ৰতিবিম্বিত হলেও স্ফটিকৰ স্বচ্ছন্দতা নষ্ট নহয়। কাপোৰত কুঙ্কুমৰ বং লাগি ধৰাৰ নিচিনা অজ্ঞলোকৰ বুদ্ধিয়ে দৃশ্যবস্তুৰ সমন্ধমাত্ৰে দৃঢৰূপে ৰঞ্জিত হয়।"

"সুখৰ কাৰণে জীৱৰ যি বিক্ষোভ সেয়ে বাসনা। বাসনাই বন্ধনৰ কাৰণ। বাসনাৰ অন্ত হলে জীৱৰ মুক্তি বা শান্তি। আত্মস্বভাৱৰপৰা উৎপন্ন এই বিশাল বিশ্ব

ইন্দ্ৰনীল মণি—মৰকত মণি, নীলকান্ত মণি।

কুঙ্কুম—কাশ্মীৰ দেশত হোৱা এবিধ হালধীয়া ফুলৰ কেশৰ

বাসনাৰে বান্ধ খাই স্থিতি লাভ কৰিছে। তত্ত্বজ্ঞানৰ পোহৰ পালেই বাসনাৰ লয় হয়। বাসনাৰ লয় হ'লে জগতৰ যি স্বৰূপ থাকে সেয়ে ব্ৰহ্মস্বৰূপ।

"বাসনা যুক্ত চিত্তই মন। বাসনাৰ তৰঙ্গ থাকে মানে মনত নানা প্ৰকাৰ তৰঙ্গ উঠে। বাসনা সাম্য হলে চিত্তও স্থিৰ জ্ঞানস্বৰূপে দেখা দিয়ে। নাৰদ মুনিও স্বয়ং জ্ঞানস্বৰূপ। বিষয় ৰঞ্জনে তেওঁৰ চিত্তক ৰঞ্জিত কৰিব নোৱাৰিছিল। মদনোদ্দীপক দৃশ্য দেখি দেহধৰ্ম্মগুণে সাময়িক ভাৱে বিচলিত হলেও তেওঁ তৎক্ষণাৎ নিজৰ বিশুদ্ধ বুদ্ধিৰ দ্বাৰা মনক সাম্যাৱস্থালৈ আনিব পা'ৰিছিল। জীৱন্মুক্ত বিলাকে এই ভাৱেই নিৰ্লিপ্তভাৱে সংসাৰত ব্যৱহাৰ কৰি থাকে।

—সপ্তম অধ্যায়—

চিন্তামণি-সাধক।

পৰস্পাৰে পৰস্পৰৰ কুশল-বাৰ্ত্তা আৰু পৰিচয় পোৱাৰ পিচত ঋষিকুমাৰ কুম্ভমুনিয়ে ৰজাক সুধিলে, — "হে সাধো! আপুনি এই অৰণ্যত কি কৰিছে? কিমান দিন এইদৰে বনবাসী হৈ থাকিবলৈ মন কৰিছে? বনবাসী হোৱাৰ উদ্দেশ্য বা কি? আপত্তি নাথাকিলে সকলো কথা মোৰ আগত ভাঙি কব পাৰে।"

তেতিয়া শিখিধ্বজে কলে,—"হে দেৱপুত্ৰ! আপোনাৰ অজানা একো নাই। তথাপি সুধিলে যেতিয়া কওঁ শুনক। সংসাৰত পুনৰ্জ্জন্মলৈ ভয় কৰিয়েই মই বনবাসী হৈছোঁ। সংসাৰত পুনঃ পুনঃ জন্ম গ্ৰহণ কৰি জন্ম, মৃত্যু, জৰা, শোক, তাপ আদি নানা ক্লেশ ভোগ কৰিব লাগে। সেই কাৰণে কোলাহল পূৰ্ণ ৰাজধানী পৰিত্যাগ কৰি নিৰ্জ্জন অৰণ্যলৈ আহি একান্ত মনে তপস্যা কৰিছোঁ। কিন্তু বহুদিন তপস্যা কৰিও মনত শান্তি লাভ কৰিব পৰা নাই।"

ঋষিকুমাৰ কুম্ভ,—“হে মহাৰাজ! আপুনি ভুল বুজিছে। কাৰণ ঘৰত বাস আৰু কুটীৰত বাস একে কথা। আগতে ৰাজ্যক মোৰ বুলিছিল এতিয়া অৰণ্যক মোৰ বুজিছে। আগেতে ৰাজ-বিলাসৰ উপযোগী নানা মনোৰম বস্তুৰ মাজত আছিল, এতিয়া মৃগচৰ্ম্ম, ফুল, মালাৰ মাজত আছে। যেতিয়ালৈকে ‘মোৰ’ ‘মোৰ’ এই জ্ঞান ত্যাগ কৰা নহয় তেতিয়ালৈকে প্ৰকৃত শান্তি লাভ কৰা অসম্ভৱ।

“হে বন্ধু! আপোনাৰ কথা শুনি পিতামহ ব্ৰহ্মাৰ উপদেশ এটি মোৰ মনত পৰিছে। মই এদিনাখন তেওঁক সুধিছিলোঁ। যে জ্ঞান আৰু তপস্যাদি ক্ৰিয়া—এই দুটিৰ ভিতৰত কোনটি মঙ্গলপ্ৰদ? তেতিয়া পিতামহ ব্ৰহ্মাই মোক কৈছিল যে, ক্ৰিয়াদিয়ে স্বৰ্গাদ ভোগ প্ৰদান কৰি চিত্তক বিনোদিত কৰে সঁচা, কিন্তু জৰা—মৰণাদিৰ হাতসাৰিবলৈ হলে জ্ঞানৰ আৱশ্যক। যিবিলাকে জ্ঞানদৃষ্টি লাভ কৰিবলৈ অসমৰ্থ তেওঁলোকৰ নিমিত্তেহে তপস্যাদিৰ ব্যৱস্থা। যাৰ পাটৰ কাপোৰ নাই তেওঁ কম্বল পৰিত্যাগ কৰা উচিত নহয়।

“অজ্ঞানীৰ বাসনাই সাৰ। সেই কাৰণে অজ্ঞানী-বিলাকে ক্ৰিয়াদিৰ ফল লাভ কৰি সুখ-দুখৰ অধীন হৈ

থাকে। বাসনাই সকলো দুখৰ মূল। বাসনা পৰিত্যাগ কৰিব পাৰিলেহে জৰা-মৰণাদি ভয়ৰ হাতসাৰিব পাৰি। বাসনাযুক্ত চিত্তই মন। বাসনা ৰহিত হলে মন বিজ্ঞান পদবাচ্য হয়। বাসনাশূন্য জ্ঞানেই ব্ৰহ্ম-পদ, — যাক লাভ কৰিব পাৰিলে সকলো প্ৰকাৰ অশান্তিৰ পৰা মুক্ত হব পাৰি।

"হে ৰাজন! আপুনি তপস্যাদি আচৰণ কৰি বৃথাই কষ্ট ভোগ কৰিছে। তাকে নকৰি যদি যিবিলাক তত্ত্বজ্ঞ-লোকে ব্ৰহ্মপদ লাভ কৰিছে তেওঁলোকৰ সঙ্গত থাকি আত্মচিন্তাত মননিয়োগ কৰিলেহেঁতেন তেন্তে আপুনি সকলো চিন্তাৰপৰা মুক্ত হব পাৰিলেহেঁতেন। সাধু সঙ্গৰপৰা বিচাৰ-যুক্তি লাভ কৰিব পাৰি। বিচাৰ -যুক্তি লাভ কৰিব পাৰিলে, "মই কোন?" "এই জগতৰ উৎপত্তি আৰু লয় কেনেকৈ হয়?"—এইবিলাক [illegible] সমাধান ক'ৰ আত্মাৰ জগত পৰিচয় হব পাৰি। আচল কথা এই যে আত্মাৰ স্বৰূপ-ভ্ৰান্তিৰ পৰাই এই দৃশ্যমান জগতৰ উৎপত্তি। ভ্ৰম আঁতৰাই স্বৰূপ-দৰ্শন কৰিব পাৰিলেই দুখৰ অন্ত হয়। আপুনি এই অৰণ্যত কন্থা, দণ্ড, কমণ্ডলুৰ ভাৱনা কৰি বৃথাই সময় নষ্ট কৰিছে মাথোন।"

কুম্ভমুনিৰ এইবিলাক তত্ত্বোপদেশপূৰ্ণ কথা শুনি ৰজাই আগ্ৰহেৰে সৈ'ত সুধিলে, — "হে দেৱদূত। আজিৰপৰা মোৰ সকলো পাপ আঁতৰি গল। আপুনি মোৰ চকু মুকলি কৰি দিলে। মই এতিয়া বুজিব পাৰিলোঁ যে, মূৰ্খতা বশতঃ হে মই সাধুসঙ্গ ত্যাগ কৰি বনবাস কৰিছোঁ। আজিৰপৰা আপুনি মোৰ পিতা, মিত্ৰ আৰু গুৰু হল। মই আপোনাৰ শিষ্য হলোঁ। সংসাৰৰ শোক-তাপৰপৰা নিবৃত্তি লাভ কৰিবৰ নিমিত্তে অনুগ্ৰহ কৰি মোক ব্ৰহ্মবিষয়ে উপদেশ দিয়ক।"

তেতিয়া কুম্ভই কলে, "হে মহাৰাজ! জ্ঞানেই হৈছে সৰ্ব্বোৎকৃষ্ট বস্তু। জ্ঞান লাভ কৰিব পাৰিলে আৰু পাবলৈ বা জানিবলৈ একো বাকী নাথাকে। সেই জ্ঞান লাভ কৰিবলৈ হলে বুদ্ধিৰ সম্যক বিকাশ হোৱা উচিত। যদি মোৰ কথাৰ প্ৰতি আপোনাৰ আস্থা আছে তেন্তে কেনেকৈ বুদ্ধিৰ বিকাশ [illegible] সেই বিষয়ে উপদেশ দিব পাৰোঁ। কিন্তু পুত্ৰই যি-দৰে কাৰণ বিচাৰ নকৰি পিতাকৰ আদেশ পালন কৰে আপুনিও সেইদৰে আস্থা স্থাপন কৰি মোৰ কথা শুনিব লাগিব। নহলে কাউৰীয়ে গছৰ মূৰাৰ আগত বক্তৃতা দিয়াৰ নিচিনা বৃথা শ্ৰম কৰি একো লাভ নাই।

শিখিধ্বজে কুম্ভৰ এই কথা শুনি কলে, "হে দেৱদূত! আপোনাৰ কথা মই বেদবাক্য বুলি ধৰি লৈছোঁ। অনুগ্ৰহ কৰি মোক উপদেশ দি মোৰ চিত্তৰ অস্থিৰতা নিবাৰণ কৰক।" ৰজাৰ এই কথাৰ উত্তৰত কুম্ভই কলে, "আপুনি ধৰি লব যে মই যি কম সি আপোনাৰ বিশেষ মঙ্গলৰ কাৰণে। যি উপদেশৰ-দ্বাৰা অজ্ঞানীয়েও সংসাৰ ভয়ৰপৰা মুক্ত হব পাৰে সেই উপদেশৰ দ্বাৰা আপোনাৰ নিচিনা শাস্ত্ৰজ্ঞ মানুহৰ যে চকু মুকলি নহব তাৰ একো কাৰণ নাই। যদি ঋষি-বাক্যৰ প্ৰতি আপোনাৰ বিশ্বাস থাকে তেন্তে বুদ্ধিৰ সম্যক বিকাশৰ নিমিত্তে প্ৰথমে এটি অপূৰ্ব্ব উপাখ্যান কওঁ, মনদি শুনক। —

এক সময়ত কোনো এখন দেশত এজন ৰত্ন সাধকে বাস কৰিছিল। তেওঁ কলাবিদ্যা, অস্ত্ৰবিদ্যা আদি বহু বিষয়ত বৰ পৈণত আছিল। তেওঁ ব্যৱহাৰ বিষয়ত বৰ বিচক্ষণ আছিল। তেওঁ এজন শাস্ত্ৰজ্ঞ পণ্ডিতো আছিল। কিন্তু তেওঁৰ আত্মদৃষ্টি নাছিল। তেওঁ বৰ অধ্যৱসায়ী আছিল। কোনো সঙ্কল্প মনত উদয় হোৱা মাত্ৰকে তেওঁ তৎপৰতাৰে সৈতে সেই কামত লাগি পৰিছিল। এদিন কোনো শাস্ত্ৰত দেখিলে যে 'চিন্তামণি' মহাৰত্ন লাভ

কৰিব পাৰিলে মানুহে যি ইচ্ছা তাকেই লাভ কৰিব পাৰে। তেতিয়া তৎক্ষণাৎ তেওঁ অধ্যৱসায় সহকাৰে "চিন্তামণি" সাধনা কৰিবলৈ আৰম্ভ কৰিলে। অধ্যৱসায়ীৰ অসাধ্য একো নাই। বুদ্ধিহীন মানুহেও অধ্যৱসায়ৰ গুণত কৃতকাৰ্য্য হব পাৰে। অটল তপস্যাৰ ফলত অতি অলপ সময়ৰ ভিতৰতে 'চিন্তামণি' আহি তেওঁৰ আগত দেখা দিলে। অতি দৰিদ্ৰ মানুহে হঠাৎ ৰাজ্য লাভ কৰিলে তাক বিশ্বাস কৰিব নোৱাৰে। এই ৰত্ন-সাধকৰ মনতো সন্দেহ হল যে তেওঁৰ নিচনা হতভাগাৰ পক্ষে ইমান কম সময়ৰ ভিতৰত এনেকুৱা মহামণি লাভ কৰা সম্ভৱ হব নোৱাৰে। অৱজ্ঞা কৰি তেওঁ সেই মহাৰত্নক স্পৰ্শও নকৰিলে। সন্দেহৰ বশবৰ্ত্তী হৈ নানা তৰ্ক-বিতৰ্ক কৰি থাকোঁতে "চিন্তামণি" অন্তৰ্দ্ধান হ'ল।

অৱজ্ঞাকাৰীক সিদ্ধিয়ে পৰিত্যাগ কৰে। সিদ্ধি যাবৰ বেলিকা এই দৰে মানুহৰ বুদ্ধিহত কৰিয়েই যায় আৰু আহিবৰ বেলিকাও বুদ্ধিৰ জৰীয়তেই আহে। তেতিয়া ৰত্নসাধকে আকৌ তপস্যা আৰম্ভ কৰিলে। অধ্যৱসায়ী মানুহে নিজৰ কাৰ্য্যত ক্লেশ অনুভৱ নকৰে — কাৰ্য্য সিদ্ধি নহয় মানে পুনঃ পুনঃ চেষ্টা কৰি থাকে। সেই

ব্ৰাহ্মণে চকু মুদি 'চিন্তামণিৰ' সাধনাত মগ্ন হৈ পৰিল। এনেতে কোনো দুষ্ট বুদ্ধিৰ লৰাই ধেমালি কৰি অতৰ্কিত ভাবে এটুকুৰা কাঁচ আনি সেই বস্তু-সাধকৰ হাতত দি গল। তজ্জ মানুহে মোহ বশতঃ মাটিকো সোণ বুলি জ্ঞান কৰে। মোহৰ মহিমা এনেকুৱা যে মোহ উপস্থিত হলে মানুহে আঠক ছয়, মিত্ৰক শত্ৰু, সাপক জৰী আৰু গৰলক অমৃত বুলি ভাবে। কাঁচ-মণি পাই ব্ৰাহ্মণৰ মনত বৰ আনন্দ। তেওঁ ভাবিলে যে ভগা-ছিগা পুৰাতন গৃহাদি ৰাখি একো লাভ নাই; কিয়নো মণিৰ সহায়ত তেওঁ ৰাজ্য ধন যি ইচ্ছা তাকে লাভ কৰিব পাৰিব। এনেকুৱা কল্পনাৰ বশবৰ্ত্তী হৈ তেওঁ নিজৰ ঘৰ-মাটি আৰু বন্ধুবৰ্গক পৰিত্যাগ কৰি জনশূন্য এখন হাবিলৈ গল। তাতে গৈ তেওঁ সেই কাঁচ-মণি টুকুৰা জোকাবিব ধৰিলে। বহুবাৰ জোকাবিলে, কিন্তু এটি বস্তুও সৰি নপৰিল। যেতিয়া বুজিব পাৰিলে যে তেওঁ যি পাইছে সি চিন্তামণি নহয়— কাঁচ-মণিহে; তেতিয়া তেওঁ সৰ্ব্বস্বহীন হৈ মনৰ দুখত কাল কটাব ধৰিলে। মূৰ্খতা দোষৰপৰা যি কষ্ট হয় জৰা-মৰণাদিৰ পৰাও সিমান কষ্ট নহয়।"

তেতিয়া শিখিধ্বজে কলে, "হে দেৱতনয়! আপুনি

মণি সাধকৰ উপাখ্যান উপলক্ষ্য কৰি মোৰ জ্ঞান লাভৰ নিমিত্তে যি কথাৰ সূচনা কৰিছে সেই বিষয়ে সবিশেষ বুজাই দিয়ক।”

ইয়াৰ উত্তৰত ঋষি কুমাৰ কুম্ভই কলে,—“হে মহাৰাজ! এই উপাখ্যানৰ দ্বাৰা আপোনাৰ চিত্ত-ভূমিত যি চিত্ৰ অঙ্কিত কৰিব খুজিছোঁ তাৰ তাৎপৰ্য্য এই—এই যে শাস্ত্ৰাৰ্থজ্ঞাত পণ্ডিত কিন্তু তত্ত্বজ্ঞানৰ পৰা বঞ্চিত ব্ৰাহ্মণৰ কথা কৈছোঁ,— আপুনিয়েই সেই ৰত্ন-সাধক। আপুনিও এজন শাস্ত্ৰজ্ঞ পুৰুষ আছিল, কিন্তু আপুনি তত্ত্ব-জ্ঞান লাভ কৰিব পৰা নাছিল। আপুনি যেতিয়া স্ত্ৰী, পুত্ৰ, বন্ধু-বান্ধৱৰ সৈতে ৰাজ্য পৰিত্যাগ কৰিছিল তেতিয়া সৰ্ব্বত্যাগৰূপ চিন্তামণি আপোনাৰ কৰতলগত হৈছিল। কিন্তু আপুনি যত্ন পূৰ্ব্বক তাক আদৰ কৰি ৰাখিব নোৱাৰিলে। সেই কাৰণে সৰ্ব্বত্যাগৰূপ চিন্তামণিয়ে আপোনাক পৰিত্যাগ কৰি গুচি গল। আপুনি মোহ-বশতঃ আকৌ কাঁচ মণিৰ নিচিনা তপস্যাৰ অনুৰাগী হৈ পৰিল। সৰ্ব্বত্যাগৰূপ চিন্তামণি লাভ কৰিব পাৰিলে মানুহৰ সকলো প্ৰকাৰ দুখ-চিন্তাৰ অন্ত হয়। আপুনিও সেই ৰত্ন-সাধকৰ দৰে তপস্যাৰূপ কাঁচ-মণি লৈ এই অৰণ্যত নতুন এখন ৰাজ্য পাতিছে। আপুনি এতিয়াও

'অহং-অভিমান' ত্যাগ কৰিব পৰা নাই আৰু সেই কাৰণে তত্ত্বজ্ঞান লাভ জনিত বিমলা শান্তি লাভ কৰিব পৰা নাই। শাস্ত্ৰই অহং-অভিমানকে মন বুলি কয়। চিন্তাই মনৰ স্বৰূপ। চিত্ত, চিন্তা, সঙ্কল্প একাৰ্থতে ব্যৱহাৰ হয়। চিত্তই জন্ম, মৃত্যু আৰু জগতৰ উৎপত্তিৰ কাৰণ। অহং-বীজ বৰ্ত্তমান থাকিলে সি যি কোনো প্ৰকাৰে গজি উঠিবই। অহংজ্ঞান থাকে মানে চিত্তত্যাগ বা সৰ্ব্বত্যাগ সিদ্ধ হব নোৱাৰে। অকৃত্ৰিম সৰ্ব্বত্যাগেহে চিন্তামণিৰ নিচিনা সকলো চিন্তাৰ অন্ত কৰিব পাৰে। নানা চিন্তাৰ পৰা মুক্ত হৈ ব্ৰহ্মানন্দ লাভ কৰিব খুজিলে সকলো অনৰ্থৰ মূল অহং-বীজক বিনাশ কৰা উচিত। অহংবীজ নাশ কৰিবলৈ উপায় হৈছে তত্ত্বজ্ঞান লাভ।"

ৰজাই নিস্তব্ধ হৈ একান্ত মনে কুম্ভ মুনিৰ এই অৰ্থপূৰ্ণ কথা বিলাক শুনি আছে—কোনো মাত-বোল নাই। তেতিয়া ব্ৰহ্মচাৰী বেশধাৰী চূড়ালাই লাহেকৈ মাত লগাই কলে, "হে মহাৰাজ! মই অনুমান কৰোঁ মোৰ কথা শুনি আপোনাৰ আমনি লগা নাই। বাৰু! আপোনাৰ বুদ্ধি পৰিমাৰ্জ্জিত কৰিবলৈ আকৌ এটি ৰমনীয় উপাখ্যান কওঁ, মন দি শুনক।"

—অষ্টম অধ্যায়—

গজোপাখ্যান।

এসময়ত বিন্ধ্যগিৰিৰ অৰণ্যত এটি যূথপতি হাতীয়ে বাস কৰিছিল। সেই প্ৰকাণ্ড হাতীটোৰ দুটি শুভ্ৰ দাঁত আছিল। সি সদায় মাউতৰ লোৰ শিকলিৰে বন্ধা থাকে। মাউতৰ অঙ্কুশৰ তাড়নাত হাতীটোৱে বৰ যন্ত্ৰণা ভোগ কৰিছিল। সেই গজৰাজে মুক্ত হবলৈ সদায় ব্যস্ত আছিল; কিন্তু মাউতৰ সতৰ্ক দৃষ্টিৰ নিমিত্তে সি নিৰুপায় হৈ অ'ত কষ্টেৰে কাল কটাইছিল। এসময়ত কোনো বিশেষ কাৰ্য্যোপলক্ষে সেই হাতীৰখীয়াজন আন ঠাইলৈ যাবলগীয়াত পৰিল। সেই সুযোগতে সেই বন্ধনক্লিষ্ট মাতঙ্গে তাৰ সুদৃঢ় দাঁত দুটিৰ সহায়েৰে লোৰ শিকলি ছিঙি পেলাই হাবিৰ পিনে যাবলৈ ধৰিলে। ইতিমধ্যে হাতীৰখীয়াজনে আহি দূৰৈৰপৰা দেখিলে যে হাতীটোৱে শিকলি ছিঙি পলাই যাবলৈ ধৰিছে। তেতিয়া মাউত জনে লৰালৰিকৈ আগবাঢ়ি হাতী যোৱা বাটৰ দাঁতিত থকা এডাল তাল গছৰ ওপৰত উঠি হাতীটোলৈ অপেক্ষা কৰি থাকিল। হাতী-

টোৰে সেই তাল গছৰতল পোৱা মাত্ৰে মাউতজনে হাতীটোৰ মূৰলৈ বুলি লক্ষ্য কৰি জাপ দিলে। ভৰি পিছলি যোৱাত সেই হস্তীপকে হাতীটোৰ মূৰত ঠিৰ নোৱাৰি তাৰ ভৰিৰ ওচৰত পৰি মূৰ্চ্ছা গৈ থাকিল। তিৰ্য্যক জাতি হলেও, মাউতৰ প্ৰতি হাতীটোৰ দয়াৰ সঞ্চাৰ হল। সুচল পাইও সেই গজেন্দ্ৰই হাতীৰখীয়া-জনক গচকি নামাৰি পৰি থকা অৱস্থাতে এৰি হাবিৰ পিনে গুচি গল।

হাতীটো গুচি যোৱাৰ কিছু সময়ৰ পিচত মাউত জনে চেতনা লাভ কৰিলে। ধনাঢ্য মানুহে ধন হেৰুৱালে যেনেকৈ অতি দুঃখিত হয়, হাতীটোক যোৱা দেখি মাউত জনেও বৰ মনোকষ্ট পালে। নিজৰ শৰীৰৰ ব্যথাৰ প্ৰতি মন নকৰি গজশত্ৰু মাউতে আকৌ হাতীটোক বিচাৰি যাবলৈ ধৰিলে। অসাধুবিলাকৰ কুকৰ্ম্মতে বল বৃদ্ধি হয়। কিছুমান দিন বিচৰাৰ পিচত সেই অকৃতজ্ঞ মাউতে নীৰিড় অৰণ্যৰ ভিতৰত হাতী-টোক দেখা পালে। তেতিয়া আন আন হাতীধৰা ফান্দীৰ সহায় লৈ সেই মাউত জনে হাতীটোক আকৌ ধৰিবৰ নিমিত্তে আয়োজন কৰিলে। গজ-বন্ধনৰ উপযোগী সঁজুলি গোটাই সেই হাবিখনৰ চাৰিও ফালে দকৈ খাল

খান্দি এটি গড় বান্ধিলে। খালটো যাতে চকুত নপৰে তাৰ বাবে কেঁচা লতা-পাতেৰে খালটো ঢাকি পেলালে। হাবিৰ মাজত মুকলি মনেৰে ঘাঁহ খাই ফুৰি থাকোঁতে এদিন সেই হাতীটো খালত পৰি লৰচৰ কৰিব নোৱাৰা হ'ল। তেতিয়া মাউত জনে হাতী বন্ধা ডাঙৰ শিকলি আনি হাতীটোক আকৌ দৃঢ়ৰূপে বান্ধি পেলালে। পাতাল-পুৰীত বলিৰাজৰ বন্ধনৰ নিচিনা সেই গজেন্দ্ৰই বন্ধনদশাত অতি কষ্টেৰে কাল কটাব লগীয়াত পৰিল। যদি সেই হাতীটোৱে তাৰ মহাশত্ৰু মাউতক ভৰিৰ ওপৰত পৰি থকা সময়তে ভৰিৰে গচকি মাৰি পেলালেহেঁতেন তেন্তে সি আৰু এইদৰে খালত পৰিব লগীয়াত নপৰিলহেঁতেন। যি মানুহে বৰ্ত্তমান সুযোগত ভৱিষ্যতৰ প্ৰতিকাৰ নকৰে সি এই গজমূৰ্খৰ নিচিনা দুখভোগ কৰিব লগীয়াত পৰে।

এই মনোৰম গজোপাখ্যান শুনি ৰজাই কলে, "হে দেৱদূত! আপুনি যি গজোপাখ্যান বৰ্ণনা কৰিছে সি অতি ৰমণীয়। কিন্তু ইযাৰ দ্বাৰা তত্ত্বজ্ঞান লাভৰ কাৰণে কি সূচনা কৰিছে অনুগ্ৰহ কৰি মোক বুজাই কওক।" তেতিয়া কুম্ভৰূপী চূড়ালাই কলে, "হে মহাৰাজ! এই যে বিন্ধ্যাৰণ্যৰ হাতীৰ কথা কোৱা হৈছে, আপুনিয়েই এই সংসাৰ-অৰণ্যৰ মাজত সেই গজৰাজ। মোহ বা

অজ্ঞান আপোনাৰ মাউত। আশা-পাশা আপোনাৰ বন্ধনৰ শিকলি। বিবেক আৰু বৈৰাগ্য আপোনাৰ দুটি শুভ্ৰ দাঁত। দুৰ্ঘোৰ সংসাৰ-অৰণ্যৰ ভিতৰত আপুনি আশাপাশেৰে আবদ্ধ হৈ নানা প্ৰকাৰ দুখ ভোগ কৰিছিল। এই আশা-পাশ লোৰ শিকলিতকৈয়ো বিষম কঠিন। লোৰ শিকলি বহুদিন ব্যৱহাৰ কৰিলে ক্ষয় প্ৰাপ্ত হয় কিন্তু আশা ক্ৰমে বৰ্দ্ধিত হৈ মানুহক দৃঢ়ৰূপে বন্ধন কৰে। লোৰ শিকলিবো অনায়াসে ছিঙিব পাৰি। কিন্তু মনৰ ভোগ-তৃষ্ণা ছিন্ন কৰা বৰ কঠিন।

অজ্ঞানৰূপ মাউতে আশা-পাশেৰে দৃঢ়ৰূপে বন্ধন কৰি আপোনাক সংসাৰ-অৰণ্যৰ মাজত নানা প্ৰকাৰ ক্লেশ প্ৰদান কৰিছিল। আপুনি সেই যাতনা সহ্য কৰিব নোৱাৰি নিজৰ বিবেক আৰু বৈৰাগ্যৰ বলেৰে ক্ষণেকৰ নিমিত্তে আশাৰ বন্ধন ছেদন কৰি ৰাজ্যত্যাগ কৰিছিল যেতিয়া অজ্ঞানে অলপ সময়ৰ নিমিত্তে মূৰৰ ওপৰৰ পৰা পৰি গৈ মুছ-কঁছ গৈ আছিল—একেবাৰে বিনাশ হোৱা নাছিল। যেতিয়া তত্ত্বজ্ঞানৰূপ শাণিত অস্ত্ৰেৰে আপুনি মোহক একেবাৰে বিনাশ কৰিব পৰা নাছিল। সেই কাৰণে তন্দ্ৰাৱৰপৰা সাৰ পাই অজ্ঞানে আকৌ আপোনাক পৰাভূত কৰি পেলালে। সি পুনৰায় আপোনাক দুখময় তপস্যাৰূপ খালত পেলাই দিলে।

শম, দম, প্ৰভৃতি সজ্জন বৃত্তি বিলাকেই লতাপাতাৰ নিচিনা তপস্যা-ৰূপ খালক আৱৰি ৰাখিছে। সেই কাৰণে তপস্যাৰ স্বৰূপ বুজিব নোৱাৰি আপুনি খালত নিপতিত হৈছে। এতিয়াও আপুনি তপস্যাৰূপ খালতে আৱদ্ধ হৈ আছে। এই গল্পোপাখ্যানৰ দ্বাৰা আপোনাৰ নিজৰ অৱস্থাকে বৰ্ণনা কৰা হৈছে।

সৰ্ব্বত্যাগ অতি উপাদেয় বস্তু। সৰ্ব্বত্যাগ কৰিব পাৰিলে মানুহৰ আৰু কোনো অভাৱ বা দুখ নাথাকে। জপ, তপ, আসন প্ৰভৃতিয়ে প্ৰকৃত শান্তি দিব নোৱাৰে। দাৰা গৃহ, ধন, ৰাজ্য ত্যাগ কৰিলেও সৰ্ব্বত্যাগ নহয়। আপোনাৰ সেই পূৰ্ণানন্দময় সৰ্ব্বত্যাগ হোৱা নাই। সেই কাৰণে ৰাজ্যত্যাগ কৰি তাক তপস্যা আদি কৰিও আপুনি মনত শান্তি পোৱা নাই। প্ৰকৃত পক্ষে তত্ত্ব-জ্ঞানেহে সকলোৰে মূল। তত্ত্বজ্ঞান নহলে সৰ্ব্বত্যাগো অসম্ভৱ আৰু শান্তিও পোৱা নাযায়।

—×—

—নৱম অধ্যায়—

সৰ্ব্বত্যাগ।

এই অতীৱ মনোহৰ তত্ত্বজ্ঞানপূৰ্ণ চিন্তামণি সাধন আৰু গল্পোপাখ্যান শুনি ৰজা শিখিধ্বজে কুম্ভৰূপী চূড়ালাক সুধিলে, "হে তত্ত্বজ্ঞ দেৱতনয়! মই ৰাজ্য, গৃহ, দাৰা, সুত সকলোকে ত্যাগ কৰিছোঁ; তথাপি আপুনি কয় যে মোৰ সৰ্ব্বত্যাগ হোৱা নাই। তেনেহলে আপোনাৰ মতে সৰ্ব্বত্যাগ কি?" ইয়াৰ উত্তৰত কুম্ভই কলে, "দাৰা, গৃহ, বিত্ত ৰাজ্য এইবিলাক আপোনাৰ নহয়। আগতে এইবিলাক বস্তু আন কাৰোবাৰ আছিল। ইয়াৰ পিচত এইবিলাক আৰো আন কাৰোবাৰ হব। যি আপোনাৰ নহয়, তাক ত্যাগ কৰাৰ কোনো অৰ্থ নাই। আপুনি যিবিলাকক পৰিত্যাগ কৰা বুলি ভাবিছে আপুনিও সেইবিলাকৰ দ্বাৰা পৰিত্যক্ত হৈছে। যেতিয়ালৈকে 'মোৰ' 'মোৰ' এই অভিমান ত্যাগ নহয়, তেতিয়ালৈকে সৰ্ব্বত্যাগ হব নোৱাৰে। আগতে আপুনি ৰাজসিংহাসন সমন্বিতে ৰাজ্য, ধন, বন্ধু, বান্ধৱক মোৰ বুলিছিল; এতিয়া পশু পক্ষী সমন্বিতে এই আশ্ৰমক

মোৰ বুদ্ধিতে। আগতে ৰজা হৈ ৰাজ্যত এক সংসাৰ পাতিছিল ; এতিয়া তপস্বীৰূপে তপোবনত আন এক সংসাৰ পাতিছে। গতিকে আপোনাৰ সৰ্ব্বত্যাগ কেনেকৈ হ'ল ?

ব্ৰহ্মচাৰীৰ এনেকুৱা যুক্তিপূৰ্ণ কথা শুনি ৰজা শিখিধ্বজে প্ৰথমে গছ, লতা, নদী, পৰ্ব্বত, পশু, পক্ষী সমন্বিতে সমুদায় কাননৰ প্ৰতি মমতা ত্যাগ কৰিলে। তাৰ পিচত নিজৰ ব্যৱহাৰ্য্য দ্ৰব্যবিলাক যেনে,—কন্থা, কম্বল, ভোজন-পাত্ৰ, ভাণ্ড আদি আৰু তপস্যাৰ উপকৰণ যেনে,—কমণ্ডলু, অক্ষমালা, মৃগচৰ্ম্ম ইত্যাদি সকলোকে একেলগ কৰি নিৰুদ্বিগ্ন চিত্তে হাতে জুই লগাই দিলে। তাৰ পিচত শুকান পাতৰ পঁজা ঘৰটোও টানি আনি জুইত জাপি দিলে। অৱশেষত নিজৰ খাদ্যদ্ৰব্য আৰু পৰিধানৰ বসন, ভূষণ যি আছিল সকলোকে আনি সন্তুষ্ট মনে জুইত জাপি দিলে। ৰজাৰ এইবিলাক কাৰ্য্য দেখি কুম্ভৰূপী চূড়ালাই মনে মনে হাঁহি চাই আছে। ভীষণ জুই দাওঁ দাওঁ কৰি জ্বলি উঠিল। সেই তপোবনত জন-প্ৰাণী এটিও নোহোৱা হল। ভীষণ অনলে ৰজাৰ সকলো বস্তু-বস্তুকে পুৰি ছাই কৰি পেলালে। তেতিয়া ৰজাই নগ্নশৰীৰে থিয় হৈ সন্তুষ্ট মনে কৰলৈ ধৰিলে,—"হে দেৱতাসকল! মই মোৰ সকলো

বস্তুৰ প্ৰতিয়েই মমতা ত্যাগ কৰিলোঁ। এতিয়া আৰু 'মোৰ' বুলিবলৈ একোৱেই নাই। গতিকে মই সৰ্ব্ব-ত্যাগী হলোঁ। আপোনাৰ অনুগ্ৰহত বুজিব পাৰিলোঁ যে এইবিলাক সঙ্কলিত বস্তুমাত্ৰে অসাৰ।"

ৰজা শিখিধ্বজৰ এনেকুৱা প্ৰগল্‌ভতাপূৰ্ণ কথা শুনি কুম্ভ মুনিয়ে লাহেকৈ মাত লগাই কলে,—"হে মহা-ৰাজ! আপুনি যি কৰিছে সি সৰ্ব্বত্যাগৰ অভিনয়হে। প্ৰকৃত পক্ষে এতিয়াও আপোনাৰ সৰ্ব্বত্যাগ হোৱা নাই। যি সৰ্ব্বত্যাগৰপৰা পৰমানন্দ লাভ হয় সি এতিয়াও বহুত দূৰৈত। আপোনাৰ বাসনা এতিয়াও অপৰিত্যক্ত আছে। যেতিয়ালৈকে বাসনা আছে তেতিয়ালৈকে সৰ্ব্বত্যাগ হব নোৱাৰে।

কুম্ভৰ এনেকুৱ নিৰাশব্যঞ্জক কথা শুনি ৰজাই অলপ সময় মনতে চিন্তা কৰি দেখিলে যে এই বিলাক পৰিত্যাগ কৰাৰ পিচত বাকী আছে কেৱল শৰীৰ। ইন্দ্ৰিয়বিলাকৰ বাসস্থান, তেজ,-মঙহৰ এই পঁচা শৰীৰ ৰাখি বা কি লাভ আছে? গতিকে ইয়াকো পৰিত্যাগ কৰা যাওক। শৰীৰ অন্ত হলে বাসনাৰো অন্ত পৰিব। এইদৰে নিশ্চয় কৰি ৰজাই ওচৰতে থকা এটি সুগভীৰ গাঁতত জাপ দি পৰি দেহত্যাগ কৰিবলৈ উদ্যত হ'ল। তাকে দেখি কুম্ভই বাধা দি কবলৈ ধৰিলে, "হে মহাৰাজ!

নিৰাপৰাধী দেহক বিনাশ কৰি আপোনাৰ একো লাভ নহব। অজ্ঞান বলধেহে কুপিত হৈ নিজৰ সন্তানক বধ কৰে। এই দেহ মূক আৰু জড় স্বৰূপ। বতাহৰ দ্বাৰা বিতাৰিত হৈ পানীৰ ওপৰত ওপঙি ফুৰা কাঠৰ দৰে এই দেহ আনৰ দ্বাৰা চালিত হৈ থাকে। দেহত্যাগ হলেও আপোনাৰ সৰ্ব্বত্যাগ নহয়। দেহত্যাগ হলেও দেহৰ উৎপীড়নকাৰী থাকি যাব। এই দেহৰ চালক থাকে মানে ই বাৰ বাৰ জন্ম দি দেহক এইদৰে নিগ্ৰহ কৰি থাকিবই। সেই কাৰণে এই দেহৰ নিগ্ৰহকাৰী সেই মহা পাপীক ত্যাগ কৰাহে উচিত। তাকে কৰিব পাৰিলে হে আপোনাৰ সৰ্ব্বত্যাগৰূপ সিদ্ধি লাভ হব আৰু তেতিয়াহে আপোনাৰ সকলো প্ৰকাৰ অশান্তিৰ অন্ত পৰিব। দেহত্যাগ, ৰাজ্যত্যাগ, কুটিৰ দাহন প্ৰভৃতিৰ দ্বাৰা সৰ্ব্বত্যাগ নহয়। যাৰপৰা এইবিলাক সমুদায় বস্তু উৎপন্ন হৈছে আৰু যি সৰ্ব্ব-স্বৰূপ তাক ত্যাগ কৰিব পাৰিলেহে ব্ৰহ্মানন্দময় সৰ্ব্ব-ত্যাগ সিদ্ধি হব।

কুম্ভ মুনিৰ মুখৰপৰা এনেকুৱা তত্ত্ব কথা শুনি ৰজা আত্মহত্যাৰ পৰা বিৰত হ'ল আৰু অতি কাতৰ ভাৱে মুনিক সুধিলে,—"হে সুন্দৰ! এই দেহৰ বীজ কি? এই দেহৰ চালক বা কোন? আৰু সেই

সৰ্ব্বময় সৰ্ব্বগত অথচ নিশান্ত :হয় সৰ্ব্ব ।স্তু:য়েই ব কি ? অনুগ্ৰহ কৰি চিনাই দিলে এতিয়াই মই তাকো পৰিত্যাগ কৰিম। নানা প্ৰকাৰ চিন্তাৰ অধীন হৈ মই বৰ অশান্তি পাইছোঁ।"

ৰজাৰ অনুনয় বিনয় শুনি কুম্ভমুনিয়ে কবলৈ ধৰিলে, "হে মহাৰাজ চিত্তকে মই সৰ্ব্বময় বস্তু বুলিছোঁ। চিত্তই শৰীৰৰ বীজ, দেহৰ চালক আৰু সকলো প্ৰকাৰ চিন্তাৰ কাৰণ। অকণমান বীজেই যিদৰে সুবৃহৎ বৃক্ষত পৰিণত হয় সেইদৰে চিত্ত-বীজেই জগতাৰ ধাৰণ কৰিছে। এই চিত্ত সুদৃঢ় পেটৰাৰ নিচিনা। ইয়াৰ ভিতৰত নাই এনেকুৱা কোনো বস্তুকে দেখিবলৈ পোৱা নাযায়। আচল কথা কবলৈ হলে চিত্তই মনুষ্য, চিত্তই জগজ্জাল আৰু চিত্তই সকলো। বিভিন্ন কাৰ্য্যোপলক্ষে চিত্তকে মন, বুদ্ধি, অহঙ্কাৰ, প্ৰাণ আদি নানা নামেৰে অভিহিত কৰা হৈ থাকে। চিত্ত আৰু জগতৰ ভিতৰত অবিভাজ্য সম্বন্ধ। এই সৰ্ব্বময় চিত্তক পৰিত্যাগ কৰিব পাৰিলেহে চিন্তামণি স্বৰূপ সৰ্ব্বত্যাগ সিদ্ধি হব। জ্ঞানীসকলে চিত্তকে একমাত্ৰ ত্যাজ্য বস্তু বুলি নিৰ্ণয় কৰিছে। হে মহীপাল! আপুনি বিষয়ত্যাগৰ অভিনয় পৰিহাৰ কৰি প্ৰথমে বিচাৰ পূৰ্ব্বক চিত্তৰ স্বৰূপ অৱগত হওক। তাৰ পিচত তাক পৰিত্যাগ কৰি বিজ্ঞানময় হৈ

অবস্থান করোক। চিত্তক ত্যাগ কৰিলে যি বাকী থাকিব সেয়ে চিৎ। প্রকাৰান্তৰে, স্পন্দযুক্তা চিৎয়েই চিত্ত বা জগৎ। স্পন্দন ৰহিত হলেই চিত বা জগৎ চিন্ময় ব্রহ্ম বা আত্মাত পৰিণত হয়। এই অৱস্থাই হৈছে ব্রহ্মানন্দ বা চিদানন্দৰ অৱস্থা—যাক লাভ কৰিব পাৰিলে অশান্তিৰ সমূলি বিনাশ হয়।”

— দশম অধ্যায় —

চিত্ত-ত্যাগ

ব্ৰহ্মচাৰীৰ মুখৰপৰা চিত্ত-ত্যাগৰ মহিমাৰ কথা শুনি ৰজা শিখিধ্বজে অলপ সময় ভাবনা কৰি তাৰ পিচত কলৈলে ধৰিলে, "হে পৰিব্ৰাত্মন্! মই চিন্তা কৰি বুজিছোঁ যে, চিত্ত-ত্যাগ অত্যন্ত কঠিন! এই চিত্ত অত্যন্ত চঞ্চল— মৰ্কটৰ দৰে ই সদায় ডাল-বগাই ফুৰে। ই এক তিলো স্থিৰ হৈ থাকিব নোৱাৰে। মায়াবী যক্ষৰ নিচিনা চিত্তক দেখাও নাযায়, অথচ নাই বুলিও কব নোৱাৰি। এপিনে খেদি দিলে অইন পিনেদি আহি ওলায়; ই অতৰ্কিত ভাৱে হৃদয় কোটৰত নৃত্য কৰি থাকে। এই দুৰ্দ্দান্ত চিত্তৰ তাড়নাত মই বৰ কাতৰ হৈ পৰিছোঁ। ইয়াৰ উপদ্ৰৱত মোৰ মুহূৰ্ত্তমাত্ৰও জিৰণি নাই। টোপনিতো ই মোক সদায় সপোন ৰাজ্যত খেদি লৈ ফুৰে। কোনো ভোগৰ বস্তু দিও ইয়াক সন্তুষ্ট কৰিব পৰা নাযায়। যিমানে ভোগৰ বস্তু দিয়া যায় সিমানে তাৰ বিক্ৰম বৃদ্ধিহে হয়। কি উপায়ে এই দুৰ্বৃত্ত চিত্তক পৰিত্যাগ কৰিব পৰা যায় অনুগ্ৰহ কৰি তাৰ উপায় কৰি দিয়ক।

সন্ধান পালেই মই ইয়াক এতিয়াই পৰিত্যাগ কৰিম ; নহলে ইয়াৰ উপদ্ৰৱত মই শান্তিৰপৰা চিৰ-বঞ্চিত হৈছোঁ।

ৰজাৰ কাতৰতা দেখি কুম্ভ মুনিয়ে কলে,—"হে মহীপাল ! যি বিচাৰশীল নহয় এনেকুৱা মূৰ্খৰ পক্ষে চিত্তত্যাগ অত্যন্ত দুৰূহ কাম। যেয়ে চিত্তৰ স্বৰূপ নাজনে সি কেতিয়াও চিত্তত্যাগ কৰিবলৈ সমৰ্থ নহয়। কিন্তু যেয়ে চিত্তৰ স্বৰূপ অৱগত আছে তেনেকুৱা জ্ঞানীৰ পক্ষে চিত্তত্যাগ অতি উজু কথা। সেই কাৰণে প্ৰথমে চিত্তৰ স্বৰূপ জানিবলৈ চেষ্টাৱান হওক।

"হে মহাবাহু ! চিন্তা, চিত্ত, মন আৰু সঙ্কল্প একে ৰকমৰ অৰ্থযুক্ত শব্দ। ইচ্ছা বা বাসনাই চিত্তৰ স্বৰূপ। ভাৱনাতে ইয়াৰ উৎপত্তি আৰু বৃদ্ধ। বাসনা বা ভাৱনা ত্যাগ কৰিব পাৰিলেই চিত্তক ত্যাগ কৰা হয়। কিন্তু ই ভিতৰে বাহিৰে সৰ্ব্বত্ৰ সূক্ষ্মভাৱে ব্যাপ্ত হৈ আছে। গতিকে এনেকুৱা ঠাই নাই যি ইয়াৰ প্ৰভাৱৰ বাহিৰ। ৰেণু মাত্ৰ চিত্তৰপৰা কোটি কোটি জগৎ উৎপন্ন হব পাৰে। গতিকে ইয়াৰ মূল নিৰ্ণয় কৰি যি বীজৰপৰা এই চিত্তবৃক্ষৰ উৎপত্তি হৈছে—সেই বীজক নষ্ট কৰিবলৈ যত্ন কৰা উচিত। বীজ নষ্ট কৰিব পাৰিলে চিত্ত আপোনাআপুনি লয়প্ৰাপ্ত হব।

"আপুনি বহুত ভোগ ভুঞ্জিছে আৰু বহুত ভোগ ত্যাগো কৰিছে। তথাপি যে আপোনাৰ শান্তি লাভ হোৱা নাই তাৰ কাৰণ এই যে আপুনি অশান্তিৰ মূল কাৰণ কি এতিয়ালৈকে তাৰ সন্ধেদ পোৱা নাই। চিত্ত কোনো নিৰ্দ্দিষ্ট ঠাইত আবদ্ধ হৈ থকা নাই। নিৰ্জ্জন অৰণ্যতো চিত্তৰ অভাৱ নাই। ৰাজ্যত্যাগ বা গৃহত্যাগ কৰিলেই শান্তি লাভ কৰিব নোৱাৰি। চিত্ত-ত্যাগেই শান্তি লাভৰ একমাত্ৰ উপায়। আমালোকৰ হৃদয়ত 'মই' 'মই' বুলি যি এটি অহং জ্ঞান আছে সেয়েই চিত্তবৃক্ষৰ বীজ। সেই 'অহং' বা 'মই' কি তাক বিচাৰৰ দ্বাৰা নিৰ্ণয় কৰি তাৰ পিচত তাক দগ্ধ কৰা উচিত। এই অহং জ্ঞানক ধ্বংস কৰিব পাৰিলে চিত্ত-বৃক্ষৰ অস্তিত্বই বিচাৰি পোৱা নাযাব।

"চিন্ময় আত্মাৰ স্পন্দনৰ পৰাই অহংজ্ঞানৰ উৎপত্তি। এই অহং জ্ঞানেই অজ্ঞান, মায়া, অবিদ্যা আৰু ভ্ৰান্তি নামে অভিহিত। এই অহং জ্ঞানেই চিত্তবৃক্ষৰ বীজ। ইন্দ্ৰিয়বিলাক এই চিত্তবৃক্ষৰ ঠাল-ঠেঙুলি। তাৰ আৰু অভাৱৰ পৰা উৎপন্ন শুভ আৰু অশুভ ভোগ বিলাকেই ইয়াৰ ফল।

"পৰমাত্মাৰ মায়া ক্ষেত্ৰত 'অহং মই' বুলি এটি অনুভূতিৰ উদয় হয়। এই অনুভূতি ক্ৰমে দৃঢ় হৈ

বুদ্ধিত পৰিণত হয়। এই নিশ্চয়াত্মিকা বুদ্ধিত সঙ্কল্পৰ উদয় হলে তাক চিত্ত বা মন ৰূপে অভিহিত কৰা হয়। এই চিত্তই ক্ৰমে জীৱভাৱ ধাৰণ কৰি নানা অভাৱ অনুভৱ কৰে। এই অভাৱ নিবাৰণৰ নিমিত্তে জীৱে নিজতে সূক্ষ্ম ভাৱে নিহিত শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধ আদি গুণৰ সহায়ত অস্থি, মাংস সমন্বিতে ইন্দ্ৰিয়াদি সৃজন কৰি বাহ্য জগৎ দৰ্শন কৰে। এইদৰেই জগতৰ সৃষ্টি। মুঠতে কবলৈ হলে স্পন্দৱতী চিৎয়েই চিত্ত বা জগৎ বা সৃষ্টি।

"নিৰাকাৰ, ভেদ-বিকাৰৰহিত পৰমাত্মাই স্বৰূপ পাহৰি মায়াময় চিত্তৰূপে পৰিদৃশ্যমান ভ্ৰমাত্মক জগৎ সৃজন কৰি লৈ সুখ, দুখ, শীত, তাপৰ অধীন হৈ পৰিছে। এতিয়া এই মায়াময় চিত্তৰ তাড়নাৰপৰা অব্যাহতি পাব খুজিলে সকলোৰে বীজ স্বৰূপ এই অহংজ্ঞানক আঁতৰাই স্বৰূপলৈ প্ৰত্যাবৰ্ত্তন কৰিব লাগিব; নহলে সৃষ্টিৰ ক্ৰম অনুসাৰে বা নিয়তিৰ নিয়ম অনুসাৰে আপুনি অনন্তকাল জন্ম-মৃত্যুৰ অধীন হৈ দুখ ভোগ কৰি থাকিবই লাগিব। প্ৰকৃত পক্ষে চিত্ত বুলি একো নাই। যাক চিত্ত বুলি অনুমান কৰা যায়, সি পৰমাত্মাই—কেৱল মায়াৰদ্বাৰা স্বৰূপ আবৃত হোৱাৰ কাৰণে চিত্তৰ নিচিনা দেখুৱাইছে। এই মায়াৰ আৱৰণ খুলিলেই চিত্ত চিন্ময় আত্মাৰূপে প্ৰতিভাত হব।"

কুম্ভমুনিৰ মুখৰপৰা এই অতি গুহ্য ৰহস্যজনক তত্ত্ব কথা শুনি ৰজা শিখিধ্বজে আগ্ৰহ সহকাৰে কলে,—"হে দেৱতনয় ! আপোনাৰ কথাবিলাক বৰ হৃদয়গ্ৰাহী । ইমান দিনে তপ, জপ আৰু শাস্ত্ৰাদি পঢ়িও এনেকুৱা ৰহস্যজনক কথা জানিব পৰা নাছিলোঁ । আপোনাৰ অনুগ্ৰহত মোৰ সকলো সন্দেহ আঁতৰি গৈছে । আপুনি দয়া কৰি মোক এই নিৰ্জ্জন কাননত দেখা দিছে । আপোনাৰ দয়াৰ অন্ত নাই । এতিয়া কি ৰকম অগ্নিৰে সকলো অনৰ্থৰ মূল এই অহংজ্ঞানক দগ্ধ কৰিব পৰা যায় তাৰে উপায় কৈ দিয়ক । এতিয়া মই বুজিব পাৰিছোঁ যে চিত্ত নাই । যাক চিত্ত বুলি কোৱা হয় সি মায়াৰ ইন্দ্ৰজাল মাথোন । আপুনি মোৰ গুৰু আৰু মই আপোনাৰ শিষ্য । দয়া কৰি মোক কৈ দিয়ক কি মহা মন্ত্ৰেৰে এই মায়াৰ ভেলেকী-ভোজবাজী নিবাৰণ কৰি স্বৰূপাৱস্থা লাভ কৰিব পাৰোঁ ।"

ৰজাৰ কাতৰতা দেখি ব্ৰহ্মচাৰী ৰূপধাৰী চূড়ালাই কবলৈ ধৰিলে,—"হে মহাৰাজ ! চিত্ত বৃক্ষৰ বীজ 'অহঙ'ক দহন কৰিবলৈ অগনি বিচাৰি বেছি দূৰলৈ যাবৰ আৱশ্যক নাই । অতি সহজ উপায়েৰে ইয়াক দহন কৰিব পাৰি । 'মই কোন' ? 'মই ক'ৰপৰা আহিছোঁ' ? 'এই জগৎ কি' ? 'এই জগতৰ উৎপত্তি হ'ল কেনেকৈ' ?

এনেকুৱা আত্মবিচাৰদ্বাৰা অহংজ্ঞানক বিনাশ কৰিব পৰা যায়। আপুনি যদি অহংক ধ্বংস কৰাৰ আৱশ্যকতা উপলব্ধি কৰিব পাৰিছে তেন্তে তপ, জপ, যজ্ঞ এই বিলাকক পৰিত্যাগ কৰি আত্মবিচাৰপৰায়ণ হওক।

—একাদশ অধ্যায়—

আত্ম-বিচাৰ (কাৰ্য্য-কাৰণ-তত্ত্ব)

ৰজা শিখধ্বজে ব্ৰহ্মচাৰী ৰূপিণী চূড়ালাৰদ্বাৰা উপদিষ্ট হৈ কিছুমান সময় মনে মনে চিন্তা কৰিলে আৰু তাৰ পিচত কবলৈ ধৰিলে, “হে ভগৱন! মই নিজৰ বুদ্ধিৰদ্বাৰা বিচাৰ কৰি দেখিছোঁ যে মই জগৎ নহয়, পৃথিৱী নহয়, নদ-নদী নহয় আকাশ নহয়, পাতাল নহয়, কাল নহয়—একোৱেই নহয়। এই যে তেজ-মাংস-অস্থিৰে তৈয়াৰী মোৰ শৰীৰ দেখিছোঁ—ইয়ো ‘মই’ নহয়। ‘মই’ কৰ্ম্মেন্দ্ৰিয় নহয়, জ্ঞানেন্দ্ৰিয় নহয়, মন নহয়, বুদ্ধি নহয়, অহঙ্কাৰ নহয়। মই ৰজা শিখিধ্বজো নহয়। কিন্তু সকলো জাগতিক পদাৰ্থৰ পৰা বেলেগ সেই ‘মই’ কোন তাকে বুজিব নোৱাৰি বৰ ভাৱনাত পৰিছোঁ।

কুম্ভমুনি—“হে ৰাজন! আপোনাৰ নিজৰ বিচাৰতে এইটো প্ৰতিপন্ন হয় যে আপুনি দেহাদি পদাৰ্থ নহয়; কিয়নো [illegible]লাক জড়পদাৰ্থ অপৰৰদ্বাৰা চালিত নহলেই নি[illegible]কো কৰিব নোৱাৰে। কিন্তু আপুনি কি[illegible]

ইচ্ছা হয় নিজে তাকে কৰিব পাৰো। এইভাৱে পুনৰাই বিচাৰ কৰি চাই কওকচোন বাৰু আপুনি কি হব পাৰে ?"

শিখিধ্বজে—"হে দেৱতনয়! জড়াংশ বাদ দিলে বাকী থাকে সেই চিন্ময় আত্মা। গতিকে 'মই' সেই চিন্ময় আত্মাই। কিন্তু সেই নিৰ্ম্মল আত্মাত কেনেবাকৈ মল সংক্ৰামিত হোৱাৰ কাৰণে মই সেই আত্মাৰ স্বৰূপ দেখিব পৰা নাই। মই অনুমান কৰোঁ। যে 'মই' 'মই' বুলি যি এটি অহঙ্কাৰ আছে সেয়েহে আত্মাক আবৰি ৰাখিছে। সেই কাৰণে কি উপায়ে সেই অহং-মল ধৌত কৰি আত্মাৰ স্বৰূপ দৰ্শন লাভ কৰিব পাৰি তাৰে উপায় কে দিয়ক।"

কুম্ভমুনি,—"হে মহাৰাজ! আপুনি অস্থিৰ নহৈ ধৈৰ্য্যাৱলম্বন পূৰ্ব্বক মোৰ কথা শুনি যাওক। আপোনাৰ নিজৰ বিচাৰতে সত্যৰ অনুসন্ধান পাব। কুতৰ্ক পৰিত্যাগ কৰি বিচাৰ কৰিলে আত্মা পুৰুষৰ দৰ্শন লাভ কৰিব পাৰিব। এইটো সকলোৱে স্বীকাৰ কৰে যে কাৰ্য্য থাকিলে তাৰ কাৰণ আছেই। কাৰণ নোহোৱাকৈ কোনো কাৰ্য্য হব নোৱাৰে। এনে অৱস্থাত বিনাকাৰণে যদি কিবা কাৰ্য্য দেখা যায় তেন্তে সেই কাৰ্য্য ভ্ৰমাত্মক বা অলীক নহৈ কি হব পাৰে ? আচল কথা এই

যে দ্ৰষ্টাৰ ভ্ৰমৰ পৰাই কাৰণ ব্যতিৰেকে কাৰ্য্য দেখা যায—যেনে মৰুভূমিত মৰীচিকা জল। এই সৰাচৰ জগতৰ অস্তিত্বও দ্ৰষ্টাৰ ভ্ৰমৰ ওপৰত নিৰ্ভৰ কৰিছে। শৰীৰাদি অস্থিপঞ্জৰ কাৰণ ব্যতিৰেকে কাৰ্য্য বুলি অবিদ্যমান আৰু অসত্য। অসত্যক সত্য বুলি ভাৱনা কৰিলে মিছাও সঁচা বুলি অনুমান হয়। আপুনি মহাৰাজ শিখিধ্বজ জ্ঞানে কিমান কাণ্ড কাৰখানা কৰিলে তাৰ অন্ত নাই। এতিয়া আপুনি ভুল বুজিব পাৰিছে যে আপুনি ৰজা শিখিধ্বজ নহয়—অইন কিবা অৰ্থাৎ চিন্ময় আত্মা।”

কুম্ভ মুনিৰ এনেকুৱা বথা শুনি ৰজাই আচৰিত মানি সুধিলে,—“হে তত্ত্বজ্ঞ! এই যে হস্তপদাদিযুক্ত শৰীৰ প্ৰত্যক্ষগোচৰ হৈছে ই অলীক হব পাৰে কেনেকৈ? পিতাতো এই শৰীৰৰ কাৰণ! এইদৰে সৰ্ব্ব প্ৰথম পিতামহ ব্ৰহ্মাইতো সৰাচৰ জগতৰ কাৰণ! এই বিলাক সদা-সৰ্ব্বদা প্ৰত্যক্ষগোচৰীভূত বিষয় অস্বীকাৰ কৰা যায় কেনেকৈ?”

কুম্ভমুনি—“হে মহাৰাজ! পিতা বা পিতামহো কাৰণ ব্যতিৰেকে কাৰ্য্যবুলি ভ্ৰমাত্মক বা অলীক। এই যে সৃষ্ট জগতৰ স্ৰষ্টা ৰূপে পিতামহ আছে বুলি কোৱা হয় তেওঁ আপোনাৰ দৰে মায়োপাধিক আত্মতত্ত্বই।

পিতা, পিতা-মহ, আপুনি, মই, তেওঁ আৰু এই চৰাচৰ জগৎ সেই আত্মতত্ত্ব বাদে অইন একো নহয়। এই বিলাকক আত্মাৰ পৰা পৃথক আন কিবা বুলি ভবাই ভুল। এই যুক্তি অনুসাৰে পিতাও নাই, পিতা-মহো নাই আৰু জগতো নাই। যি আছে-সি পৰমতত্ত্ব পৰমাত্মাই। কেৱল দ্ৰষ্টাৰ ভুলৰ নিমিত্তে পৰমাত্মাৰ স্বৰূপ নেদেখি কিৰূপ জগৎ দেখা গৈছে। জ্ঞানস্বৰূপ পৰমাত্মাৰ জ্ঞেয়-ভ্ৰান্তিয়েই অহংজ্ঞান—যি চিত্তৰ বীজ আৰু জগতৰ অঙ্কুৰ স্বৰূপ। আত্মাৰ জ্ঞেয়ভ্ৰান্তিয়েই হৈছে দ্বৈতজ্ঞান এই দ্বৈতজ্ঞানেই ভ্ৰমাত্মক। ভ্ৰমাত্মক জ্ঞানেৰে যি দেখা যায় সি ভ্ৰমৰ বাহিৰে আন একো হব নোৱাৰে। চকুৰ দোষৰ কাৰণে যদি দ্বিচন্দ্ৰ দেখা যায় তাক কি সঁচা বুলি কব পাৰি? এই দ্বৈতজ্ঞান লোপ পালে বা ভ্ৰম আতৰি গলে এই চৰাচৰ জগৎ বিশুদ্ধ চৈতন্যৰূপেই প্ৰতিভাত হব।”

শিখিধ্বজ,—“হে মহাত্মন্! আব্ৰহ্মস্তম্ব পৰ্য্যন্ত জগৎ যদি ভ্ৰান্তিময় আৰু মিছা হয় তেন্তে তাৰ কাৰ্য্য-কাৰিতা আহিল কেনেকৈ? আৰু ই দুখৰে বা কাৰণ হব পাৰে কেনেকৈ?”

কুম্ভমুনি,—“হে মহাৰাজ! পানীয়ে কঠিনহৈ বৰফত পৰিণত হোৱাৰ দৰে জগভ্ৰমও সঁচা বুলি ভাবোঁতে ভাবোঁতে সঁচা যেন প্ৰতীয়মান হৈছে আৰু সেইদৰে হৰ্ষ-বিষাদবো

কাৰণ হৈ পৰিছে। গছৰ মূৰা এডালত যক্ষ ভাৱনা হুখিলে সেই গছৰ মূৰাই শৰীৰত ভয়ৰ ক্ৰিয়া জন্মায়। দুখময় বুলি ভাবোঁতে ভাবোঁতে এই জগৎ দুখময় হৈ পৰিছে। যক্ষভ্ৰম আঁতৰি গলে গছৰ মূৰাৰ আচল ৰূপটো দেখা যায়। তেতিয়া মনত কোনো ভয় নাথাকে। অহংজ্ঞান-ৰূপ ভ্ৰম আঁতৰি গলেও জগতক চিন্ময় আত্মাৰূপেই দেখা যায়। তত্ত্বদৰ্শী জ্ঞানীবিলাকে এইদৰে বিচাৰ পৰায়ণ হৈ অজ্ঞান নাশ কৰে আৰু জগত-ভীতিৰ পৰা ত্ৰাণ পায়। সেইদৰে আপুনিও এই জগতক মৰীচিকাৰ নিচিনা জ্ঞান কৰি পৰম পুৰুষ পূৰ্ণব্ৰহ্মৰূপে অৱস্থান কৰোক। ভ্ৰমজ্ঞানেৰে দেখিছে বুলি জগৎ ভ্ৰমাত্মক। কাৰণবিহীন কাৰ্য্য বুলি এই জগতক মিছা বুলি জ্ঞান কৰিব।”

শিখিধ্বজ, “হে মহাত্মা! অনন্ত, অজ, অব্যয়, শান্ত, শূন্যৰূপী পৰমব্ৰহ্মা আদি-স্ৰষ্টা পিতামহৰ কাৰণ হব নোৱাৰে কিয়?”

কুম্ভমুনি,—“হে ৰাজন! কাৰ্য্য হব লাগিলে আগতে তাৰ কাৰণ বা হেতু থাকিব লাগিব। আগতে কাৰণ থাকিলেহে পিচত কাৰ্য্য হব পাৰে। কিন্তু ব্ৰহ্মৰ আগ-পিচ নাই। তেওঁ কাৰণাতীত—তেওঁ কোনো কাৰ্য্যৰ কাৰণো নহয়, কৰ্ত্তাও নহয় আৰু তেওঁৰ ৰূপান্তৰো নাই। কাৰ্য্য হব লাগিলে আকৌ দিক-দেশ-কালৰ

আৱশ্যক। পৰমাত্মা দিক-দেশ-কালৰ অধীন নহয়। পক্ষান্তৰে দেশ আৰু কালও পৰম ব্ৰহ্মই কেৱল ভ্ৰান্তিৰ নিমিত্তে পৃথক বুলি ভবা হৈছে। অধিকন্তু যি দ্বৈতভাৱ আছে তাতেহে কাৰ্য্য-কাৰণ সম্ভৱপৰ হয়। পৰমব্ৰহ্ম অদ্বিতীয় আৰু দেশ-কালৰ দ্বাৰা পৰিচ্ছিন্ন নহয়। সেই কাৰণে পৰমব্ৰহ্মত কাৰ্য্য-কাৰণৰ নিয়ম নাখাটে। কাৰণবিহীন কাৰ্য্য বুলি ব্ৰহ্মাণ্ড ভ্ৰমাত্মক আৰু ভ্ৰমৰ ফল বুলি ব্ৰহ্মাণ্ডও ভ্ৰমময়। ভ্ৰমময় অহং-জ্ঞান, অজ্ঞান বা দ্বৈতজ্ঞান আঁতৰি গলে আব্ৰহ্মস্তম্ব পৰ্য্যন্ত জগৎ কেৱল চিন্ময় ব্ৰহ্মৰূপেই বিদ্যামান থাকে।

পৰমব্ৰহ্ম, আদি, অন্ত, জন্ম, মৃত্যু বিকাৰ ৰহিত। তেওঁ অব্যয় আৰু অবিভাজ্য। জগৎ অবিভাজ্যৰূপে তেওঁতেই বৰ্ত্তি আছে। পৰমব্ৰহ্ম কৰ্ত্তাও নহয়, কৰ্ম্মও নহয়, কাৰণো নহয়। চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, নক্ষত্ৰ, ধুমকেতু, আকাশ পৃথিৱী, দিক, দেশ, কাল, আপুনি, মই, তেওঁ, গছ, তৃণ, লতা, পোক, পৰুৱা যি দেখা গৈছে, সকলো বিলাকেই সেই সৰ্ব্বব্যাপী পৰমেশ্বৰৰপৰা অপৃথক। আপুনি আৰু আন আন আটাইবিলাকেই সেই অদ্বিতীয়, অজ, অব্যয়, শান্ত, শিৱ পৰমব্ৰহ্ম। আপুনি জ্ঞান স্বৰূপ পৰমাত্মাই। আপোনাৰ জন্ম, মৃত্যু, হৰ্ষ, বিষাদ, ...

পৰিচ্ছিন্ন—সীমাবদ্ধ।

মুক্তি একেবাৰেই নাই। এতিয়া আপুনি যি সেই হৈ থাকক।

ভ্ৰান্তিৰ ভিতৰত থাকি যি কৰা যায় বা লবা যায় সি সঁচা বুলিয়েই প্ৰতীয়মান হয়। ভ্ৰান্তি বৰ্ত্তমান থাকে মানে তাক ভ্ৰান্তি বুলি বুজিব নোৱাৰি। ভ্ৰান্তি বুলি বুজিব পৰা মাত্ৰে ভ্ৰান্তি তিৰোহিত হয়। সৰ্পভ্ৰম হোৱা কালত জৰিডালকে সৰ্পজ্ঞান কৰা হয় আৰু আচল সৰ্প দেখিলে যি ৰকম ভীতি জন্মে সেই ৰকমে দেহত ক্ৰিয়া হয়। জগতৰ কাৰ্য্যকাৰিতাও ৰজ্জুত সৰ্প-ভ্ৰমৰ নিচিনা। অহংভ্ৰান্তি তিৰোহিত হলে জগৎ পৰমব্ৰহ্ম ৰূপেই প্ৰতীয়মান হয়। আপুনি এতিয়া ভ্ৰান্তিৰ স্বৰূপ বুজিব পাৰিছে। আপুনি শিখিধ্বজ নহয়—আপুনি পৰমাত্মাই। গতিকে অলীক জগতৰ ভাবনা পৰিত্যাগ কৰি আমালোকৰ নিচিনা বিজ্ঞান-ময় হৈ পৰমাত্মাত বিশ্ৰান্তি লাভ কৰক।”

কুম্ভমুনিৰ তত্ত্বপূৰ্ণ উপদেশ শুনি থাকোঁতে ৰজাৰ বাহ্যজ্ঞান বা জগৎজ্ঞান লোপ পালে। তেওঁ যে ৰজা শিখিধ্বজ আছিল সেই জ্ঞানও আতৰি গল। তেতিয়া তেওঁ নিজক শিৱ, শান্ত, চিন্ময় আত্মা ৰূপে জ্ঞান কৰিব ধৰিলে। তাৰ পিচত তেওঁ কবলৈ ধৰিলে —“হে মুনিবৰ! আপোনাৰ কৰুণা অপাৰ। আপো-

নাৰ অনুগ্ৰহতে ইমান দিনে মোৰ অজ্ঞান অন্ধকাৰ দূৰ হ'ল। মই জ্ঞানৰ পোহৰত দেখিছোঁ যে, দিক, দেশ আৰু কালৰদ্বাৰা পৰিচ্ছিন্ন এই পৰিদৃশ্যমান জগত মিছা। মোৰ অলীক অহংজ্ঞান আঁতৰি গৈছে। মোৰ আৰু চিন্তও নাই—আৰু চিন্তভাড়নাও নাই। ইমান দিনৰ মূৰত মই উপশান্ত হলোঁ আৰু বিশ্ৰাম লাভ কৰিলোঁ। আপোনাৰ নিচিনা মযো শুদ্ধ, শুভ, শিৱময আত্মাস্বৰূপ হৈ অৱস্থান কৰিলোঁ। এতেকে মই নিজকে নিজে নমস্কাৰ কৰোঁ।" এইদৰে আত্ম-প্ৰতিষ্ঠা লাভ কৰি ৰজা শিখিধ্বজে ধীৰ আৰু স্থিৰ ভাবে অবস্থান কৰিলে।

ৰজা শিখিধ্বজে ওপৰত কোৱাদৰে আত্মাত-বিশ্ৰান্তি লাভ কৰি নিৰ্ব্বাত প্ৰদীপৰ নিচিনা অটল ভাৱে অৱস্থান কৰিলে। তাৰ পিচত ব্ৰহ্মচাৰীয়ে পুনৰ প্ৰবোধ দি কলে—"হে মহাৰাজ! এতিয়া আপুনি অজ্ঞান নিদ্ৰাৰপৰা সাৰ পাইছে। আপোনাৰ চিত্তবৃক্ষৰ বীজ ভ্ৰমময় অহংজ্ঞান লোপ হোৱাত আপুনি চিন্ময়আত্ম-স্বৰূপত পৰিণত হৈছে। তত্ত্বজ্ঞান লাভ কৰি আপুনি স্বয়ং মহাদেৱৰ নিচিনা হৈছে। আপোনাৰ জন্ম, মৃত্যু, জৰাভয় নিবাৰিত হৈছে—আপোনাৰ আৰু কোনো অনিষ্টৰ আশঙ্কা নাই। আপুনি এতিয়া জীৱন্মুক্ত

হৈছে—গতিকে আপুনি যি ইচ্ছা তাকে কৰিব পাৰে; কিয়নো জীৱন্মুক্ত পুৰুষৰ ভাল, বেয়া, পাপ, পুণ্য আদি কৰ্ম্ম-বন্ধন নাই।

আপোনাৰ ৰাণী চূড়ালা তত্বজ্ঞ বিলাকৰ ভিতৰত এজনী প্ৰধানা তিৰোতা আছিল। কিন্তু আপুনি চঞ্চলা বালিকা বুলি তেওঁৰ উপাদেয় উপদেশক তুচ্ছজ্ঞান কৰিছিল। তাকে নকৰি তেওঁৰ উপদেশ মতে চলিলে আপুনি নিজৰ গৃহতে থাকি এই পৰম হিতকাৰী তত্ব-জ্ঞান লাভ কৰিব পাৰিলেহেঁতেন। যিকিনহওক ইমান দিনে তত্বজ্ঞান লাভ হোৱাত আপোনাৰ চিত্তবৃক্ষৰ বীজ অহংজ্ঞান দগ্ধ হৈছে। আপোনাৰ উৎপীড়নকাৰী চিত্ত আৰু নাই। আপোনাৰ সৰ্ব্বত্যাগৰূপ চিন্তামণি সিদ্ধি হৈছে। এতিয়া আপুনি আত্মাত অৱস্থান কৰি আত্মানন্দ উপভোগ কৰক।"

—— x ——

—দ্বাদশ অধ্যায়—

আত্ম-বিচাৰ—(ত্ৰিপুটীতত্ত্ব)।

ব্ৰহ্মচাৰীৰ অমৃতময় তত্ত্বোপদেশত ৰজাৰ চিত্ত বিধৌত হোৱাত তেওঁৰ মুখ-মণ্ডল সদ্য-প্ৰস্ফুটিত পদ্মটিৰদৰে প্ৰশান্ত ভাৱ ধাৰণ কৰিলে। তেতিয়া তেওঁ অকপট চিত্তে কৰলৈ ধৰিলে,—"হে, জ্ঞানদাতা গুৰো! আপুনি মোৰ পৰম হিতকাৰী বন্ধু। আপোনাৰ অনুগ্ৰহত মোৰ মোহ-নিদ্ৰা ভাগিল। মই এতিয়া জ্ঞাতব্য বিষয় জ্ঞাত হলোঁ। মোৰ আৰু জানিবলৈ বা পাবলৈ একো বাকী নাই। তথাপি চিত্তক সম্যকৰূপে দৃঢ় কৰি ৰাখিবৰ নিমিত্তে আৰু এটি কথা সুধিব খুজোঁ। তাৰে সদুত্তৰ দি মোক অনুগৃহিত কৰক। পৰমাত্মা শান্ত, শিৱ আৰু আভাস বৰ্জিত। সেই ভেদ-বিকাৰ-ৰহিত অপৰিবৰ্ত্তনীয় পৰমাত্মাত দ্ৰষ্টা, দৃশ্য আৰু দৰ্শন স্বৰূপ এই বিশ্বৰ উদ্ভৱ হল কেনেকৈ? আৰু অখণ্ড জ্ঞানস্বৰূপ পৰমাত্মাত জ্ঞান-জ্ঞেয়-জ্ঞাতা এই বিভাগ বা আহিল কেনেকৈ?

ৰজাৰ প্ৰশ্ন শুনি কুম্ভমুনিয়ে ধন্যবাদ জনাই কলে,— "হে মহাৰাজ! আপুনি অতি উত্তম প্ৰশ্ন কৰিছে।

আপোনাব এতিয়া জ্ঞনোদয় হৈছে। সেই কাৰণেই এনেকুৱা উত্তম প্ৰশ্ন মনত উদয় হৈছে। আপুনি এতিয়া প্ৰবুদ্ধ হৈছে আৰু তত্ত্বজ্ঞান ধাৰণা কৰিবলৈ সমৰ্থৱান হৈছে। আপোনাৰ বাকী সন্দেহখিনি ভঞ্জন কৰিবৰ নিমিত্তে অত্যন্ত হিতকৰ তত্ত্ব-কথা কওঁ মন দি শুনক—

জগত পৰিবৰ্ত্তনশীল। ইয়াত কোনো বস্তুৱেই চিৰকাল সমান ভাৱে থাকিব নোৱাৰে। জন্মা বস্তু মাত্ৰৰে মৃত্যু অনিবাৰ্য্য। কালে সকলোকে সংহৰণ কৰি থাকে। স্থাবৰ-জঙ্গম-পৰিপুৰ্ণ যি বিচিত্ৰ জগৎ আপোনাৰ নয়নগোচৰ হৈছে, নিয়তিৰ নিয়ম অনুসাৰে ই এদিনাখন ৰূপান্তৰিত হৈ তাৰ পূৰ্ব্বাৱস্থাত পৰিণত হব গৈ। এই সাধাৰণ নিয়ম অনুসাৰে চন্দ্ৰ, সূৰ্য্যকে আদি কৰি গ্ৰহ নক্ষত্ৰ আৰু আন আন সকলো সৃষ্ট পদাৰ্থই একসময়ত লয় প্ৰাপ্ত হব। এইদৰে হোৱাই মহাপ্ৰলয়। মহাপ্ৰলয়ৰ সময়ত জীৱ, জন্তু, জল, স্থল, পৃথিবী, চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, নক্ষত্ৰৰ কোনো পৃথক অস্তিত্ব নাথাকে। এনেকি দিন, ৰাতি, কাল, আকাশ আদি সূক্ষ্ম পদাৰ্থও লোপ পায়। তেতিয়া সকলো বিষয়েই ৰূপান্তৰিত হৈ এক বিশালভাৱ ধাৰণ কৰে। সকলো প্ৰকাৰ বিভিন্ন দৃশ্য বা অদৃশ্য পদাৰ্থ গলিত হৈ গলে যি একক সাৰ-পদাৰ্থ বাকী থাকিব সেয়ে

চিৎসাৰ বা বিশুদ্ধ জ্ঞানময় পূৰ্ণব্ৰহ্ম। তেতিয়া জগৎ আৰু ব্ৰহ্মৰ ভিতৰত কোনো ভেদ থাকিব নোৱাৰে। এইদৰে বিচাৰ কৰিলেও দেখা যায় যে, জগৎ আৰু ব্ৰহ্ম এক। সেই বিশালভাৱেই হৈছে অনন্ত, শিৱ শান্ত, চিন্ময় আত্মা। সেই পৰমাত্মা জ্ঞান আৰু তৰ্কৰ অগোচৰ। দ্বৈতভাৱ বৰ্জ্জিত সেই বিশালভাৱেই পূৰ্ণ-ভাবাপন্ন পূৰ্ণব্ৰহ্ম। যাৰ সত্বা লৈ আৰু যিহৰপৰা জগৎ স্ফুৰিত হৈছিল, মহাপ্ৰলয়ৰ সময় সি তাতেই বিলীন হৈ যায়। সমধৰ্ম্মাৱলম্বী বিষয়হে সমভাৱে মিলি যাব পাৰে। যিহেতু জগৎ আৰু ব্ৰহ্ম এক সেইকাৰণেই মহাপ্ৰলয়ৰ সময়ত এই মিলন সম্ভৱপৰ হয়।

সৃষ্টিৰ আদিতে যেতিয়া বিচিত্ৰ জগতৰ কোনো চিন-ছাব নাথাকে তেতিয়া চিৎস্বৰূপ পৰমাত্মাই নিজৰ স্বৰূপ পৰিত্যাগ নকৰাকৈ নিজেই নিজক অনুভৱ কৰে। এই ৰূপে অনুভৱ কাৰোঁতে জ্ঞানৰূপী পৰমা-ত্মাই কোনো কাৰণ নোহোৱাকৈ জ্ঞান-জ্ঞেয়-জ্ঞাতা ৰূপে ত্ৰিধা বিভক্ত হৈ নিজেই নিজক জ্ঞেয় ভাৱে অনুভৱ কৰে। এই দৰে হোৱাকেই শাস্ত্ৰত ত্ৰিপুটী বোলে। কিয় এইদৰে হয় বা কেনেকৈ এনেকুৱা বিভাগ হয়, ইয়াৰ সদুত্তৰ কোনেও দিব নোৱাৰে। ইয়াৰ উত্তৰ দিলে কব পাৰি যে, এইদৰে হৈ থাকে। ইয়াত

কোনো তৰ্ক নাখাটে। ক্ৰমে এই স্বাত্মানুভূতি ঘণীভূত হলে আত্মাই নিজৰ ভাস্বৰ ৰূপ পাহৰি যায় আৰু নানা কল্পনা কৰে। অৱশেষত এই জ্ঞেয়জ্ঞানেই অহংজ্ঞানত পৰিণত হয়। এই অহংজ্ঞানেই নানা কল্পনা কৰে আৰু এই কল্পনাৰ ফলেই হৈছে জগত। আত্মাৰ জ্ঞেয়ভ্ৰান্তিয়েই অহংজ্ঞান। তাকেই নানা জনে নানা ভাৱে অভিহিত কৰে যেনে,—মায়া, অবিদ্যা, অজ্ঞান, প্ৰকৃতি, যোগমাযা, মহামায়া, আদ্যাশক্তি ইত্যাদি।

স্বৰূপাৱস্থাত আত্মাৰ কোনো ভাৱ বা অভাৱ নাথাকে। স্বৰূপাৱস্থাই হৈছে পূৰ্ণানন্দৰ অৱস্থা। কিন্তু ভ্ৰান্তিৰ কাৰণে স্বৰূপ নেদেখিলে আত্মাত অভাৱ অনুভৱ কৰে। এই অভাৱ আত্মাৰ নিজ স্বৰূপৰেই অভাৱ। এই অভাৱ পূৰণৰ চেষ্টাত পৰমাত্মাই নিজৰ চিন্ময় স্বৰূপকে বিশ্বৰূপে অনুভৱ কৰে। এইদৰে পৰমাত্মাই নিজে দ্ৰষ্টা-ৰূপে নিজকে দৃশ্য অৰ্থ্যাৎ বিশ্বৰূপে দৰ্শন কৰে। প্ৰকৃত পক্ষে জ্ঞান, জ্ঞেয়, জ্ঞাতা; দৰ্শন দৃশ্য, দ্ৰষ্টা এক আৰু এইদৰে বিশ্ব আৰু চিন্ময় আত্মাও এক। কিন্তু বিশ্ব আৰু চিন্ময় অত্মাক পৃথক বুলি যে জ্ঞান কৰা হয় —সেইটো ভ্ৰান্তিৰ ফল। পৰমাত্মাই নিজৰ আত্ম-মায়াৰ দ্বাৰা স্বৰূপ আবৃত কৰি বিশ্বৰূপে স্ফুৰিত হৈছে। ভ্ৰম বা মায়াৰ পৰা উৎপন্ন বুলিয়েই এই জগৎ মায়াময়। এই মায়াৰ ধান্ধা ভাঙিবলৈ তত্ত্ব-

জ্ঞানেই মহামন্ত্ৰ। তত্ত্বজ্ঞানৰ সহায়েৰে মায়াক মায়া বুলি বা ভ্ৰান্তিক ভ্ৰান্তি বুলি দৃঢ়জ্ঞান কৰিব পাৰিলেই স্বৰূপজ্ঞান আত্মজ্ঞান বা মুক্তি লাভ হয়।

জ্ঞান জ্ঞেয়ৰূপে ভাবিত হোৱাতেই অংহজ্ঞানৰ উৎপত্তি। চিৎ চেত্যৰূপে চেত্তিত হোৱাতেই চিত্তৰ উৎপত্তি। অহংজ্ঞানেই ক্ৰমে মন, বুদ্ধি, অহংকাৰ, শব্দ, স্পৰ্শ, ৰূপ, ৰস, গন্ধত পৰিণত হৈ বিচিত্ৰ জগৎ ৰচনা কৰিছে। পৰমাত্মাৰ জ্ঞেয়জ্ঞানমূলেই চিৎ-স্পন্দনৰ উৎপত্তি। স্পন্দৱতী চিতেই চিত্তৰূপা জগৎ। স্পন্দন ৰহিত হলেই জগৎ চিন্ময় আত্মাত পৰিণত হয় গৈ।

পৰমাত্মাই দ্ৰষ্টাৰূপে নিজকে দৃশ্যৰূপে দৰ্শন কৰোঁতেই বিশ্বদৰ্শনৰ কাৰ্য্য সম্পাদিত হৈছে। প্ৰকৃতপক্ষে সমুদায় বিশ্বই এক আত্ম-তত্ত্বৰ বাহিৰে আন একো নহয়। যেনে ৰকম এক টুকুৰা শিলৰ ভিতৰত কিমান বিলাক মূৰ্ত্তি নিহিত আছে—তাৰ অন্ত নাই, সেইদৰে চিন্ময় আত্মাতো অগণন জগৎ নিহিত আছে। যেনেকৈ নানা প্ৰকাৰ শিলৰ মূৰ্ত্তি শিলাই, স্বৰ্ণালঙ্কাৰ স্বৰ্ণই তৰঙ্গ জলই—সেইদৰে বিচিত্ৰ জগতো চিন্ময় আত্মাই। বৰ্ত্তমান ভ্ৰমাত্মক কাৰ্য্য-কাৰণ বুদ্ধিৰে দেশ-কালৰদ্বাৰা অপৰিচ্ছিন্ন আত্মাৰ স্বৰূপ উপলব্ধি কৰা অসম্ভৱ। ভ্ৰান্তিৰ

দ্বাৰা আচ্ছন্ন হৈ জ্ঞানেই দুখময় জগৎ হৈছে। এতিয়া জগতৰ পৰা এই ভ্ৰান্তিৰ আবৰণ আঁতৰাব পাৰিলে জগৎ আনন্দ-ময়, জ্ঞানময় হব। আত্মা স্বৰূপাৱস্থাত জ্ঞানময়। সেই স্বৰূপাৱস্থাই সচ্চিদানন্দ পূৰ্ণানন্দৰ অৱস্থা। হে, মহাৰাজ! অলীক জ্ঞেয়-সংস্কাৰ মূলে যি অহংজ্ঞানৰ উৎপত্তি হৈছে তাক ভ্ৰান্তি বুলি জানি পৰিত্যাগ কৰক আৰু পূৰ্ণানন্দত ডুবগৈ থাকক। জ্ঞানৰ অনুভূতি বা সংস্কাৰৰ পৰাই সৃষ্টিৰ পৰিণতি। এতিয়া তাৰে বিপৰীত সংস্কাৰৰ পৰাই স্বৰূপাৱস্থালৈ যাবৰ এক মাত্ৰ উপায়। এই সংস্কাৰৰ প্ৰণালীয়ে হৈছে সাধন-প্ৰণালী। সাধনাৰ উদ্দেশ্য হৈছে বিপৰীত সংস্কাৰৰ দ্বাৰা স্বৰূপাৱস্থা লাভ কৰা।

হে মহাৰাজ! আপোনাক মই সুহৃদ বুলি ভাবোঁ। সেইকাৰণে আপোনাৰ মঙ্গলৰ নিমিত্তে এই পৰম গুহ্যতত্ত্ব আপোনাত ব্যক্ত কৰিলোঁ। হে বন্ধো! সমুদায় জগৎ আত্মতত্ত্বময়। অনন্ত ব্ৰহ্মসত্ত্বা ব্যতীত জগতত আন একো নাই। আপুনিও নাই, মইও নাই, চিত্তও নাই, ইন্দ্ৰিয়ও নাই, আকাশো নাই—কিন্তু যি আছে—সি কেৱল জ্ঞান, আত্মা, ব্ৰহ্ম বা ভগৱান। আপোনাৰ এতিয়া চিত্তত্যাগ হৈছে আৰু অজ্ঞান বিদূৰিত হৈছে। আপোনাৰ আৰ ভ্ৰান্তি নাই; কিয়নো আপুনি সত্যৰ

অনুসন্ধান পাইছে। আপোনাৰ আৰ জৰা-মৰণাদিৰ ভীতিও নাই ; কিয়নো আপুনি ব্ৰহ্মপদ লাভ কৰিছে। আপুনি নিজেই পৰম মঙ্গলময় আত্মতত্ত্ব বা ব্ৰহ্মতত্ত্ব। আত্মদৰ্শন বা আত্মজ্ঞান লাভ মানেই আত্মস্বৰূপ হোৱা। আপুনি এতিয়া যি সেই হৈ থাকক। হে সখে! এই আত্মতত্ত্ব পৰম মঙ্গলময়। যেয়ে ইয়াক এবাৰ লাভ কৰিব পাৰে তাৰ আৰ কোনো অভাৱ থাকিব নোৱাৰে আৰু তাৰ পতন হবৰো কোনো ভয় নাথাকে। আপুনি এতিয়া আত্ম বিশ্ৰান্তি ভোগ কৰি থাকক। এয়ে হৈছে সকলো তত্ত্বৰ সাৰ।”

ত্ৰয়োদশ অধ্যায়

শিখিধ্বজৰ সমাধি লাভ

কুম্ভমুনিৰ সাৰুৱা আৰু জ্ঞানোদয়কৰ উপদেশ শুনি ৰজা শিখিধ্বজে আত্মপদত পৰিণত হল। তেতিয়া তেওঁৰ চিত্ত স্থিৰ আৰু নয়ন নিমীলিত হল আৰু দেহৰ স্পন্দন ৰহিত হোৱাত তেওঁ প্ৰস্তৰখোদিত মূৰ্ত্তিৰ ন্যায় নিশ্চল ভাৱে অৱস্থান কৰিলে। কিছু সময় এইদৰে থকাৰ পিচত চেতনা লভি ৰজাই কবলৈ ধৰিলে,—"হে ভগৱন! আপোনাৰ কৃপাত মহতী আত্মপদ লাভ কৰিলোঁ। বিদিতবেদ্য মহাত্মাসকলৰ সঙ্গৰ মহিমা অপাৰ। মোৰ পৰম ভাগ্য যে আপোনাৰ সঙ্গলাভ কৰিছিলোঁ। মই যে ইয়াৰ আগতে এনেকুৱা অমৃত সদৃশ আত্মতত্ত্ব জানিব পৰা নাছিলোঁ ই বৰ অনুতাপৰ কথা।"

ৰজাক আক্ষেপ কৰা দেখি ব্ৰহ্মচাৰীয়ে লাহেকৈ মাত লগাই কলে,—"হে মহাৰাজ! পৰিষ্কাৰ কাপোৰত কুঙ্কুমৰ ৰং লাগি ধৰাৰ নিচিনা আপোনাৰ ইন্দ্ৰিয়-ভোগ-বাসনা পূৰ্ণ হলত সেই নিৰ্ম্মল চিত্তত উপদেশ দিয়াত সি কাৰ্য্যকৰী হৈছে। আগতে আপোনাৰ মনত বাসনাৰ

মল লাগি আছিল। এতিয়া আপোনাৰ 'কষায়পাক' অৰ্থাৎ ভোগ-বাসনা পূৰ্ণ হৈছে। সেই কাৰণে মোৰ উপদেশত এতিয়া আপুনি প্ৰবুদ্ধ হব পাৰিছে। ভোগ-বাসনা আঁতৰ নহলে আৰু মন উপশম নহলে গুৰুৰ উপদেশ কাৰ্য্যকৰী হব নোৱাৰে আৰু পৰাগতিও লাভ কৰিব নোৱাৰি।

জ্ঞান খুলিলে অতৰ্কিত ভাৱে তৎক্ষণাৎ খুলে। আজি পুৱাৈলকে আপোনাৰ চিত্তত অজ্ঞান-মল লাগি আছিল। সাধুসঙ্গৰ প্ৰভাৱত আৰু মোৰ উপদেশত আপোনাৰ চিত্ত সম্পূৰ্ণৰূপে লয় হৈছে। এতিয়াহে আপুনি চিত্তত্যাগ কৰি সত্বত পৰিণত হৈছে। এতিয়া আপুনি বীতশোক আৰু মৌনাৱলম্বী হৈ আত্মপদত বিৰাজ কৰক। আপোনাৰ আৰ চিত্ত বা মন নাই। আপুনি নিজেই চিন্ময় ব্ৰহ্মস্বৰূপ হৈছে।

শিখিধ্বজ—"হে প্ৰভো! আপুনি কৈছে যে যাৰ তত্বজ্ঞান লাভ হয় তাৰ চিত্ত বা মন নাথাকে। এনেকুৱা অৱস্থাত তত্বজ্ঞবিলাকে কি ৰকমে ব্যৱহাৰ কৰিছে আৰু আপোনালোকৰ নিচিনা তত্ত্ববিৎবিলাকে মন নোহোৱাকৈ বা লৌকিক কাৰ্য্য নিৰ্ব্বাহ কৰে কেনেকৈ?"

কুম্ভমুনি—"হে মহাৰাজ! আপুনি যি কৈছে সেয়ে ঠিক। তত্বজ্ঞানীবিলাকৰ চিত্ত নথকা কথা সঁচা। কিন্তু

তেওঁলোকৰ সত্ত্ব থাকে। বাসনাই চিত্তৰ স্বৰূপ। সেই বাসনা দুই প্ৰকাৰ—ঘন-বাসনা আৰু ক্ষীণ-বাসনা। ঘন-বাসনাই চিত্ত আৰু এনেকুৱা চিত্তৰ দুখ-সুখ জন্ম-মৃত্যু আছে। অজ্ঞানীবিলাকৰ বাসনা ঘন। সেই কাৰণে তেওঁলোকে সংসাৰত বাৰ বাৰ জন্ম গ্ৰহণ কৰি নানা প্ৰকাৰ যাতনা ভোগ কৰি থাকে। জ্ঞানী সকলৰ বাসনা ক্ষীণ। ক্ষীণ-বাসনাই সত্ত্ব। সংযতেন্দ্ৰিয় জীৱন্মুক্তবিলাকে ক্ষীণ-বাসনাৰে সত্ত্ব গুণক আশ্ৰয় কৰি অসঙ্গভাৱে লৌকিক কাৰ্য্য নিৰ্ব্বাহ কৰি থাকে। সেই কাৰণে তেওঁলোকৰ কৰ্ম্ম-বন্ধন নাই আৰু পুনৰ্জ্জন্মও নহয়।

বাসনা ঘন হলে তাক মোহ-মুগ্ধ চিত্ত বোলে আৰু বাসনা ক্ষীণ হলে মোহ-মুক্ত সত্ত্ব হয়। আপোনাৰ বাসনাও এতিয়া আমালোকৰ দৰে মোহমুক্ত সত্ত্বত পৰিণত হৈছে। আপুনি এতিয়া সত্ত্বক আশ্ৰয় কৰি নিষ্কাম ভাৱে যি ইচ্ছা তাকে কৰিব পাৰে। আপোনাৰ আৰ বন্ধনৰ আশঙ্কা নাই।

তপস্যাদি ক্ৰিয়া-কাণ্ডৰপৰা স্বৰ্গভোগ লাভ হব পাৰে। কিন্তু স্বৰ্গ সুখও ক্ষণস্থায়ী। আত্মপদ চিৰস্থায়ী আৰু তাৰপৰা যি আনন্দ হয় স্বৰ্গপদলাভ তাৰ লগত তুলনীয় হব নোৱাৰে। যিবিলাকৰ সোণ নাই তেওঁ-

লোকেহে নিকৃষ্ট পিতল লৈ সন্তুষ্ট থকা উচিত। আত্মজ্ঞান-লাভ যাৰ ভাগ্যত নঘটে তেওঁলোকেহে তপস্যাদি ক্রিয়া-কাণ্ড লৈ থাকে। আপোনাৰ চূড়ালা ৰাণীৰ সঙ্গৰ পৰা আত্মজ্ঞান লাভ কৰিবলৈ বিশেষ সুযোগ আছিল। আপুনি অনর্থক তপস্যাৰ কাৰণে জঙ্গললৈ বাহিৰ হৈ আহিছিল। যিকিনহওক এই তপস্যাৰ গুণতে আপোনাৰ ভোগ-বাসনা পূর্ণ হৈছে আৰু তাৰে ফল স্বৰূপে পৰমপদ লাভ কৰিব পাৰিছে। আত্মজ্ঞানী মহাত্মাবিলাকে সঙ্কল্প-ৰচিত ভাৱবিলাকক জল-প্রতিবিম্বিত ৰবিৰ নিচিনা তুচ্ছজ্ঞান কৰি পৰিত্যাগ কৰে। আপুনিও স্বর্গ-মোক্ষাদি ফলৰ আকাঙ্ক্ষা পৰিত্যাগ কৰি সমভাৱে অৱস্থান কৰক। এইটো জানি ৰাখিব যে সংসাৰত যিমানবিলাক দুখ আছে সেই সকলোবিলাকেই চিত্তচঞ্চলতাৰ ফল। তত্ত্বজ্ঞানৰ প্রভাৱত চিত্তৰ স্পন্দ আৰু অস্পন্দ ভাৱ উভয়কে শাশ্বত ব্রহ্মভাৱত একতা কৰি মহানন্দে বাস কৰক।”

শিখিধ্বজ—“হে বিভো! আপুনি তত্ত্বজ্ঞ আৰু সর্ব্বসংশয় ছেদ কৰিব পাৰে। কেনেকৈ চিত্তৰ স্পন্দ আৰু অস্পন্দ ভাৱক একতা কৰিব পাৰি অনুগ্রহ কৰি তাৰে উপদেশ দিয়ক।”

কুম্ভমুনি—"হে ৰাজন ! সমুদায় জগত এক চিন্মাত্র —যেনে জল আৰু সাগৰ। নির্ম্মল চিন্মাত্রই ব্রহ্ম, পৰমাত্মা, জ্ঞান, ভগৱান, জগৎ আৰু সকলো। পৰমাত্মাই অহংভাৱনা কৰি স্পন্দিত হলে মূঢবিলাকে তাকেই জগৎ যেন দেখে। চিৎস্পন্দনেই সৃষ্টি। অসম্যকদর্শীয়ে ৰজ্জুত সর্প-ভ্রমৰ নিচিনা যিহকে সংসাৰ যেন দেখে সম্যকদর্শীয়ে তাকেই চিন্ময় আত্মা বুলি অনুভৱ কৰে। দ্বিত্বভাৱনাৰদ্বাৰাই চিৎ স্পন্দিত হয়। তাৰ বিপৰীত একত্বভাৱনা কৰিলে স্পন্দন ৰহিত হয়।

পৰমাত্মাৰ অহংভাৱেই চিৎস্পন্দন, চিত্ত, মন বা জগৎ। এই অহংভাৱৰপৰাই আত্মাৰ স্বৰূপ-ভ্রান্তিৰ উদয়। আত্মাৰ স্বৰূপভ্রান্তিয়েই ভেল্‌কী ভোজ-বাজীৰ নিচিনা মায়াময় সংসাৰ। এই ভ্রান্তিক ভ্রান্তি বুলি জ্ঞান হলেই আত্মাৰ স্বৰূপ ওলাই পৰে। অহংভ্রান্তি দুৰ হলেই চিত্তৰ স্পন্দভাৱ ৰহিত হয়। স্পন্দন ৰহিত হলে আত্মা ধীৰ, স্থিৰ, শিৱময় আৰু বিশাল আকাৰ ধাৰণ কৰে। সেই বিশালভাৱ অনুভৱগম্য আৰু আনন্দময়।

ভ্রান্তি বর্ত্তমান থাকে মানে ভ্রান্তিক ভ্রান্তি বুলি বুজিব নোৱাৰি। ভ্রান্ত জ্ঞানেৰে যি ভৱা যায় বা কৰা যায় সেই সকলোবোৰেই ভ্রান্তিময় হৈ পৰে। যি

মহাত্মাই নিজৰ পুৰুষকাৰৰ গুণত চিত্তৰ স্পন্দন ৰহিত কৰি অভ্ৰান্ত অৱস্থা লাভ কৰিব পাৰিছে তেনেকুৱা লোকেহে আত্মাৰ স্বৰূপ বুজে আৰু আনবো ভ্ৰান্তি আঁতৰাবলৈ সমৰ্থ হয়। সেই কাৰণে ভ্ৰান্তি আঁতৰাবলৈ তত্ত্বজ্ঞানী গুৰুৰ সহায় অপৰিহাৰ্য্য। আপুনি তত্ত্বজ্ঞান লাভ কৰিছে। আপোনাৰ ভ্ৰান্তি আঁতৰি গৈছে আৰু আপোনাৰ স্পন্দন ৰহিত হৈছে। এই জগৎ আপোনাৰ চকুৰ আগত চিন্ময় আত্মাৰূপেই ভাসমান হৈছে। এই দৰে সমতা লাভ কৰাকে মোক্ষপদ বোলে।

মোক্ষ ধামত প্ৰবেশ কৰিবলৈ চাৰিটি প্ৰধান সিংহদ্বাৰ আছে। সেইবিলাক হৈছে—(১) আত্ম-বিচাৰ (২) শাস্ত্ৰালোচনা (৩) সৎসঙ্গ আৰু (৪) সুদৃঢ় অভ্যাস। এইবিলাক উপায়ৰদ্বাৰা চিত্তৰ মল ধৌত কৰিব পাৰিলেহে চিত্তিৰ নিস্পন্দ বা তুৰ্য্যাতীত অৱস্থা অনুভৱ কৰিব পৰা যায়।

হে মহাৰাজ শিখিধ্বজ! আপুনি সৰ্ব্বশ্ৰেষ্ঠ তত্ত্বজ্ঞান লাভ কৰিছে। আপোনাৰ আৰু কোনো ভয়ৰ কাৰণ নাই। আপুনি বীতশোক আৰু বীতৰাগ হৈ স্বপদত বিৰাজ কৰি থাকক। কেনেকুৱাকৈ চৰাচৰ জগৎ পানীৰ ঢৌৰ নিচিনা উঠিছে আৰু বিলীন হৈছে সেই-বিলাক সকলো তত্ত্বকথা আপোনাক বিতংভাৱে কোৱা হৈছে। আপুনি জানিবলগীয়া বিষয় জানিব পাৰিছে।

আপোনাৰ অপ্ৰাপ্য আৰ একো নাই। এতিয়া মোৰ এই উপদেশ হৃদয়ত ধাৰণ কৰি অচল-অটলভাৱে অৱস্থান কৰক। আজি বিশেষ পৰ্ব্বোপলক্ষে ব্ৰহ্মালোকত দেৱতা বিলাকৰ এখন সভা হব। তালৈ মোৰ পিতা নাৰদ মুনিও আহিব। মোক অনুপস্থিত দেখিলে তেওঁ মোৰ প্ৰতি কষ্ট হব। সেই কাৰণে মই এতিয়াই ব্ৰহ্মালোকলৈ যাওঁ।"

তেতিয়া ৰজাই হাতত ফুলৰ মালালৈ প্ৰণাম কৰিব খুজা মাত্ৰকে কুম্ভমুনিয়ে তৎক্ষণাৎ অন্তৰ্দ্ধান হৈ পৰিল। সপোনৰ নিচিনা ৰজাই আৰু কুম্ভমুনিক দেখা নাপালে— হাতৰ ফুলৰ মালা হাততে থাকি গ'ল। ৰজাই বিস্মিত হৈ চিত্ৰৰ দৰে অটলভাৱে বৈ থাকিল। তেওঁ মনে মনে ভাবিলে—"বিধিৰ কি আচৰিত লীলা! বিধাতাই ছদ্মবেশে মোক জ্ঞান দান কৰি গল। নহলে সেই নাৰদপুত্ৰ কুম্ভই বা ক'ত আৰু মই ৰজা শিখিধ্বজেই বা ক'ত! দেৱপুত্ৰৰ অকৃত্ৰিম উপদেশবিলাক বিশেষ যুক্তিপূৰ্ণ। ইমান দিনে মোহনিদ্ৰাত আভভূত হৈ আছিলোঁ। শীতলা, শুদ্ধা, শান্তিময়ী, প্ৰজ্ঞাদেৱীয়ে ৰসায়ণৰ নিচিনা মোৰ মন শীতল কৰি দিলে। মোৰ আৰ তৃণাগ্ৰ-পৰিমিত ও বাসনা নাই।"

বাসনাশূন্য হৈ ৰজা শিখিধ্বজে পাথৰৰ মূৰ্ত্তিৰ দৰে নিশ্চলভাৱে অৱস্থান কৰিলে। এইদৰে প্ৰবুদ্ধ হৈ ৰজাই আত্মাতে বিশ্ৰাম লাভ কৰিলে। বাহ্যজ্ঞান আৰু

জগৎজ্ঞান একেবাৰেই তিৰোহিত হোৱাত তেওঁ তুৰ্য্যাতীত অৱস্থাত আৰোহণ কৰি থাকিল। ইয়াকে বোলে সমাধিৰ অৱস্থা। এই অৱস্থাত মন বা ক্ৰিয়া নাথাকে।

সাধাৰণতে জ্ঞানৰ সাতোটা স্তৰ বা অৱস্থা আছে। এই অৱস্থাবিলাকক জ্ঞানভূমি বোলে। সেই সপ্তজ্ঞানভূমি যথাক্ৰমে এই—(১) শুভেচ্ছা ভূমি (২) বিচৰণা ভূমি (৩) ক্ষীণবাসনা ভূমি (৪) সত্বাপত্তি ভূমি (৫) আসক্তি-বিলয় ভূমি (৬) পদাৰ্থ-ভাৱনা ভূমি আৰু (৭) ব্ৰহ্মগামিনী বা তুৰ্য্যগা ভূমি। প্ৰথম ভূমিত ব্ৰহ্মলাভৰ ইচ্ছা হয়। দ্বিতীয় ভূমিত ব্ৰহ্মবিষয়ে বিচাৰ আৰম্ভ হয়। তৃতীয় ভূমিত বাসনা ক্ষীণ হবলৈ ধৰে। চতুৰ্থ ভূমিত শুদ্ধ আত্মাৰ উদয় হয়। পঞ্চম ভূমিত আত্ম-দৰ্শন লাভ হয়। ষষ্ঠ ভূমিত 'ময়েই ব্ৰহ্ম' এই জ্ঞানৰ আবিৰ্ভাব হয়। সপ্তম ভূমিত দ্বিত্বজ্ঞানৰ বিলয় হয়। এয়ে হৈছে জীৱন্মুক্তি বা আত্মাৰামৰ অৱস্থা। জ্ঞান এটি এটিকৈ স্তৰ অতিক্ৰম কৰি অৱশেষত স্বৰূপা-ৱস্থাত উপনীত হয়। যোগীয়ে যি ভূমিকাত আৰোহণ কৰি মৃত্যু হয় সেইৰূপ সংস্কাৰ লৈ পবিত্ৰাত্মা সাধুৰ গৃহত জন্ম গ্ৰহণ কৰে আৰু তাৰ পিচৰ ভূমিকাত উঠিবলৈ সক্ষম হয়। যোগীৰ কেতিয়াও পতন হবলৈ আশঙ্কা নাই।

চতুৰ্দ্দশ অধ্যায়

মদনিকা

কুম্ভমুনিৰ অন্তৰ্দ্ধান আৰু তেওঁৰ চমৎকাৰ হৃদয়গ্ৰাহী উপদেশৰ বিষয় চিন্তা কৰি থাকোঁতে ৰজাই সমাধিস্থ হ'ল। অইন দিনে কুম্ভই মায়াকল্পিত দেৱপুত্ৰৰ কায়া লজাই সুন্দৰ মনোহৰ ৰমণীমূৰ্ত্তি ধাৰণ কৰি ৰাজধানীত উপস্থিত হ'লগৈ। তাত মন্ত্ৰী আৰু আন আন বিষয়াবিলাকৰ লগত ৰাজকাৰ্য্য সম্পৰ্কে পৰামৰ্শ কৰি যাক যি দৰে দৰকাৰ সেই দৰে ৰাজকাৰ্য্য পৰিচালনাৰ নিমিত্তে উপদেশ দিলে। এই দৰে তিন দিন ৰাজকাৰ্য্য পৰিচালনা কৰি ৰাণী চূড়ালাই যোগবলে আকৌ কুম্ভৰ আকাৰ ধাৰণ কৰিলে। কুম্ভমুনিয়ে আকাশ পথেদি উৰি গৈ মন্দৰ পৰ্ব্বতৰ সেই শিখিধ্বজৰ আশ্ৰম পালেগৈ। তাত উপস্থিত হৈ তেওঁ দেখিলে যে ৰজাই তেতিয়াও সমাধিস্থ হৈ আছে।

কুম্ভমুনিয়ে বিবেচনা কৰি দেখিলে যে এতিয়াই যদি ৰজাৰ সমাধি ভঙ্গ কৰা নাযায় তেন্তে তেওঁ চিৰকালৰ নিমিত্তে দেহত্যাগ কৰিব পাৰে। তেনেকুৱা

হ'লে ৰজাই সপ্তম ভূমিত আৰোহণ কৰিব নোৱাৰিব আৰু জীৱন্মুক্তিৰ সুখ-ভোগৰ পৰা বঞ্চিত হব। ৰাজ্যতে থাকক বা কাননতে থাকক ৰজাই আৰু কিছুমান দিন জীয়াই থকা উচিত আৰু তাৰ পিচত দুয়োজনেই একেলগে মায়াৰ সংসাৰৰ পৰা চিৰবিদায় লব লাগিব। এইদৰে নিশ্চয় কৰি চূড়ালাই স্বামীৰ সম্মুখত বাৰ বাৰ বিকট সিংহনাদ কৰিবলৈ ধৰিলে। তথাপি ৰজাৰ সমাধি ভঙ্গ নহয়। তেতিয়া চূড়ালাৰ মনত সংশয় হ'ল,—কিজানি ৰজাই একেবাৰেই চকু মুদিলে। তেনেকুৱা হৈ থাকিলে চূৰালাই নিজেও নাৰীদেহ পৰিত্যাগ কৰি পৰমাত্মাত বিলীন হৈ যাবলৈ সংকল্প কৰিলে। তাৰ পিচত ধ্যানস্থা হৈ চূড়ালাই বুজিব পাৰিলে যে তেতিয়াও ৰজাৰ অন্তঃকৰণত সত্ত্বৰ আভাস বৰ্ত্তমান আছে। তেতিয়া তেওঁ যোগবলে ৰজাৰ অন্তৰত প্ৰৱেশ কৰি তেওঁৰ বাহ্যচেতনাৰ স্পন্দন কৰি দিলে। স্বামীৰ অন্তৰৰ পৰা বাহিৰলৈ ওলাই আহি চূড়ালাই কুম্ভবেশ ধাৰণ পূৰ্ব্বক স্বামীৰ কাষত বহি গুণ্ গুণ্ ৰবে সুললিত সুৰে সামগান গাবলৈ ধৰিলে। বসন্ত কালত পদুম-ফুলে যি দ'ৰে সজীৱহৈ উঠে সেই দৰে বেদধ্বনি শুনি ৰজাৰ সত্ত্বগুণশালিনী চিৎ সজাগ হৈ উঠিল। ৰজাই চকু মেলি দেখিলে যে ব্ৰহ্মচাৰীয়ে তেওঁৰ কাষত বহি বেদগান গাই

আছে। তেতিয়া তেওঁ পুলকিত চিত্তে কুম্ভৰ উদ্দেশ্যে পুষ্পাঞ্জলি দি কলে—"মোৰ বৰ সৌভাগ্য যে আপুনি পুনৰায় মোক দেখা দিবলৈ ইচ্ছা কৰিলে। পৰৰ উপকাৰ কৰাই মহাত্মাবিলাকৰ স্বভাৱ। মোক পবিত্ৰ কৰাৰ নিমিত্তেই আপুনি অনুগ্ৰহ কৰি আকৌ আবিৰ্ভাৱ হৈছে; নহলে ইয়াৰ আন কোনো কাৰণ হব নোৱাৰে।"

ৰজাৰ কথা শুনি কুম্ভই কলে—"হে আনন্দিত! মই স্বৰ্গলৈ গলেও মোৰ চিত্ত আপোনাৰ লগতে আছে। এই জগতত আপোনাৰ নিচিনা মোৰ বিশ্বাসী বন্ধু, সুহৃদ, সখি বা শিষ্য আন কোনো নাই। সেই কাৰণে ক্ষন্তেকৰ নিমিত্তেও আপোনাৰ সঙ্গ পৰিত্যাগ কৰিবলৈ মোৰ ভাল নালাগে।"

ব্ৰহ্মচাৰীৰ এনেকুৱা অকৃত্ৰিম ভালপোৱা কথা শুনি ৰজাই নিজক বৰ সৌভাগ্যৱান বুলি জ্ঞান কৰিলে আৰু কলে—"প্ৰভো! আপুনি নিজে সঙ্গাভিলাষী নহলেও যে মোৰ সঙ্গত থাকিবলৈ ভাল পায় বুলি প্ৰকাশ কৰিছে ই মোৰ পূণ্যৰ ফল। আপোনাৰ যদি স্বৰ্গত থাকিবলৈও অভিৰুচি নাই তেন্তে এই বন-বৃক্ষ শোভিত কাননতে মোৰ লগত থাকক। আপোনাৰ যুক্তিযুক্ত উপদেশ শুনি মই যি শান্তি লাভ কৰিছোঁ। এনেকুৱা বিশ্ৰাম-সুখ স্বৰ্গতো দুৰ্লভ। মোৰ আৰু কোনো

বিষয়তে অনুৰাগ নাই। আপোনাৰ অনুগ্ৰহতে মই ত্ৰিতাপৰ পৰা ত্ৰাণ পাইছোঁ।”

কুম্ভমুনি আৰু ৰজা শিখিধ্বজে পৰস্পৰে বিচিত্ৰ আধ্যাত্মিক বিষয়ৰ আলাপ আলোচনা কৰি মনৰ শান্তিৰে আঠ দিন কটালে। তাৰ পিচত সেই পৰ্ব্বত পৰিত্যাগ কৰি তেওঁলোকে বিবিধ কানন, বন, নদীতট, সৰোবৰ তীৰ্থ, গ্ৰাম, নগৰ পৰ্য্যটন কৰি ফুৰিলে। দুজনৰে সমান জ্ঞান, সমান ভাৱ, সমান উদ্যম। সদায় সমভাৱাপন্ন হৈ দুজনে মহানন্দে কালাতিপাত কৰিবলৈ ধৰিলে। ক্ৰমে দুজনৰ ভিতৰত বন্ধুভাৱ গাঢ় হৈ উঠিল। ৰাজধানীৰ কোলাহল বৰ্জ্জিত প্ৰকৃতিৰ শান্তিময় ৰাজ্যত মনৰ শান্তিৰে বিচৰণ কৰোঁতে দুজনৰে শৰীৰৰ কান্তি অপূৰ্ব্ব ৰূপ ধাৰণ কৰিলে। তেতিয়া চূড়ালাই মনে মনে ভাবিলে —“আমালোক দুজনেই জীৱন্মুক্ত। আমালোকৰ আৰু ভোগ-বাসনা নাই। কিন্তু জীৱন্মুক্ত মহাত্মাবিলাকে যথাপ্ৰাপ্ত ভোগ উপেক্ষা নকৰে। ভোগ কৰিলেও তেওঁলোকৰ মনৰ বিকাৰ নঘটে। তত্ত্বজ্ঞানী জীৱন্মুক্তবিলাকে যথাপ্ৰাপ্ত বিষয় ভোগ কৰি থাকে। গতিকে নিজৰ স্বামীৰ লগত অনিন্দনীয় ৰতিভোগ কৰা মোৰ পক্ষে দোষৰ কথা হব নোৱাৰে। ৰমণীয় নিৰ্জ্জন কাননত বিবাহিত স্বামীক পাই যি সতী তিৰোতাই স্বামীসম্ভোগ নকৰে তাক ধিক।”

এই দৰে বিচাৰ কৰি কুম্ভবেশধাৰী চূড়ালাই এটি বুদ্ধি সাজিলে। তেওঁ ৰজাক কলে যে চৈত্ৰ মাহৰ শুক্লা প্ৰতিপদ তিথিৰ দিনা স্বৰ্গপুৰীত দেৱৰাজ ইন্দ্ৰৰ এখন সভা হয়। তাতে তেওঁও পিতৃদেৱ নাৰদৰ ওচৰত উপস্থিত থকা উচিত। ৰজাক প্ৰবোধ দি তেওঁ কলে যে সেই দিনাই সন্ধ্যা বেলিকা তেওঁ আকৌ উভতি আহিব; কিয়নো স্বৰ্গতকৈ ৰজাৰ ওচৰত থকাহে তেওঁৰ পক্ষে বেছি প্ৰীতিকৰ। তেতিয়া ৰজাক কুসুম-মঞ্জৰী উপহাৰ দি ব্ৰহ্মচাৰীয়ে নভোমণ্ডলত আৰোহণ কৰিলে। তাৰ পিচত ৰজাৰ চকুৰ আৰ হ'লত তেওঁ চূড়ালাৰূপ গ্ৰহণ কৰি ৰাজধানীত প্ৰবেশ কৰিলে। ৰাজকাৰ্য্য সমাধা কৰি চূড়ালাই আকৌ কুম্ভৰূপ ধৰি ৰজা শিখিধ্বজৰ ওচৰত উপস্থিত হ'লগৈ।

ইবেলি কুম্ভমুনিয়ে খিন্নমনে ৰজাৰ কাষত আসন গ্ৰহণ কৰিলে। আগৰ দৰে তেওঁৰ মুখত প্ৰফুল্লতা আৰু মনত স্ফূৰ্ত্তি নাই। মুনিৰ বিষাদপূৰ্ণ মলিন মুখ দেখি ৰজাই নমস্কাৰ কৰি সুধিলে—"হে দেৱতনয়! আপোনাক ইমান বিমনা দেখা গৈছে কিয়? বিদিতবেদ্য আৰু পূৰ্ণব্ৰহ্মৰ সাক্ষাত লাভ কৰা লোক সকলে পদ্মফুল পানীত আৰ্দ্ৰ নোহোৱাৰ দৰে কোনো হৰ্ষ-বিষাদত কাতৰ নহয়। এনেকুৱা অৱস্থাত আপোনাৰ নিচিনা তত্ত্বজ্ঞৰ পক্ষে কি

কোনো কাৰণেই নহওক বিকাৰ প্ৰাপ্ত হোৱা আচৰিত কথা।”

ৰজাৰ কথাৰ উত্তৰত কুম্ভমুনিয়ে কলে—“হে বন্ধো! যেতিয়ালৈকে দেহ বৰ্ত্তমান তেতিয়ালৈকে হৰ্ষ-বিষাদ ভোগ কৰিবই লাগিব। চিত্তৰ সমতা ৰক্ষা কৰি দৈহিক কাৰ্য্য নিৰ্ব্বাহ কৰি যোৱাই তত্ত্বজ্ঞানীৰ অৱশ্য কৰ্ত্তব্য। পৰমেষ্ঠী প্ৰজাপতিয়েও দেহ ধাৰণ কৰি দুখভোগ কৰিব লগীয়াত পৰিছিল। এয়ে হৈছে নিয়তিৰ বিধান। অজ্ঞ আৰু অভিজ্ঞ উভয়বিধ মনুষ্যেই অলঙ্ঘণীয় নিয়তিৰ নিয়ম পালন কৰে। তত্ত্বজ্ঞানীবিলাকে বুদ্ধিৰে নিয়তিৰ আদেশ ভোগ কৰে। কিন্তু অতত্ত্বজ্ঞানীবিলাকে ক্ষোভ আৰু দুখেৰে সৈতে নিয়তিৰ আদেশ বহন কৰে।”

“হে বসুধাধিপ! বন্ধুৱে যদি বন্ধুৰ দুখৰ কথা জানিবলৈ ইচ্ছা প্ৰকাশ কৰে তেন্তে ভালেখিনি দুখৰ লাঘৱ হয়। আকৌ বন্ধুৰ আগত দুখৰ কাহিনী বিৱৰিলেও দুখৰ উপশম হয়। আপুনি মোৰ পৰম বন্ধু। সেই কাৰণে মোৰ দুখৰ কথা আপোনাৰ আগত খুলি কওঁ শুনক—“ইন্দ্ৰসভা ভঙ্গ হোৱাৰ পিচত পিতাৰ পৰা বিদায় লৈ মই গগনপথেদি আহিবলৈ ধৰিছিলোঁ। এনেতে দেখিলোঁ যে দুৰ্ব্বাসা মুনিয়ে মেঘৰ বসন আৰু বিজুলীৰ বলয় পৰিধান কাৰ অতিবেগে কোনোবা পিনে

ধাবলৈ ধৰিছে। মই তেওঁক নমস্কাৰ কৰি কলোঁ। যে নীলবসন পৰিধান কৰোঁতে তেওঁক অভিসাৰিকা নাৰীৰ নিচিনা দেখুৱাইছে। সেই কথাত কুপিত হৈ দুৰ্ব্বাসা মুনিয়ে মোক শাপ দিলে যে মই ৰাতি স্তনকেশৱতী হাৱভাৱবিলাসৱতী ৰমণী হব লাগিব। হায়! অদৃষ্টৰ কি বিড়ম্বনা! মই যুবা বিলাকৰ কামৰ সামগ্ৰী হৈ পৰিলোঁ। মোৰ এনেকুৱা ৰমণী মূৰ্ত্তি দেখিলে ডেকা-বিলাকে মোক মন্দ চকুৰে চাব আৰু নানা ভাৱে বিদ্ৰূপ কৰিব! মই পিতাৰ আগত বা মুখ উলিয়াম কেনেকৈ? দৈৱৰ কি বিচিত্ৰ গতি! যিকিনহওক এই পৰি-বৰ্ত্তনৰ বাবে খেদ কৰা উচিত নহব। কিয়নো দেহ আত্মাৰ পৰা পৃথক আৰু দেহৰ পৰিবৰ্ত্তনত দেহীৰ কোনো ক্ষতি বৃদ্ধি নাই।

ব্ৰহ্মচাৰীৰ সান্ত্বনা সূচক কথা শুনি ৰজা শিখিধ্বজে সম্বোধন কৰি কলে—"হে দেৱতনয়! আপোনাৰ এই শেষৰ কথাই সাৰ। আত্মতত্ত্বজ্ঞবিলাকে দৈহিক পৰি-বৰ্ত্তনৰ বাবে বিচলিত নহয়। আপোনাৰ দৰে তত্ত্বজ্ঞই যদি সুখ দুখত অধীৰ হয় তেন্তে আনলোকৰ কি অৱস্থা হব? আপুনি আত্মজ্ঞানৰ বলেৰে সমতা ৰক্ষা কৰি আগতে যি দৰে আছিল এতিয়াও সেই দৰেই অৱস্থান কৰক।"

দুজনে এইদৰে পৰস্পৰে পৰস্পৰক প্ৰবোধ দি থাকোঁতেই বেলি মাৰ গ'ল। তেতিয়া তেওঁলোকে সচৰাচৰ যি দৰে কৰি থাকে সেইদিনাও সেইদৰেই স্নান আৰু সন্ধ্যা বন্দনাদি দৈনিক কাৰ্য্য সমাধা কৰিলে। তাৰ পিচত কুম্ভমুনিৰ শৰীৰত ক্ৰমে ৰমণীৰ চিহ্ন দেখা দিবলৈ ধৰিলে। দেখোতে দেখোঁতে কুম্ভমুনিয়ে সম্পূৰ্ণ-ৰূপে পৰিবৰ্ত্তিত কৰি স্তন কেশৱতী মোহিনী ৰমণী মূৰ্ত্তি ধাৰণ কৰিলে। নানাবিধ বসন, ভূষণ, মালা পাটৰ কাপোৰ আৰু ৰত্নালঙ্কাৰে তেওঁৰ অঙ্গ-শোভা দ্বিগুণিত কৰি তুলিলে। তত্ত্বজ্ঞানী কুম্ভমুনিয়ে দুৰ্ব্বাসাৰ শাপত পৰি এইদৰে মদনিকাৰূপে পৰিণত হ'ল। ব্ৰহ্মচাৰীয়ে লাজতে তলমূৰ কৰিলে। মহাসত্ত্বসম্পন্ন কুম্ভমুনিৰ এনেকুৱা দুৰ্দ্দশা দেখি দুই বন্ধুৱে বৰকৈ খেদ কৰিলে। কিন্তু তত্ত্বজ্ঞানৰ সহায়েৰে ধৈৰ্য্যাবলম্বন পূৰ্ব্বক পৰস্পৰে পৰস্পৰক আশ্বস্ত কৰি সমভাৱে অৱস্থান কৰিলে।

দুই বন্ধুৱে আগৰদৰে সাধাৰণভাৱে আত্মতত্ত্ব বিষয়ে আলাপ আলোচনা কৰি কিছুদিন কটালে। তাৰ পিচত তেওঁলোকে দেশভ্ৰমণ কৰিবলৈ মন কৰিলে। দিনত কুম্ভমুনিৰূপে আৰু ৰাতি মদনিকাৰূপে চূড়ালাই

স্বামীৰ লগত কৈলাশ, মন্দৰ, সুমেৰু পৰ্ব্বতৰ নানা ৰম্য ঠাইত পৰমানন্দে বিচৰণ কৰিবলৈ ধৰিলে। কিন্তু এইদৰে থাকিলেও তেওঁলোকৰ যোগ-শক্তি স্খলিত হোৱা নাছিল।

পঞ্চদশ অধ্যায়

লীলা-বিবাহ

ৰাণী চূড়ালাই দিনৰ ভাগত কুম্ভমুনিৰূপে ৰজাৰ লগত আত্মতত্ত্ব সমন্ধে আলোচনা কৰি আৰু ৰাতি মদনিকাৰূপে থাকি কিছুদিন কটালে। তাৰ পিচত এদিনাখন মদনিকাই ৰজাক সম্বোধন কৰি কলে—"হে ৰাজীব-লোচন! মোৰ মনত এটি বিশেষ কথাৰ উদয় হৈছে। মই ৰাতি সাদয় অঙ্গনাবেশে থাকোঁ। এতিয়া অঙ্গনা ধৰ্ম্ম পালন কৰিবলৈ মোৰ ইচ্ছা হৈছে। এই ত্ৰিজগতৰ ভিতৰত মই অপোনাকে একমাত্ৰ বন্ধু বুলি ভাবোঁ। সেইকাৰণে আপোনাকে মই পতি বুলি মনৰ লগত ভাবিছোঁ। আপোনাৰ লগতে প্ৰণয়সূত্ৰে আৱদ্ধ হবলৈ মই মন কৰোঁ! মোৰ বিশেষ অনুৰোধ এই যে আপুনি মোক ৰাতি ভাৰ্য্যাৰূপে গ্ৰহণ কৰিব। বিনা চেষ্টাতে যি ভোগ উপস্থিত হয়, ইচ্ছা অনিচ্ছাৰ বশবৰ্ত্তী নোহোৱাকৈ তাক ভোগ কৰি যোৱাই উচিত। মই আশা কৰোঁ আপুনি এই বিষয়ত বিঘ্নকৰ নহব।

শিখিধ্বজ—"হে সখে! আপোনাৰ এই কাৰ্য্যত মই শুভ বা অশুভ একো নেদেখোঁ। মই সমতাপ্ৰাপ্ত চিত্তে এই ত্ৰিজগতকে আত্মস্বৰূপ জ্ঞান কৰোঁ। গতিকে আপোনাৰ অভিৰুচিমতে কাৰ্য্য হোৱাত মোৰ কোনো আপত্তি নাই।"

মদনিকা—"হে মহীপাল! যদি আপোনাৰ অভিপ্ৰায় সেয়ে হয় তেন্তে আজি নিশাতে এই শুভ পৰিণয় সমাধা কৰা যাওক। মই গণনা কৰি দেখিছোঁ যে আজি শ্ৰাৱণী পূৰ্ণিমা আৰু শুভলগ্ন আছে। গতিকে এই শুভলগ্ন মতে যাতে বিবাহ হয় তাৰ বাবে আমি দুজনে মিলি আয়োজন কৰোঁ আহক।

এইদৰে কথা-বাৰ্ত্তা হৈ ৰজা আৰু মদনিকাই মহেন্দ্ৰ পৰ্ব্বতৰ শৃঙ্গত থকা এটি মনোহৰ মণিময় মন্দিৰত বিবাহৰ আয়োজন কৰিলে। মদনিকাই যোগবলে বিবাহৰ লাগতিয়াল বস্তু-বাহানি যেনে—মণি-মাণিক্য, বস্ত্ৰালঙ্কাৰ বসন-ভূষণ ধূপ, দীপ, তিল, আখৈ, সুগন্ধি চন্দন আদি নানা দ্ৰব্য আনি ভাগে ভাগে ৰাখি দিলে। তাৰ পিচত সন্ধ্যা হলত মদনিকাই মানহেৰ ৰমণী মূৰ্ত্তি ধাৰণ কৰিলে। মন্দাকিনীৰ নিৰ্ম্মল জলত স্নান কৰি দুই বন্ধুৱে সন্ধ্যা তপ আদি দৈনিক কৰ্ম্ম সমাধা কৰিলে। তাৰ পিচত ৰজাক চন্দন অগৰু, কৰ্পূৰ, হাৰ কেয়ুৰ আৰু মালাৰে

বিভূষিত কৰিলে। নিজেও বিবাহোপযোগী বসন, ভূষণ আৰু ৰত্নালঙ্কাৰে পৰিশোভিত হৈ দুজনে বিবাহ বেদীত উপবেশন কৰিলে। যথাসময়ত পূজা হোম আদি বৈদিক ক্রিয়াদি সমাধা কৰি অৱশেষত লাজাহুতি প্রদান পূর্ব্বক তিনিবাৰ অগ্নিক প্রদক্ষিণ কৰিলে। এইদৰে প্রণয়ডোলে আৱদ্ধ হৈ সেই নবদম্পতিযুগলে মহানন্দে কালাতিপাত কৰিবলৈ ধৰিলে।

কেইমাহমান স্বামী স্ত্রীভাৱে ইচ্ছামতে নানা ঠাইত বিহাৰ কৰি ফুৰিলে। তাৰ পিচত এদিনাখন মদনিকা-ৰূপিণী চূড়ালাই ৰজাৰ বিষয় ভোগত কিমান আসক্তি আছে তাকে পৰীক্ষা কৰি চাবলৈ মন কৰিলে। সেই অনুসাৰে চূড়ালাই মায়াবলে দেৱৰাজ ইন্দ্রক আনি সেই কাননত উপস্থিত কৰালে বনবাসী শিখিধ্বজে ইন্দ্রক সম্মুখত দেখি যথাবিধি তেওঁৰ পূজা কৰিলে। তাৰ পিচত ৰজাই ইন্দ্রক সম্বোধন কৰি সুধিলে—“হে দেৱৰাজ! বহু কষ্টস্বীকাৰ কৰি আপোনাৰ এই ঠাইলৈ অহাৰ উদ্দেশ্য কি?” তেতিয়া ইন্দ্রই কলে—“হে মহাৰাজ শিখিধ্বজ! আপোনাৰ গুণাৱলীৰ বিষয় জানিব পাৰি আপোনাক স্বর্গলৈ নিবৰ নিমিত্তে মই নিজেই ৰথ লৈ আহিছোঁ। স্বর্গত নানা প্রকাৰ ভোগ আছে। দেৱাঙ্গনাবিলাকে আপোনাৰ নিমিত্তে বাটচাই আছে। আপোনাৰ নিচিনা

গুণশালী লোকৰ নিমিত্তেই স্বৰ্গভোগৰ ব্যৱস্থা। স্বৰ্গলৈ যাবৰ নিমিত্তে পাদুকা-সাধন গুটিকা-সাধন আদি উপায় আছে। তাৰে যি কোনো উপায়েৰে আপুনি স্বৰ্গলৈ যাব পাৰে। আপুনি অমৰাৱতী পৱিত্ৰ কৰক।”

দেৱৰাজ ইন্দ্ৰৰ এনেকুৱা প্ৰলোভন বাক্যত ভোল নগৈ ৰজা শিখিধ্বজে কলে—“হে দেৱাধিনায়ক! মই সকলোকে স্বৰ্গৰ নিচিনা দেখোঁ আৰু সকলো ঠাইতে স্বৰ্গসুখ অনুভৱ কৰোঁ। মনত কোনোৰূপ বাঞ্ছা নথকাৰ নিমিত্তে মই য'তে থাকোঁ সেয়ে মোৰ পক্ষে স্বৰ্গ। স্বৰ্গ মোৰ মনত অতি তুচ্ছ। সেই কাৰণে স্বৰ্গলৈ যাবৰ নিমিত্তে মোৰ কামনা নাই।” যেতিয়া দেৱৰাজ ইন্দ্ৰই দেখিলে যে স্বৰ্গ ভোগলৈকে-শিখিধ্বজৰ অভিলাষ নাই তেতিয়া তেওঁ কুম্ভমুনিক আশীৰ্ব্বাদ দি তাতেই অন্তৰ্দ্ধান হ'ল।

ষোড়শ অধ্যায়।

চূড়ালাৰ আত্মপ্ৰকাশ।

ইন্দ্ৰৰ প্ৰলোভন বাক্যেও ৰজাক বিচলিত কৰিব নোৱাৰা দেখি চূড়ালাই মনে মনে বৰ আনন্দ উপ-ভোগ কৰিলে। তথাপি ৰজাক আৰু এবাৰ পৰীক্ষা কৰি চাবলৈ চূড়ালাই মন কৰিলে। সেই উদ্দেশ্যে তেওঁ এটি ৰাগদ্বেষময় বুদ্ধি মোহকাৰী ঘটনাৰ অৱ-তাৰণা কৰিলে। এদিনাখন সন্ধ্যাবেলিকা যেতিয়া নানা জাতীয় ফুলৰ সৌৰভ গ্ৰহণ কৰি মৃদুমন্দ সমীৰণ ববলৈ ধৰিছে তেতিয়া ৰজা শিখিধ্বজে নৈৰ পাৰত বহি সন্ধ্যা-জপ কৰিবলৈ ধৰিলে। এই অৱসৰতে মদনিকাই ওচৰৰ এজোপা লতাকুঞ্জৰ ভিতৰত প্ৰবেশ কৰি এজন সন্মুখ নিৰ্ম্মিত যুবা পুৰুষৰ গলত সাৱট মাৰি ধৰি কামাতুৰ ভাৱে কুসুম-শয্যাত শয়ন কৰি থাকে। সন্ধ্যাজপ সমাধা হলত ৰজাই ইপিনে সিপিনে চকু ফুৰাই মদ-নিকাক দেখা নেপালে। এখোজ দুখোজকৈ ইতঃ স্ততঃ ভ্ৰমণ কৰি ফুৰোঁতে ৰজাৰ চকু সেই লতাকুঞ্জৰ ভিত-ৰত পৰিল। ৰজাই দেখিলে যে মদনিকা আৰু এজন

যুবা পুৰুষ পুষ্পমাল্যে ভূষিত হৈ পুষ্প-শয্যাত মহানন্দে শুই আছে। এনেকুৱা দৃশ্য দেখিও ৰজাৰ মন অলপো বিচলিত নহ'ল। তেওঁলোকৰ কামভোগ চৰিতাৰ্থ কৰাত কোনো প্ৰকাৰ বিঘিনি নঘটাই ৰজাই নিৰ্ব্বিকাৰ চিত্তে সেই ঠাইৰ পৰা লাহে লাহে আঁতৰি পৰিল আৰু দূৰৈত থকা শিলাখণ্ডৰ তলত বহি সমাধিস্থ হৈ থাকিল।

ৰজাই সেইদৰে আঁতৰি যোৱাৰ পিচত কামিনী মদনিকাই সেই লতাকুঞ্জৰপৰা ওলাই আহিল আৰু লাজতে তলমূৰ কৰি ধ্যানস্থ ৰজাৰ কাষত থিয় হৈ থাকিল। ধ্যানান্তে ৰজাই দেখিলে যে মদনিকাই আলুথালু বেশে খিন্নমনে থিয় হৈ আছে-মুখত মাত বোল নাই। তেতিয়া ৰজাই ৰাগদ্বেষ বিহীন ভাৱে অত্যন্ত মধুৰ বচনে ক'লে—"হে কৃশাঙ্গি! তুমি তোমাৰ আনন্দ উপভোগত বাধা দি ইমান সোনকালে আহিলা কিয়? জগতৰ সকলো প্ৰাণীয়ে এনেকুৱা আনন্দৰ বাবে সদায় যত্নৱান। তোমাৰ এই প্ৰণয় ঘটনাত মই অকণো বিচলিত হোৱা নাই। দুৰ্ব্বাসাৰ শাপত ৰমণী হৈ তোমাৰ যি অভিলাষ হয় তাকেই তুমি নিৰুদ্বিগ্নচিত্তে কৰিব পাৰা। তুমি আকৌ উভতি গৈ সেই কান্তৰ লগত প্ৰণয় সম্ভোগ কৰাগৈ। মোৰ মনত তুমি আগতে যি

তত্ত্বজ্ঞ কুম্ভমুনি আছিলা এতিয়াও সেইদৰেই থাকিবা মই যেনে বীতৰাগ তুমিও তেনে বীতৰাগ। আমালোকৰ কোনো উদ্বেগৰ কাৰণ নাই।

ৰজাৰ এনেকুৱা অকৃত্ৰিম সৰল কথা শুনি মদনিকাই কলে—"হে মহাভাগ! ৰমণীবিলাক স্বভাৱতে চঞ্চলা। শাস্ত্ৰত লিখা আছে যে তিৰোতাবিলাকৰ কামভাব আঠগুণ। আপুনি সন্ধ্যা-জপ কৰি থাকোঁতে মই অকল বায়ু সেবন কৰি বনৰ ভিতৰত ফুৰি আছিলোঁ। নিৰ্জ্জন ঠাইৰ ভিতৰত মোক অকলে পাই সেই উপপতিজনে মোৰ ওচৰত প্ৰেম ভিক্ষা কৰিলে। অবলা ৰমণী মই নিৰুপায় হৈ সন্মত হলোঁ। মই আপোনাৰ বৰ অপৰাধ কৰিছোঁ। অবলা নাৰী বুলি মোৰ সকলো অপৰাধ ক্ষমা কৰক।"

মদনিকাৰ কাতৰ প্ৰাৰ্থনা শুনি ৰজাই কলে—— "হে সুন্দৰি! আকাশত যিদৰে গছ নগজে সেইদৰে মোৰ মনতো ক্ৰোধৰ উদয় নহয়। কিন্তু সাধুলোকৰ নিন্দাৰ কাৰণ হব পাৰে বুলি মই তোমাক ভাৰ্য্যাৰূপে গ্ৰহণ কৰিব নোৱাৰোঁ। আগৰদৰে এতিয়াও তুমি সুহৃদৰূপে মোৰ সহচৰ হৈ থাকিবা। আমালোকে বীতৰাগ হৈ সদায় সমভাৱে অৱস্থান কৰিম। তুমি তোমাৰ মনৰ পৰা সকলো প্ৰকাৰৰ উদ্বেগ আঁতৰাই পেলোৱা।"

উক্তৰূপে আশ্বাস দি ৰজাই সমভাৱে অৱস্থান কৰিলে। চূড়ালাই দেখিলে যে ৰজাই সম্পূৰ্ণৰূপে সমতা লাভ কৰিছে। ৰজাই এতিয়া একেবাৰে ৰাগ-দ্বেষবিহীন আৰু জীৱন্মুক্ত হৈছে। সুখ-দুখ, বিপদ-সম্পদ, ভোগ-অভোগ একোৱেই ৰজাৰ মনক বিচলিত কৰিব নোৱাৰে। ৰজা স্বয়ং নাৰায়ণৰ নিচিনা হৈছে। এনেকুৱা অৱস্থাত আৰু কালহৰণ নকৰি আত্ম-বৃত্তান্ত সোঁৱৰাই দিয়াই উচিত। উদ্দেশ্য সধান হৈছে যেতিয়া আৰু আত্ম-গোপন কৰাৰ দৰকাৰ নাই। এইদৰে নিশ্চয় কাৰ কুম্ভই মদনিকাৰূপ পৰি-ত্যাগ কৰিলে আৰু অক্ষত চূড়ালাৰূপ ধাৰণ কৰি ৰজাৰ আগত দেখা দিলে। নিজৰ প্ৰিয়তমা পত্নীক এইদৰে হঠাৎ সশৰীৰে ওচৰতে দেখা পাই ৰজাই আচৰিত মানি ভাবিলে যেন বসন্তৰ পদ্ম ফুটিছে, খনিৰ পৰা ৰত্ন ওলাই পৰিছে, নতুবা মাটিৰ ভিতৰৰ পৰা স্বয়ং লক্ষ্মী বাহিৰ হৈছে।

ৰজাই ৰাণী চূড়ালাক বহুদিন আগতে শুই থকা অৱস্থাত অন্তঃপুৰত এৰি আহিছিল। ইমানদিন ৰাণীৰ লগত ৰজাৰ লগত কোনো দেখা সাক্ষাত হোৱা নাই। এতিয়া হঠাৎ ৰাণীক সশৰীৰে ৰাজধানীৰ পৰা বহুত দূৰৈত দুৰ্গম অৰণ্যৰ ভিতৰত আবিৰ্ভাৱ হোৱা দেখি ৰজাই ইমান

বিমোৰত পৰিছিল যে তেওঁ নিজ চকুৰে যি দেখা পালে তাক বিশ্বাস কৰিবলৈ টান পাইছিল। সেই কাৰণে ৰজাই নিতান্ত অপৰিচিতাৰ দৰে ৰাণীক সুধিলে—“হে সুন্দৰি ! তুমি কোন আৰু কৰপৰা আহিছা ? কিমান সময় তুমি ইয়াত এইদৰে আছা ? ইয়াতে অহাৰে বা তোমাৰ উদ্দেশ্য কি ? তোমাৰ শৰীৰৰ গঠন আৰু ভাব-ভঙ্গী ঠিক মোৰ প্ৰিয়তমা পত্নী চূড়ালাৰ নিচিনাই। তুমি জানো সঁচাকৈ মোৰ পত্নী চূড়ালা ? নতুবা কোনো বন দেৱীয়ে মোক প্ৰতাৰণা কৰিবলৈ এইৰূপে দেখা দিছা ?”

ৰজাৰ ভাব বুজি চূড়ালাই কলে—“হে প্ৰভু ! আপোনাৰ অনুমান ঠিক। মই আপোনাৰ পত্নী চূড়ালা—ইয়াত কোনো সন্দেহ নাই। আপুনি যাতে আত্ম জ্ঞান লভি পৰমা গতি লাভ কৰিব পাৰে তাৰে বাবেই মই কুম্ভাদি দেহ ধাৰণ কৰিছিলোঁ। সেই উদ্দেশ্যেই মই ইমান দিন আপোনাৰ লগতে এই অৰণ্যত বাস কৰি ইমান বিলাক কাণ্ড-কাৰখানা কৰিছিলোঁ। আপুনি যি দিনাখন মোহৰ অধীন হৈ আত্মীয় স্বজনেৰে সৈতে ৰাজ্য-ত্যাগ কৰি তপস্যাৰ নিমিত্তে গভীৰ নিশা অন্তঃপুৰৰ পৰা ওলাই আহে তেতিয়াৰ পৰাই মই আপোনাৰ জ্ঞানোদয়ৰ নিমিত্তে সদায় যত্নবান

আছোঁ। নাৰদপুত্ৰ কুম্ভৰূপ ধাৰণ কৰি ময়েই আপোনাক আত্মতত্ব সম্বন্ধে উপদেশ দিছিলোঁ। এই কুম্ভৰূপ আৰু আন আন যিবিলাক ঘটনা দেখিছে সেই সকলো বোৰেই মায়া কল্পিত। যোগবলে মায়াইন্দ্ৰক আবিৰ্ভূত কৰাই ময়েই আপোনাক পৰীক্ষা কৰি চাইছিলোঁ যে বিষয়ভোগত আপোনাৰ আসক্তি আছে নে নাই। মদনিকাৰূপে ময়েই আপোনাক পুনঃ-বিবাহ কৰিছিলোঁ। যি উপপতিৰ লগত মোক ফুল-শয্যাত শুই থকা দেখিছিল সি মায়াকল্পিত। আপুনি সম্পূৰ্ণৰূপে সমতা লাভ কৰিব পাৰিছে নে নাই তাকে পৰীক্ষা কৰাৰ নিমিত্তে সেইবোৰ কৰা হৈছিল। আপোনাক প্ৰবোধিত কৰাৰ নিমিত্তেই এইবিলাক ঘটনাৰ অৱতাৰণা কৰা হৈছিল। আপুনি এতিয়া বিদিতবেদ্য হৈছে। নিজৰ ধ্যান বলে আপুনি আদ্যোপান্ত সকলো কথাকে অবগত হব পাৰিব।"

ৰজাই তেতিয়া ধ্যানস্থ হৈ ৰাজ্যত্যাগৰপৰা আৰম্ভ কৰি চূড়ালাৰ এই অকস্মাৎ দৰ্শনলৈকে সমুদায় ঘটনাকে পৰিষ্কাৰৰূপে জানিব পাৰিলে তেতিয়া ৰজাই পৰম পুলকিত হৈ চূড়ালাক গাঢ় আলিঙ্গন কৰিলে। তেওঁৰ চকুৰপৰা অজস্ৰধাৰে আনন্দাশ্ৰু বৰলৈ ধৰিলে। এই অভাবনীয় মিলনত তেওঁলোকৰ অন্তৰত যি ভাবৰ উদয় হৈছিল সি বৰ্ণনাৰ অতীত।

কিছু পৰ নিৰ্ব্বাকভাৱে গাঢ় আলিঙ্গন কৰি থকাৰ পিচত ৰজাই সাদৰেৰে মাত লগাই কলে—"হে মোৰ মৰমৰ চূড়ালা! তোমাৰ শৰীৰ অত্যন্ত কোমল— বনবাসৰ নিমিত্তে নিতান্ত অনুপযুক্ত। তথাপি তুমি নিজৰ দুখ-কষ্টৰ প্ৰতি আওকাণ কৰি তোমাৰ স্বামীৰ হিতৰ কাৰণে হিংস্ৰজন্তু সমাকুল দুৰ্গম অৰণ্যত বাস কৰি দাৰুণ ক্লেশ ভোগ কৰিছা। তোমাৰ গুণতে মই দুস্তৰ সংসাৰ-কূহকৰ পৰা উদ্ধাৰ হলোঁ। অৰুন্ধতী শচী, গৌৰী, গায়ত্ৰী লক্ষ্মী আৰু সৰস্বতীও তোমাৰ লগত তুলনীয়া হব নোৱাৰে। কুলৰমণীবিলাকে স্বামীক মহা-মোহৰপৰা উদ্ধাৰ কৰিব পাৰে। স্নেহৱতী কুলকামিনীবিলাক একেলগে স্বামীৰ সখি, ভ্ৰাতা, সুহৃদ, মিত্ৰ, ভৃত্য আৰু গুৰু স্বৰূপা। সেইকাৰণে কুলাঙ্গনাবিলাক সকলোৰে পূজনীয়া। তোমাৰ গুণতে মই পৰম পদাৰ্থ লাভ কৰিলোঁ। তুমি মোৰ গুৰু। মই তোমাক সত সহস্ৰবাৰ নমস্কাৰ কৰোঁ। তোমাৰ গুণত মই ইমান দিনৰ মূৰত নিজক জানিব পাৰিলোঁ। মই ৰজা নহয়। মই এতিয়া শান্ত, স্বচ্ছ মৃদু, বীতৰাগ আৰু নিৰৱশ হৈছোঁ। মই এতিয়া আকাশৰ নিচিনা সৰ্ব্বগামী আৰু সৰ্ব্বগত। মোৰ কোনো পৰিবৰ্ত্তন নাই—মই যি সেই হৈছোঁ। হে সুন্দৰি!

মই এতিয়া তুষ্টও, খিন্নও নহয়, এইও নহয়, সেইও নহয়, স্থূলও নহয়, সূক্ষ্মও নহয়—মই সত্যস্বৰূপ হৈছোঁ। হে বিশালাক্ষি ! তোমাৰ প্ৰসদাতে ভৱসাগৰৰ পৰা উত্তীৰ্ণ হলোঁ। সেই কাৰণে তুমি মোৰ গুৰু, মই তোমাক নমস্কাৰ কৰোঁ।”

সপ্তদশ অধ্যায়

পুনৰাভিষেক

ৰজা! শিখিধ্বজে আত্মজ্ঞান লাভ কৰি যে সম্পূৰ্ণৰূপে সমতা প্ৰাপ্ত হৈছে সেই বিষয়ে চূড়ালাৰ মনত কোনো সন্দেহ নাই। তেতিয়া চূড়ালাই কলে—"হে হৃদয়প্ৰিয়! আপুনি যদি কোবাদৰে সমতা লাভ কৰিছে তেন্তে ভবিষ্যত সম্বন্ধে আপোনাৰ অভিপ্ৰায় কি? আপুনি ভবিষ্যতে ক'ত কিদৰে কাল কটাব বুলি ভাবিছে?"

শিখিধ্বজ—"হে পতিব্ৰতে! মোৰ আৰু ভাল বেয়া একো নাই। তুমি মোক যিদৰে বুজাইছা মই সেইদৰেই বুজিছোঁ। মোৰ নিন্দা বা প্ৰশংসা একোৱেই নাই। এতিয়া তুমি যি ভাল বিবেচনা কৰা সেয়ে হওক।"

চূড়ালা—"হে হৃদয়েশ্বৰ! যদি সেয়ে আপোনাৰ অভিমত হয় তেন্তে মোৰ অভিপ্ৰায় কি কও শুনক। আমালোক দুজনৰ মূৰ্খতা নাশ হৈছে। আমালোকে চিন্ময় আত্মস্বৰূপ হৈছোঁ। সেই কাৰণে আমালোকৰ উচিত বা অনুচিত ভাল বা বেয়া একো নাই। এতিয়া আমালোকে জীৱনৰ

বাকী কেই দিন মোহমুক্ত আৰু নিৰ্লিপ্তভাৱে ৰাজ্যভোগ কৰি অৱশেষত দুজনেই বিদেহমুক্তি লাভ কৰিম।"

চূড়ালাৰ অভিপ্ৰায় বুজি ৰজাই কলে—"তুমি সম-বুদ্ধিৰদ্বাৰা যি কৰিবলৈ ভাবিছা সেয়ে যুক্তি-যুক্ত কথা। আমালোকৰ পক্ষে ৰাজ্যত্যাগ আৰু ৰাজ্যগ্ৰহণ এক সমান। গতিকে তোমাৰ অভিপ্ৰায় অনুসাৰেই কাৰ্য্য হওক।"

ৰজা আৰু ৰাজমহিষীয়ে এইদৰে ভবিষ্যত কৰ্ম্মপন্থা ঠিক কৰি লৈ সেই নিশা মন্দৰ পৰ্ব্বতত মনৰ আনন্দে কটালে। পিচ দিনা পুৱা টোপনিৰপৰা উঠি দুয়োজনে নিত্য কৰণীয় সন্ধ্যা আহ্নিক সমাপন কৰিলে। চূড়ালাই সংকল্পমনে ৰত্নৰ কহলত সাত সগৰৰ পানী ভৰাই মহেন্দ্ৰ পৰ্ব্বতৰ সেই মণিময় কন্দৰতে ৰজাক অভিষিক্ত কৰিলে আৰু স্বৰ্ণসিংহাসন স্থাপন কৰি সেই অৰণ্যতে ৰজাক পাটত বহুৱালে। ৰজায়ো নিজ মহিষী চূড়ালাক সৰো-বৰৰ নিৰ্ম্মল জলত স্নান কৰাই লৈ তেওঁক দেবীপদত অভিষিক্ত কৰিলে। চূড়ালাই আকৌ সংকল্পবলে সেই অৰণ্যৰ ভিতৰতে হাতী, ঘোৰা ৰথ, সৈন্য, সামন্তও যোগাৰ কৰিলে।

ৰজা শিখিধ্বজ আৰু ৰাণী চূড়ালাই সুসজ্জিত হাতীৰ ওপৰত উঠি সৈন্য-সামন্ত সৈতে মহা সমাৰোহেৰে মহেন্দ্ৰ পৰ্ব্বত পৰিত্যাগ কৰি স্বৰাজলৈ যাত্ৰা কৰিলে।

কৰিলে। বাটত বহু নদ নদী পৰ্ব্বত কানন দেখি তেওঁ- লোকে বৰ আহ্লাদিত হৈছিল। পুৰবাসীবিলাকে ৰজা অহাৰ বাতৰি চূড়ালাৰপৰা আগতে পাইছিল। তেওঁ- লোকে ধ্বজ-পতাকা আদিৰে নগৰখন অতি মনোৰম কৰি সজাই ৰাখিছিল। ৰজা আৰু ৰাণীয়ে নগৰৰ ভিতৰত প্ৰৱেশ কৰা মাত্ৰকে পুৰবাসীবিলাকে আখৈ আৰু পুষ্পা- ঞ্জলি বৰ্ষণ কৰি তেওঁলোকক অভ্যৰ্থনা জনালে। ৰজায়ো ৰাজভক্ত প্ৰজাবিলাকক সমাদৰ জনাইছিল আৰু সাত- দিন উৎসৱ ঘোষণা কৰি প্ৰজাবৰ্গক আমোদ-প্ৰমোদ কৰিবলৈ উৎসাহ দিছিল।

জীৱন্মুক্ত ৰজা শিখিধ্বজে ভয়, বিষাদ, অভিমান আৰু বিদ্বেষ পৰিশূন্য হৈ অনাসক্তভাৱে দহ হেজাৰ বছৰ শান্তিৰে ৰাজত্ব কৰিলে। তেওঁৰ ৰাজত্বৰ কালত ৰাজ্যত কোনো প্ৰকাৰ যুদ্ধ-বিগ্ৰহ বা মাৰী-মৰক হোৱা নাছিল। প্ৰজাসকলে শান্তিৰে কাল কটাইছিল। ৰাজ্যৰ কেন্দ্ৰস্বৰূপ আত্মজ্ঞানী ৰজাৰ প্ৰভাৱত প্ৰজাবিলাকো ধৰ্ম্মপ্ৰাণ হৈ উঠিছিল। অৱশেষত প্ৰাৰব্ধ কৰ্ম্ম শেষ কৰি মহাৰাজ শিখিধ্বজ আৰু ৰাণী চূড়ালাই তৈলহীন দীপৰ নিচিনা নিৰ্ব্বাণপদ লাভ কৰিলে।

বুদ্ধিমতী আৰু জ্ঞানৱতী চূড়ালাৰ গুণত মহামতি শিখিধ্বজে অনাসক্তভাৱে সংসাৰৰ বিবিধ ভোগ ভুঞ্জিও

পৰমপদ লাভ কৰিব পাৰিছিল। তেওঁ ভয়, বিষাদ, মান মাৎসৰ্য্যৰপৰা মুক্ত হৈ সমবুদ্ধিৰদ্বাৰা সুদীৰ্ঘকাল ৰাজত্ব কৰিছিল আৰু আত্মজ্ঞানেৰে বলীয়ান হৈ মৃত্যুকো জয় কৰিছিল।

এইদৰে বিচিত্ৰ চূড়ালোপাখ্যান সমাপন কৰি মহাজ্ঞানী বশিষ্ঠদেৱে ৰামক কলে—হে ৰাম! তুমিও এইদৰে যথাপ্ৰাপ্ত কৰ্ম্মৰ অনুসৰণ কৰি বিশোক অৱস্থাত অৱস্থান কৰা অথবা ভোগ-মোক্ষ-জ্ঞান-লক্ষ্মীৰ অধিকাৰী হৈ জীৱন্মুক্তভাৱে স্থিতি লাভ কৰা।

অষ্টাদশ অধ্যায় ।

সামৰণি

(১)

যোগবাশিষ্ঠ ৰামায়ণৰ মুখ্য উদ্দেশ্য হৈছে ব্ৰহ্মজ্ঞান শিক্ষা দিয়া । তত্ত্বজ্ঞানৰ বিষয়ে যিবিলাক শাস্ত্ৰ আছে সেইবিলাকৰ ভিতৰত যোগবাশিষ্ঠ-ৰামায়ণ সৰ্ব্বোৎকৃষ্ট । ইয়াৰ সহায়েৰে লোকে পৰমজ্ঞান লাভ কৰিব পাৰে—

ইদং শাস্ত্ৰং পৰং যাতি পুমান্ নাস্ত্যত্ৰ সংশয়ঃ ।

নিৰ্ব্বাণ উত্তৰ ১০৫ । ৪৩

এই ব্ৰহ্মজ্ঞান লাভ কৰিবলৈ হলে প্ৰথমে পুৰুষকাৰ সহকাৰে মনৰ সংযম বা বাসনা ক্ষয় কৰা উচিত । মন একাগ্ৰ হলে নিজৰ দেহৰ ভিতৰতে জ্যোতি স্বৰূপ আত্মাৰ দৰ্শন লাভ হয় আৰু তাৰ পিচত আত্মা যে বিশ্বব্ৰহ্মাণ্ডময় এনেকুৱা জ্ঞান জন্মে । মন সংযম কৰাৰ নানা উপায় আৰু কিদৰে আত্মজ্ঞান লাভ হয় আৰু কি প্ৰণালীত ব্ৰহ্মজ্ঞান সিদ্ধ হয় সেই সম্বন্ধে এই গ্ৰন্থত বিতংকৈ আলোচনা কৰা হৈছে । কৌশলজ্ঞ গুৰুৰ উপদেশ মতে সেইবিলাক ক্ৰিয়াৰ অভ্যাস আৰু বিচাৰ

অৱলম্বন কৰিলে ব্ৰহ্মজ্ঞান লাভ কৰিব পাৰা যায়। পুনঃ পুনঃ অভ্যাসৰদ্বাৰা মনক বিশুদ্ধ কৰিব নোৱাৰিলে আত্মজ্ঞানৰ উদয় নহয়—

অভ্যাসেন বিনা সাধো নাভ্যুদেত্যাত্মভাবনা ॥

নির্ব্বাণ পূর্ব্ব ১১।১

নিজৰ পুৰুষকাৰ আৰু সাধুসঙ্গৰ সহায়েৰে বুদ্ধিৰ বিকাশ কৰিব নোৱাৰিলে আত্মজ্ঞান লাভৰ অইন উপায় নাই—

স্বপৌৰুষেণ স্বধিয়া সৎসঙ্গমবিকাসয়া।
যদি না নীয়তে জ্ঞত্বং তদুপায়োঽস্তি নেতৰঃ ॥

নির্ব্বাণ উত্তৰ ৩৩।১

বন্ধন আৰু মুক্তি নিজৰ হাতত। নিজক নিজে চিনিব পাৰিলেই মুক্তি বা মোক্ষলাভ। বাসনাযুক্ত আত্মাই নিজৰ মন। মনৰপৰা বাসনা বা ইচ্ছা আঁতৰালে বাকী থাকে আত্মা। আত্মাৰ মলস্বৰূপ বাসনা নিজে ধুই পখালি পৰিষ্কাৰ নকৰিলে নিজৰ আত্মাৰ প্ৰতি নিজে শত্ৰুতা কৰা হয়। সেইকাৰণে মহাপুৰুষে হৃদয়-গ্ৰাহী ভাবাৰে গাইছে—"আপুনি আপোন শত্ৰু, আপুনি আপোন মিত্ৰ, আপুনি আপোন বাখে মাৰে।" নিজেই নিজক উদ্ধাৰ নকৰিলে পৰিত্ৰাণৰ অইন উপায় নাই—

আত্মৈৱ হ্যাত্মনো বন্ধুৰাত্মৈৱ বিপুৰাত্মনঃ।
আত্মাত্মনা ন চেত্ত্রাতস্তদুপায়োঽস্তি নেতৰঃ।

নিৰ্ব্বাণ উত্তৰ ১৬২। ১৮

[দ্ৰষ্টব্য—গীতা ৬ষ্ঠ অধ্যায় ৫ম শ্লোক]

যি কৰা শ্ৰেয়ঃ তাক এতিয়াই কৰা উচিত। হেলাতে কালহৰণ কৰা উচিত নহয়। কিয়নো বুঢ়া কালত নিজৰ শৰীৰে ভাৰস্বৰূপ হৈ উঠিব। তেতিয়া কোনো কাম কৰাই সম্ভৱ নহব—

অদ্যৈব কুৰু যচ্ছ্ৰেয়ো বৃদ্ধঃ সন্ কিং কৰিষ্যসি।
স্বগাত্ৰাণ্যপি ভাৰয় ভৱন্তি হি বিপৰ্য্যয়ে॥

নিৰ্ব্বাণ উত্তৰ ১৬২।২০

(২)

নিখিল বিশ্বই পৰমাত্মা বা পৰমেশ্বৰ। পৰমাকাশ-ৰূপী ব্ৰহ্মাই পৰম দেৱ। তেওঁকে শাস্ত্ৰত 'ওঁ তৎ সৎ' বোলা হয়। তেওঁক বিচাৰি দূৰলৈ যাব নালাগে আৰু তেওঁ কোনোৰে দুষ্প্ৰাপ্য নহয়। নিজৰ দেহৰ ভিতৰতে তেওঁ আছে। লতাৰ ভিতৰত ৰস থকাৰ দৰে এই পৰমাত্মা সকলোতে বৰ্ত্তমান। আত্মদেৱক পূজা কৰাই শ্ৰেয়ঃ আৰু তাৰ পৰাই পৰম মঙ্গল সাধিত হয়। নিজৰ অন্তৰত ধ্যান কৰিলেই তেওঁক পূজা কৰা হয়। ইয়াৰ বাহিৰে আৰু আন পূজা নাই—

এবং সর্ব্বমিদং বিশ্বং পরমাত্মৈব কেবলম্ ।
ব্রহ্মৈব পরমাকাশমেষ দেবঃ পরঃ স্মৃতঃ ॥
নির্ব্বাণ পূর্ব্ব ৩০। ১

পরমাত্মপরাভিখ্যং তৎ সদোমিত্যুদাহৃতম্ ॥
নির্ব্বাণ পূর্ব্ব ৩০ । ১৪

স্থিতং সর্ব্বত্র সর্ব্বস্ত লতাস্বন্তর্যথা রসঃ ।
নির্ব্বাণ পূর্ব্ব ৩০ । ১৬

ন স দূরে স্থিতো ব্রহ্মন্ ন দুষ্প্রাপ্যঃ স কস্যচিৎ ।
সংস্থিতঃ স সদা দেহে সর্ব্বত্রৈব চ খে তথা ॥
নির্ব্বাণ পূর্ব্ব ৩০ ! ২১

তদেতৎপূজনং শ্রেয়স্তস্মাৎ সর্ব্বমবাপ্যতে
নির্ব্বাণ পূর্ব্ব ৩০ । ২

পূজনং ধ্যানমেবান্তর্নান্যদস্ত্যস্য পূজনম্ ।
তস্মাত্রিভুবনাধারং নিত্যং ধ্যানেন পূজয়েৎ ॥
নির্ব্বাণ পূর্ব্ব ৩৮। ৬

এষোসৌ পরমোযোগ এষা সা পরমা ক্রিয়া।
নির্ব্বাণ পূর্ব্ব ৩৮। ৩৬

(৩)

নিজর জ্ঞানস্বরূপ আত্মাই অন্তরাত্মা, পরমেশ্বর। তেওঁরে বেদসম্মত নাম "ওঁ", প্রণর। ভক্তিরদ্বারা প্রসন্ন হলে এই আত্মদেরে বিবেক নামক দূতক পঠিয়াই দিয়ে। তেতিয়া এই বিবেকর সৎপরামর্শমতে কাম করি অবিরকীয়ে তত্ত্বজ্ঞান লাভ করি ভরসাগর পার হব পারে।

বিচাৰ, শম আৰু সৎসঙ্গৰূপ পুষ্পেৰে পূজিলে তেওঁ প্ৰসন্ন হয়—

বোধাত্মৈষাঽস্তুৰাত্মৈৱ পৰমঃ পৰমেশ্বৰঃ ।
অস্যৈব বাচকো নাম প্ৰণবো বেদসম্মতঃ ॥
নিৰ্ব্বাণ উত্তৰ ৪৮।৩১

স এব বাসনাত্মানং জন্তুং বোধয়তি ক্ৰমাৎ ।
সংসাৰসাগৰাদস্মাৎ তাৰয়ত্যবিবেকিনম্ ॥
নিৰ্ব্বাণ উত্তৰ ৪৮।৩০

বিচাৰশমসৎসঙ্গবলিপুষ্পৈকপূজিতঃ ।
সদ্যো মোক্ষফলঃ সাধো স্বাত্মৈৱ পৰমেশ্বৰঃ ॥
নিৰ্ব্বাণ উত্তৰ ৪২ ৩০

(৪)

সংসাৰতকৈ শত্ৰু নাই আৰু বৈৰাগ্যতকৈ মিত্ৰ নাই। ইচ্ছাৰ শান্তিয়েই হৈছে মুক্তি। বিষয়ৰ প্ৰতি বৈৰাগ্যই হৈছে সমাধি। যি লোকে এই বিষয়-বৈৰাগ্য লাভ কৰে তেৱেঁই নৰৰ ভিতৰত ব্ৰহ্ম আৰু সেই নৰব্ৰহ্মাই সকলোৰে নমস্য—

ন বৈৰাগ্যাৎ পৰো বন্ধুৰ্ন সংসাৰাৎ পৰো ৰিপুঃ ॥
নিৰ্ব্বাণ পূৰ্ব্ব ১২৭।৫৯

পৰং বিষয়বৈতৃষ্ণং সমাধানমুদাহৃতম ।
আহৃতং যেন তন্নূনং তস্মৈ নৃব্ৰহ্মণে নমঃ ॥
নিৰ্ব্বাণ উত্তৰ ৪৫।৪৬

(৫)

নিৰ্ব্বাণ বা পৰমা শান্তি লাভ কৰাৰ উপায় হৈছে তিনিটি—শাস্ত্র চৰ্চ্চা, সাধুসঙ্গ আৰু ধ্যান—

উপায় একঃ শাস্ত্রর্থো দ্বিতীয়ো জ্ঞসমাগমঃ।
ধ্যানং তৃতীয়ং নিৰ্ব্বাণে শ্রেষ্ঠস্তত্রোত্তৰোত্তৰঃ॥
নিৰ্ব্বাণ উত্তৰ ৪৫।৫২

(৬)

সংসাৰতৰণ বিষয়ে জ্ঞান আৰু যোগ দুয়োটাই সমান ফলপ্ৰদ। ইয়াত জ্ঞান মানে জ্ঞানযোগ আৰু যোগ মানে প্ৰাণায়াম বা ক্ৰিয়াযোগ। বশিষ্ঠদেৱৰ মতে জ্ঞানযোগ সুসাধ্য—'মম ত্বভিমতঃ সাধো সুসাধ্যো জ্ঞাননিশ্চয়ঃ—নিৰ্ব্বাণ পূৰ্ব্ব ১৩।৮"। কিন্তু গুৰুৰ উপদেশ বিনে আত্মজ্ঞান নহয়—"গুৰূপদেশশক্ষ বিনা নাত্মতত্ত্বাগমোভবেৎ—নিৰ্ব্বাণ পূৰ্ব্ব ৮৩।২৬"। মুক্তি লাভ কৰা বিষয়ত তত্ত্বজ্ঞানী গুৰুৰ পৰা আত্মজ্ঞান লাভ কৰাতকৈ উৎকৃষ্ট একো নাই—"আত্মজ্ঞানাৎ পৰং নাস্তি গুৰোৰপি চ তদ্বিদঃ—নিৰ্ব্বাণ পূৰ্ব্ব ১২৮।১০৫"। কিন্তু গুৰু আৰু শিষ্য উভয়েই উপযুক্ত হোৱা দৰকাৰ—"উভাবপি যতো যোগ্যৌ সৰ্ব্বেৰামীদৃশামপি—নিৰ্ব্বাণ পূৰ্ব্ব ১২৮।৬৪"। শিষ্যৰো বুদ্ধিবৃত্তি উপযুক্ত হোৱা দৰকাৰ; কিয়নো তেনেকুৱা হলেহে গুৰুৰ উপদেশ কাৰ্য্যকৰী হয়—

শিষ্যপ্ৰজ্ঞৈৱ বোধস্য কাৰণং গুৰুবাক্যতঃ।
নিৰ্ব্বাণ পূৰ্ব্ব ১২৮।৬৩

বেদ, পুৰাণ, স্মৃতি আদি শাস্ত্ৰমতে গুৰুৰ বাক্যই বিধি আৰু তাৰ বিপৰীত কাৰ্য্যই নিষিদ্ধ কৰ্ম্ম—

বেদাগমপুৰাণেষু স্মৃতিষ্বপি মহামুনে ।
গুৰুবাক্যং বিধিঃ প্ৰোক্তো নিষেধস্তদ্বিপৰ্য্যয়ঃ ॥

নিৰ্ব্বাণ পূৰ্ব্ব ১২৮।১০৩

গুৰুৰ কৃপাই মুক্তি প্ৰদান কৰে। যিবিলাকে দেৱতা, গুৰু আৰু ব্ৰাহ্মণক শ্ৰদ্ধা কৰে আৰু শাস্ত্ৰ মানি চলে সিবিলাকক জগদ্গুৰু মহেশ্বৰে অনুগ্ৰহ কৰে—

নিখিলকবিকুলানাং যোগিনাং সেব্যৰূপা পৰমগুৰু-
কটাক্ষান্মুক্তিমাৰ্গং দদাতি ।

নিৰ্ব্বাণ পূৰ্ব্ব ১২৮।১১০

দেবদ্বিজগুৰুশ্ৰদ্ধাভৰবন্ধুৰচেতসাম্ ।
সদাগমপ্ৰমাণানাং মহেশানুগ্ৰহো ভবেৎ ॥

নিৰ্ব্বাণ পূৰ্ব্ব ১২৭ ৫৮

(৭)

বেদবাক্য স্বৰূপ গুৰুৰ বাক্য পালন কৰি অভ্যাস-যোগ বা ক্ৰিয়াযোগ কৰা উচিত। অভ্যাসৰ পৰাই সৰ্ব্বসিদ্ধি লাভ হয়—

অভ্যাসাৎ সৰ্ব্বসিদ্ধিঃ স্যাদিতি বেদানুশাসনম্ ।
তস্মাৎ ত্বম্ সৰ্ব্বমুৎসৃজ্য কুৰ্ব্বাভ্যাসেষু স্থিৰং মনঃ ॥

নিৰ্ব্বাণ পূৰ্ব্ব—১২৮।৫৬

গুৰুৰ উপদেশ অনুসাৰে প্ৰথমে শান্ত, দান্ত আৰু শ্ৰদ্ধা-সহকাৰে কোমল আসনত বহি চিত্ত আৰু ইন্দ্ৰিয়ৰ ক্ৰিয়া বোধ পূৰ্ব্বক মন নিৰ্ম্মল নহয় মানে প্ৰণৱ "ওম" জপ কৰিব লাগে। তাৰ পিচত অন্তঃকৰণ শুদ্ধিৰ নিমিত্তে প্ৰাণায়াম অভ্যাস কৰা উচিত—

শান্তো. দান্তশ্চোপৰতো নিষিদ্ধাৎ কাম্যকৰ্ম্মণঃ।
বিষয়েন্দ্ৰিয়সংশ্লেষ্য-সুখাচ্চ শ্ৰদ্ধয়ান্বিতঃ॥
মৃদ্বাসনে সমাসীনো জিতচিত্তেন্দ্ৰিয়ক্ৰিয়ঃ।
ওমিত্যুচ্চাৰয়েৎ তাবন্মনো যাবৎ প্ৰসীদতি॥
প্ৰাণায়ামং ততঃ কুৰ্য্যাদন্তঃকৰণশুদ্ধয়ে।
ইন্দ্ৰিয়াণ্যাহৰেৎ পশ্চাদ্বিষয়েভ্যঃ শনৈঃ শনৈঃ॥

নিৰ্ব্বাণ—পূৰ্ব্ব ১২৮।১।২।৩

নিয়মিতভাৱে এইদৰে অভ্যাস কৰিলে দেহৰ ভিতৰৰ ক্ৰিয়াৰ পৰিবৰ্ত্তন হয় আৰু তাৰ লগে লগে চিত্তৰ চঞ্চলতাও কমি আহে। দুৰ্জ্জয় চঞ্চল চিত্তক সংযম কৰাৰ সহজ উপায় এই অভ্যাস-যোগ।

(৮)

চিত্তশুদ্ধি নহলে নিৰাকাৰ ব্ৰহ্মত মন স্থিৰ ৰাখা কঠিন। সেইকাৰণে প্ৰথমে সাকাৰ ঈশ্বৰক ভজন কৰাৰ বিধি। সাকাৰ পৰমেশ্বৰক উপাসনা কৰোঁতে কৰোঁতে চিত্তশুদ্ধি হলে নিৰাকাৰ ব্ৰহ্মত স্থিতি লাভ হয়—

সাকাৰং ভজ তাবৎ ত্বম্ যাবৎ সত্ত্বং প্ৰসীদতি।
নিৰাকাৰে পৰে তত্ত্বে ততঃ স্থিতিৰকৃত্ৰিমা ॥

নিৰ্ব্বাণ—পূৰ্ব্ব ১২৭।৩৫

(৯)

যি ব্ৰহ্ম বস্তু তাৰ নাম আৰু ৰূপ নাই। চিৎ আত্মা, ব্ৰহ্ম, ঈশ্বৰ, ভগৱান আদি শব্দ বুজাৰ সুবিধাৰ নিমিত্তে এক ব্ৰহ্ম বস্তুতে ব্যৱহৃত হৈ থাকে। পৰমেশ্বৰ সৰ্ব্বব্যাপী আৰু সৰ্ব্বস্বৰূপ। যি চিন্ময় পৰমাকাশ তাকেই শিৱ সনাতন বোলা হয়। তেৱেঁই হৰি, তেৱেঁই পিতামহ ব্ৰহ্মা, তেৱেঁই চন্দ্ৰ, সূৰ্য্য, বৰুণ, যম ইত্যাদি। শিৱৰ মনোময়ী স্পন্দ-শক্তিয়েই আত্মাশক্তি, মহামায়া, ভগৱতী ক্ৰিয়া, কালী। সেই শক্তিৰ অপাৰ মহিমা বুলি তেওঁৰ এটি নাম দুৰ্গা। প্ৰণৱৰ সাৰাংশ "উ-ম্-অ" বুলি তেওঁ উমা। জপকাৰীৰ পৰমাৰ্থ বুলি তেওঁ গায়ত্ৰী। জগতৰ প্ৰসবিতা বুলি তেওঁক সাবিত্ৰী বোলা হয়। জ্ঞানৰ আধাৰ বুলি তেওঁ সৰস্বতী। সৰ্ব্ব প্ৰকাৰ জয়ৰ অধিষ্ঠান বুলি তেওঁ জয়া। সিদ্ধি প্ৰদান কৰে বুলি তেওঁ সিদ্ধা। কোনোৱে পৰাজয় কৰিব নোৱাৰে কাৰণে তেওঁ অপৰাজিতা। কদ্ৰতাপত সকলো পদাৰ্থ ই শুকায় বুলি তেওঁ শুষ্কা। প্ৰবল প্ৰচণ্ডতাৰ নিমিত্তে তেওঁ চণ্ডিকা। প্ৰকৃতপক্ষে জুই আৰু তাৰ তাপ যেনে

এক. শিৱ আৰু তেওঁৰ ইচ্ছাশক্তি বা স্পন্দনশক্তিও এক। স্বইচ্ছাৰদ্বাৰা স্পন্দিত আত্মাই প্ৰকৃতি বিশ্ব বা সৃষ্টি।

সা ৰামো প্ৰকৃতিঃ প্ৰোক্তা শিৱেচ্ছা পৰমেশ্বৰী।
জগন্মায়েতি বিখ্যাতা স্পন্দশক্তিৰকৃত্রিমা ॥

নিৰ্ব্বাণ উত্তৰ ৮৫।১৪

পৰমাত্মাই সকলো আৰু সকলোৱেই পৰমাত্মা। সেই সৰ্ব্বস্বৰূপ পৰমাত্মাক নমস্কাৰ—

ঈশ্বৰো ন মহাবুদ্ধে দূৰেন চ সুদুৰ্লভঃ।
মহাবোধময়ৈকাত্মা স্বাত্মৈৱ পৰমেশ্বৰঃ ॥
তস্মৈ সৰ্ব্বং ততঃ সৰ্ব্বং স সৰ্ব্বং সৰ্ব্বতশ্চ সঃ।
সোঽহস্তঃ সৰ্ব্বময়ো নিত্যং তস্মৈ সৰ্ব্বাত্মনে নমঃ ॥

নিৰ্ব্বাণ উত্তৰ ৪৮।২২।২৩

শিৱ, আত্মা, পৰমব্ৰহ্ম—এইবিলাক শব্দৰ হে প্ৰভেদ, প্ৰকৃতপক্ষে কোনো ভেদ নাই। নিজৰ শৰীৰস্থ আত্মাই শিৱ আৰু তেওঁক ধ্যানেৰে পূজা কৰা উচিত—

শিৱ আত্মা পৰং ব্ৰহ্মেত্যাদিশব্দৈস্তু ভিন্নতা।
পুৰাতনৈৰ্ব্বিৰ চিত্তা তস্য ভেদোন বস্তুতঃ ॥

নিৰ্ব্বাণ পূৰ্ব্ব ৪১।২৫

নিত্যমেব শাৰীৰস্থমিমং ধ্যায়েৎ পৰং শিৱম্।

নিৰ্ব্বাণ পূৰ্ব্ব ৩৯।৩

ওপৰত কেইটিমান সাধাৰণ উপদেশৰ বিষয়েহে সংক্ষেপে উল্লেখ কৰা হ'ল। সুন্দৰ সুন্দৰ উপমাৰে সৈতে বিচিত্ৰ উপাখ্যান বৰ্ণনা কৰি প্ৰভু ৰামচন্দ্ৰৰ উদ্দেশ্যে এইদৰে বহু তত্ত্বোপদেশ দিয়া হৈছে। ব্ৰহ্মজ্ঞানী বশিষ্ঠদেৱে উপদেষ্টা হিচাবে প্ৰধান নায়কৰ স্থান অধিকাৰ কৰি সমুদায় গ্ৰন্থখনিযেই এটি মনোৰম উপাখ্যান। ইয়াৰ উপৰি প্ৰহ্লাদ, বলি বিৰোচন, ভাস, ভুশুণ্ড ভগীৰথ, শিখিধ্বজ, কচ. অৰ্জ্জুনোপদেশ আদি কমপক্ষেও ৫৪ টি বিচিত্ৰ উপাখ্যান ইয়াত সন্নিবিষ্ট আছে। দুৰ্ব্বোধ্য আত্মতত্ত্ব বুজাবলৈ উপমা আৰু দৃষ্টান্ত বিশেষ দৰকাৰী। সেইবিলাকৰ বুৰঞ্জীমূলক সত্যতা যিকিনহওক ইয়াৰ ভিতৰত যি গূঢ় তত্ত্বকথা নিহিত আছে তাৰ প্ৰতিহে বিশেষ মন কৰিবলগীয়া।

ক্ৰমান্বয়ে ২০ দিন ধৰি উপদেশ দিয়াৰ পিচত প্ৰভু ৰামচন্দ্ৰৰ অজ্ঞানজনিত মোহ আৰু সকলো প্ৰকাৰ সন্দেহ আঁতৰি যায়। তেতিয়া তেওঁ বিজ্ঞানময় হৈ কলে—"হে ভগৱন! জুইয়ে পুৰি সোণৰ মল মাৰ্জ্জিত কৰাৰ দৰে আপোনাৰ যুক্তি-যুক্ত উপদেশেও মোৰ মনৰ অজ্ঞান-মল মাৰ্জ্জিত কৰিলে। আগতে মই নিজৰ দেহকে আত্মা বুলি জ্ঞান কৰিছিলোঁ; এতিয়া মই ফট-ফটীয়াকৈ দেখিছোঁ যে সমস্ত জগতেই আত্মা। মোৰ আৰু শোক

মোহ নাই। মই নিজেই আত্মস্বৰূপ হৈছোঁ। সেই কাৰণে মই নিজেই নিজক নমস্কাৰ কৰোঁ।"

এইদৰে উপদেশৰ সামৰণি পৰিলত সভাস্থ ঋষি মুনি, মহাৰাজ দশৰথ আৰু আন আন সকলোৱে পুষ্পাঞ্জলি দি মুনিবৰ বশিষ্ঠদেৱক নমস্কাৰ কৰিলে। মহৰ্ষি বাল্মীকিয়ে প্ৰথমে এই মোক্ষ-শাস্ত্ৰ তেওঁৰ প্ৰিয় শিষ্য ভৰদ্বাজক পাঢ় শুনাইছিল। ইয়াকে এতিয়া বৈৰাগ্যসম্পন্ন ৰজা অৰিষ্টনেমিৰ আগত কীৰ্ত্তন কৰি কলে—"হে ৰজা! তুমিও শ্ৰীৰামৰ নিচিনা জীৱন্মুক্ত হৈ ৰাজ্যাদি শাসন কাৰ্য্য কৰি যথাসময়ত নিৰ্ব্বাণপদত বিশ্ৰান্তি লাভ কৰা।" তেতিয়া অৰিষ্টনেমীয়ে বাল্মিকিক নমস্কাৰ কৰি কলে—"হে ভগৱন! আপোনাৰ অমৃতময় মোক্ষশাস্ত্ৰ শ্ৰৱণ কৰি পৰম কৃতাৰ্থ হলোঁ। আপোনাৰ উপদেশ শুনি মোৰ মনৰপৰা সমুদায় সংশয় আঁতৰি গ'ল।" তাৰ পিচত ৰজা অৰিষ্টনেমীয়ে ইন্দ্ৰদূতক নমস্কাৰ কৰি কলে—"হে দেৱদূত! আপুনি মোৰ এজন পৰম বন্ধু আছিল। আপোনাৰ অনুগ্ৰহত বাল্মীকিৰ তত্ত্বোপদেশ শুনি মই পৰমা শান্তি লাভ কৰিলোঁ। স্বৰ্গভোগ ইয়াৰ লগত তুলনীয় নহয়। স্বৰ্গভোগৰ প্ৰতি মোৰ অকণো অভিলাষ নাই। আপুনি এতিয়া ইন্দ্ৰভৱনলৈ যাব পাৰে।"

ৰজা অৰিষ্টনেমীৰ পৰা বিদায় লৈ ইন্দ্ৰদূতে অপ্সৰা

সুৰুচিক কলে—"হে ভদ্রে! মহর্ষি বাল্মীকিৰ পৰা বশিষ্ঠৰ জ্ঞান লাভ কৰি মই বৰ পৰিতৃপ্ত হলোঁ। সৌভাগ্যক্রমে ৰজা অৰিষ্টনেমীৰ সঙ্গ লাভ হৈছিল। ৰজাৰ সঙ্গৰ পৰাই এই মঙ্গলদায়ক মোক্ষশাস্ত্র শুনিবলৈ পালোঁ। আপুনি মোক যিদৰে সুধিছিল সেইদৰে সমূদায় কথা বিবৰি কলোঁ। এতিয়া মোক বিদায় দিয়ক। মই দেৱৰাজ ইন্দ্রৰ পুৰীলৈ উভতি যাওঁ।"

সুৰুচি—"হে দেৱদূত! আপোনাক নমস্কাৰ। আপোনাৰ পৰা পৰমার্থ তত্ত্বজ্ঞানৰ বিষয়ে জানিব পাৰি মোৰ সকলো প্ৰকাৰ ইচ্ছাৰ নিবৃত্তি হৈছে। আপোনাৰ মঙ্গল হওক। আপুনি ইচ্ছামতে ইন্দ্র-পুৰীলৈ যাব পাৰে।"

অগ্নিবেশ্য—"বোপা কাৰুণ্য! সেই অপেশ্বৰা সুৰুচিয়ে ব্রহ্মজ্ঞানৰ বিষয়ে ভাবি ভাবে হিমালয়ৰ ওপৰত থকা সেই গন্ধমাদন পৰ্ব্বতত মনৰ আনন্দে বাস কৰি থাকিল। তুমি বশিষ্ঠৰ উপদেশ শুনি নিশ্চয়ই জানিব পাৰিছা যে মুক্তিৰ উপায় কেৱল জ্ঞান না কেৱল কৰ্ম্ম, নতুবা জ্ঞান আৰু কৰ্ম্ম উভয়েই। ইয়াকে জানি তোমাৰ যি অভিৰুচি তুমি তাকেই কৰিব পাৰা।"

কাৰুণ্য—"পিতা! আপোনাৰ অনুগ্রহত মহাজ্ঞানী বশিষ্ঠদেৱৰ তত্ত্বোপদেশ শুনি মোৰ মনৰ পৰা সকলো সংশয় দূৰ হৈছে। মই এতিয়া জানিব পাৰিছোঁ যে ইচ্ছা কৰি কৰ্ম্ম কৰাও উচিত নহয় আৰু কৰ্ম্ম ত্যাগ

কৰাও উচিত নহয়। ৰামাদিৰ নিচিনা ইচ্ছাশূন্য হৈ যথাপ্ৰাপ্ত ব্যৱহাৰ কৰি যোৱাই উচিত।”

অগষ্টি—“হে সুতীক্ষ্ণ! সকলো শাস্ত্ৰত পণ্ডিত সেই কাৰুণ্যই এইদৰে পিতাকৰ পৰা তত্বজ্ঞান লভি যথাপ্ৰাপ্ত কৰ্ম্ম কৰি যাবলৈ ধৰিলে। তত্বজ্ঞান লাভ কৰি কাম কৰিলে কৰ্ম্মবন্ধন নহয়। ইয়াত সন্দেহ নাই।”

সুতীক্ষ্ণ—“হে মুনিবৰ! আপোনাৰ উপদেশ শুনি মোৰ মনৰ সমুদায় সংশয় আঁতৰ হ’ল। মই সৰ্ব্বোত্তম জ্ঞান লাভ কৰিলোঁ। পৰমাত্মাই এই নিখিল বিশ্ব —“সৰ্ব্বং খল্বিদং ব্ৰহ্ম।” আপোনাৰ উপদেশ অনুসাৰে সকলো কাম কৰি যাম। মই পৰম কৃতাৰ্থ হলোঁ। আপুনি দিব্য ব্ৰহ্মজ্ঞান প্ৰদান কৰিলে। আপোনাক দণ্ডৱতে প্ৰণিপাত কৰোঁ।”

নিত্যং শুদ্ধং নিৰাভাসং নিৰ্ব্বিকাৰং নিৰঞ্জনম্।
নিত্যংবোধং চিদানন্দং গুৰুং ব্ৰহ্ম নমাম্যহম॥

পৰিশিষ্ট

সাধন-তত্ত্ব ।

জীৱ স্বকৰ্ম্ম-জালেৰে আবদ্ধ হৈ প্ৰকৃতিৰ নিয়ম অনুসাৰে পুনঃ পুনঃ জন্মগ্ৰহণ কৰি নানা প্ৰকাৰ দুখৰ অধীন হৈ থাকে। এই জাল ছিগি মুক্ত হবৰ এক-মাত্ৰ উপায় হৈছে সাধনা। জগতৰ সকলো প্ৰাণীয়ে সুখ সুখ কৰি কলমলাই ফুৰে। কিন্তু প্ৰকৃত সুখী লোক নিচেই তাকৰ। নানা লোকৰ নানা প্ৰকাৰ অভাৱ। অভাৱৰ লগে লগে নানা প্ৰকাৰ দুখ। অনিত্য জগতৰ কোনো বিষয়েই এই অভাৱ পূৰণ কৰিবলৈ সমৰ্থ নহয়। আত্মা নিত্য, জগৎ অনিত্য। নিত্য আত্মাৰ অভাৱ অনিত্য জাগতিক বিষয়ৰদ্বাৰা পূৰণ হোৱা সম্ভৱ নহয়। আত্মাৰ এই অভাৱ তেওঁৰ স্বৰূপৰেই অভাৱ। স্বৰূপচ্যুতি বা আত্ম-বিস্মৰণেই এই অভাৱৰ কাৰণ। যেতিয়ালৈকে স্বৰূপাৱস্থা লাভ নহয় তেতিয়ালৈকে অভাৱ পূৰণ হব নোৱাৰে আৰু তাৰ বাবে

হোৱা দুখৰো অন্ত নহয়। স্বৰূপাৱস্থা লাভ কৰি শান্তি ভোগ কৰাই সাধনাৰ উদ্দেশ্য।

২। আত্মা স্বৰূপাৱস্থাত নিৰ্গুণ, নিৰাকাৰ আৰু নিষ্ক্ৰিয়। সেই স্বৰূপ মন, বুদ্ধি আৰু ইন্দ্ৰিয়ৰ অগোচৰ। আত্মাৰদ্বাৰাহে অতীন্দ্ৰিয় বা ইন্দ্ৰিয়াতীত আত্মাক উপলব্ধি কৰিব পৰা যায়। সেই নিৰ্গুণ আত্মাক ব্ৰহ্ম, চিৎ, জ্ঞান, ঈশ্বৰ, ভগৱান আদি নামেৰে অভিহিত কৰা হয়। তেওঁ ধীৰ, স্থিৰ শান্ত আৰু শিৱ স্বৰূপ। বিশাল ভাৱাপন্ন আত্মাত নিজতে নিহিত ইচ্ছা-শক্তিৰ গুণত স্পন্দন উত্থিত হলে তেওঁৱেই জগতৰূপে বেকত হয়। অব্যক্ত ঈশ্বৰে আত্মমায়াৰদ্বাৰা স্বৰূপ আবৃত কৰি ব্যক্ত জগত হৈ পৰিছে। চিৎস্পন্দিত হলে চিত্ত, মন বা জগত হয় আৰু চিত্তৰ স্পন্দন ৰহিত হলে চিন্ময় আত্মা হয়। চিৎ স্পন্দনেই চিত্ত-তৰঙ্গ। চিত্তৰ তৰঙ্গ উপশম কৰি স্থিৰ চিন্ময় স্বৰূপ হোৱাৰ নিমিত্তেই সাধনা।

৩। আত্মা স্পন্দিত হলে প্ৰথমে তাত এটি অনুভূতিৰ উদয় হয়। এই অনুভূতি গাঢ় হৈ পানীয়ে বৰফত পৰিণত হোৱাৰ দৰে স্থূল জগতত পৰিণত হয়। আত্মা সূক্ষ্মতকৈ সূক্ষ্ম আৰু স্থূলতকৈ স্থূল। সংস্কাৰ বিশিষ্ট আত্মাই মন। সঙ্কল্প যুক্ত মনেই ব্ৰহ্মা আৰু ব্ৰহ্মাৰ কল্পনাই জগত। মন চঞ্চল হোৱাৰ কাৰণে

জগতো চঞ্চল বুলি অনুমিত হয়—যেনেকৈ পানীৰ ঢৌত চন্দ্ৰবিম্ব বিচলিত হয়। সংস্কাৰৰদ্বাৰা বিচলিত হৈ আত্মা চঞ্চল মন হয়। বিপৰীত সংস্কাৰৰদ্বাৰা মনৰ তৰঙ্গ শান্ত কৰিব পাৰিলে জগত স্থিৰ আৰু শান্তিদায়ক হয়। সাধনাই হৈছে সেই বিপৰীত সংস্কাৰৰ উপায়।

৪। আত্মা বা জ্ঞান স্বৰূপাৱস্থাত নিঃশব্দ মকাৰাত্মক প্ৰণৱ স্বৰূপ। এই প্ৰণৱ ইন্দ্ৰিয়াতীত—ইয়াক মুখেৰে উচ্চাৰণ কৰা নাযায়। অনুভূতিৰদ্বাৰা প্ৰণৱ আহত হৈ "অ-উ-ম্"ত বিশ্লিষ্ট হয়। এই বিশ্লিষ্ট প্ৰণৱেই সগুণব্ৰহ্ম, শব্দব্ৰহ্ম বা গুৰুৰ অৱস্থা। গুৰু আৰু ব্ৰহ্ম অভেদ। গুৰুৰ কল্পনাই জগতত পৰিণত হয়। প্ৰণৱত স্থিতি লাভ কৰিব পাৰিলেই শান্তি। প্ৰণৱত স্থিতি লাভ কৰিবৰ নিমিত্তেই প্ৰণৱ-সাধনাৰ ব্যৱস্থা।

৫। প্ৰণৱ বিশ্লিষ্ট হৈয়েই উনপঞ্চাশ ধ্বনিত পৰিণত হৈছে। এই উনপঞ্চাশ ধ্বনিয়েই আমাৰ বৰ্ণমালা। তাৰে ভিতৰত স্বৰবৰ্ণবিলাক আকৰ্ষণাত্মক আৰু ব্যঞ্জন-বৰ্ণবিলাক বিক্ষেপণাত্মক। এইবিলাক ধ্বনিৰ সংযোগ বিয়োগৰ দ্বাৰা ভাষাৰ সৃষ্টি হৈছে। এই ভাষাৰ লগত বিষয়ৰ কোনো সম্বন্ধ নাই। সেইকাৰণেই এক দেশৰ ভাষাৰ লগত আন এখন দেশৰ ভাষাৰ লগত মিল নাই। কিন্তু আমালোকৰ ভাষাৰদ্বাৰাই বিষয়ৰ বোধ

জন্মে। সেইকাৰণে আমাৰ বৰ্ত্তমান বুজ কাল্পনিক। ভাষাৰ মূলতে কিছুমান সংজ্ঞা-শব্দ। সংজ্ঞা-শব্দ বাদ দিলে বুজাবুজিৰ অস্তিত্বই নাথাকে। ভাষা কাল্পনিক। সেইকাৰণে আমালোকৰ বৰ্ত্তমান জগতজ্ঞানও কাল্পনিক। তদুপৰি লজ্জা, ঘৃণা, ভয়, শোক, জুগুপ্সা, কুল, শীল আৰু জাতি—এইবিলাক উপকল্পনা সৃষ্টি কৰি লোৱা হৈছে। এইবিলাকেই আমালোকৰ অষ্টপাশ। বৰ্ত্তমান আমালোকে অষ্টপাশেৰে আবদ্ধ হৈ কল্পনাতে ডুবগৈ আছোঁ। কল্পনাই অনন্ত প্ৰকাৰ ৰূপ ধৰে। সেইকাৰণে আমালোকৰ অভাৱ আৰু দুখও অনন্ত প্ৰকাৰ হৈ পৰিছে। মনৰ পৰা শব্দ বাদ দিব পাৰিলে কল্পনাৰ হাত সাৰি নিঃশব্দ স্বৰূপাৱস্থা লাভ কৰিব পাৰি। মনৰ পৰা শব্দ আৰু তাৰে পৰা হোৱা কল্পনা বাদ দিবৰ নিমিত্তে সাধনা।

৬। জগত জ্ঞানময় আৰু জ্ঞানৰে খেলা। টেলিস্কোপৰ দৃশ্যৰ দৰে এটিৰ পিচত এটিকৈ জ্ঞানেই জ্ঞান, জ্ঞেয়, জ্ঞাতা, মন, বুদ্ধি, অহঙ্কাৰ, ইন্দ্ৰিয়, কল্পনা, উপকল্পনা আদি আকাৰে দৃষ্টিগোচৰ হয়। পোহৰক কেন্দ্ৰীভূত (Focus) কৰিলে জ্যোতিৰ্ম্ময় অগ্নি দেখা যায়। সেইদৰে জগতক কেন্দ্ৰীভূত কৰিলে জ্ঞানময় পৰমেশ্বৰক দেখিবলৈ অৰ্থাৎ অনুভৱ কৰিবলৈ পৰা যায়। জ্ঞানেই জ্ঞানৰদ্বাৰা নিজকে জগতৰূপে অনুভৱ কৰে।

৭। অনুভূতিৰদ্বাৰা স্পন্দিত হৈ জ্ঞান প্ৰথমে শব্দানুভূতিত পৰিণত হয়। তাৰ পিচত শব্দানুভূতি স্পৰ্শত, স্পৰ্শানুভূতি ৰূপত, ৰূপানুভূতি ৰসত আৰু ৰসানুভূতি গ'ন্ধত পৰিণত হয়। এই কেইটিযেই হৈছে সৃষ্টিৰ মূল উপাদান। এই পঞ্চানুভূতিৰ অনুৰূপ পঞ্চভূত যেনে ব্যোম, মৰুত, তেজ, অপ, ক্ষিতি,—আৰু পঞ্চজ্ঞানেন্দ্ৰিয় যেনে কৰ্ণ, ত্বক, চক্ষু, জিভা আৰু নাসিকা—লগে লগেই দেখা দিযে। ক্ষিতি,—অপ,—তেজ,—মৰুত,—ব্যোম এই ভূততন্মাত্ৰপঞ্চকেই মন, প্ৰাণ, বুদ্ধি, জ্ঞানেন্দ্ৰিয আৰু কৰ্মেন্দ্ৰিয়ৰূপে লিঙ্গশৰীৰ হৈ প্ৰকাশ পায। মূলতে সকলোৱেই জ্ঞান স্বৰূপ এক আত্মা। তাৰে পৰাই এক দীপৰ পৰা শত শত দীপ হোৱাৰ দৰে নানা বিষয়ৰ উৎপত্তি হয়।

৮। অইন পিনে মকাৰাত্মক প্ৰণৱ বিশ্লিষ্ট হৈ ধ্বনি শব্দ আৰু ভাষাৰ উৎপত্তি হৈছে। জ্ঞানৰ জ্ঞেয়ভ্ৰান্তিয়েই হৈছে অহংজ্ঞান বা মন। মনৰ ভিতৰতে সৃষ্টিৰ উপাদান বিলাক নিহিত থাকে। মনৰ কল্পনাই পৰিদৃশ্যমান বিচিত্ৰ জগত। সৃষ্টি এখন জ্ঞানভূমিৰ ওপৰত প্ৰতিষ্ঠিত দোলৰ নিচিনা। বিভিন্ন অনুভূতি-বিলাক ইয়াৰ স্তৰ বিশেষ। বুজাৰ সুবিধাৰ নিমিত্তে এই ক্ৰমবিলাক চিত্ৰ আঁকি দেখুৱা হ'ল।

জ্ঞান
|
জ্ঞেয় } ত্ৰিপুটি
|
জ্ঞাতা
|
অহংজ্ঞান
|
বুদ্ধি
|
মন

শব্দানুভূতি—	ব্যোম (আকাশ)	—কৰ্ণ
স্পৰ্শানুভূতি—	মৰুত (বায়ু)	—ত্বক (ছাল
ৰূপানুভূতি—	তেজ (অগ্নি)	চক্ষু
ৰসানুভূতি—	অপ (পানী)	—জিহ্বা
গন্ধানুভূতি—	ক্ষিতি (পৃথিৱী)	—নাসিকা

পুৰ্য্যষ্টক

৯। আত্মা স্বস্বৰূপত নিৰ্গুণ আৰু নিস্পন্দ আৰু তাত কোনো অনুভূতি নাই। প্ৰথম পৰিস্পন্দনৰ ফল স্বৰূপে মকাৰাত্মক প্ৰণৱ বিশিষ্ট হলে আত্মাৰ যি স্বৰূপ হয় সেয়ে সগুণব্ৰহ্ম, শব্দব্ৰহ্ম বা গুৰুৰ অৱস্থা। এই

অৱস্থাতে দ্বিত্বজ্ঞানৰ আৰম্ভ হয়। স্পৰ্শানুভূতি গাঢ় হলে জ্ঞান-জ্ঞেয়-জ্ঞাতা এই ত্ৰিধা ভেদজ্ঞান পৰিস্ফুট হৈ উঠে আৰু তাৰ লগে লগে দ্বিত্বজ্ঞানেও নিৰ্দ্দিষ্ট

ওঁ

অনাহত প্ৰণৱ

(নিৰ্গুণব্ৰহ্ম)

ম্
|
উ
|
অ

} সগুণব্ৰহ্ম, শব্দব্ৰহ্ম, গুৰু

|

জ্ঞান-জ্ঞেয়-জ্ঞাতা

|

দ্বিত্ব-জ্ঞান

|

অহংজ্ঞান (মন)

|

কল্পনা (ভাষা)

|

উপকল্পনা (অষ্টপাশ)

|

কল্পনাময় জগত

আকাৰ ধাৰণ কৰে। প্ৰবল স্পৰ্শানুভূতিৰ পৰাই কল্পনাৰ আৰম্ভ হয়। তাৰ পিচত স্পৰ্শত আসক্তি ৰূপত, ৰূপত আসক্তি ৰসত আৰু ৰসত আসক্তি গন্ধত

পৰিণত হয়। আসক্তি বৃদ্ধি হোৱাৰ লগে লগে কল্পনাও বৃদ্ধি হৈ অৱশেষত কল্পনাময় জগতৰ সৃষ্টি হৈছে।

১০। নিষ্ক্রিয় আত্মাত স্পন্দন হলে ক্রিয়াৰ উদয় হয়। অনুভূতিয়েই এই ক্রিয়াৰ মূল। ক্রিয়াৰ বিকাশ দেখা যায় আকর্ষণত। কিন্তু আকৰ্ষণ অকলে নাথাকে। প্রতিক্রিয়া হিচাপে বিকৰ্ষণও সহচৰৰূপে থাকে। সকলো জীৱজন্তু, উদ্ভিদ আৰু জড়পদাৰ্থতে এই আকর্ষণ আৰু বিকর্ষণ আছে। এই দুটি ক্রিয়াৰ ওপৰতে পদাৰ্থৰ অস্তিত্ব আৰু স্থিতি নির্ভৰ কৰে। এই আকর্ষণ আৰু বিকষণৰ গুণতে চন্দ্র, সূৰ্য্য, গ্রহ, নক্ষত্রাদিয়ে নিজৰ নিজৰ কক্ষত ঘূৰি ফুৰিছে। আমালোকৰ দেহৰ ভিতৰতো এই ক্রিয়াদ্বয়ে অনবৰত কাৰ্য্য কৰি আছে। ইয়াৰ বিকাশ হৈছে নিশ্বাস-প্রশ্বাসত। আকর্ষণৰ গুণত বাহিৰৰ বিশুদ্ধ বায়ু ভিতৰলৈ যায় আৰু বিকর্ষণৰ গুণত ভিতৰৰ দূষিত বায়ু বাহিৰলৈ যায়। এই দেহ-মন্দিৰ ক্রিয়া আৰু শক্তিৰ লীলাক্ষেত্র।, আহাৰ, বিহাৰ, ভোক পিয়াহ, শৌচ-প্রস্রাৱ সকলোৱেই এই ক্রিয়াৰ গুণত হৈ থাকে। এই ক্রিয়াই হৈছে আমিত্বমূলক ক্রিয়া।

১১। আত্মা সৰ্ব্বগত আৰু সৰ্ব্বগামী। শূন্যময় আকাশতো তেওঁ বৰ্ত্তমান। আকাশেই আদি সৃষ্টি আৰু বিশ্বসৃষ্টিৰ উপাদান। মনুষ্য শৰীৰতো আত্মা

সৰ্ব্ব অঙ্গকে ব্যাপি আছে। কিন্তু সহস্ৰাৰ বা সহস্ৰ-দলতে তেওঁৰ বিশেষ বিকাশ দেখা যায়। আমালোকৰ মস্তিষ্কত এই সহস্ৰাৰ অৱস্থিত। এই সহস্ৰাৰ জীৱ-চৈতন্যৰ আধাৰ আৰু সকলো শক্তিৰ কেন্দ্ৰ স্বৰূপ। দেহৰ ভিতৰৰ ক্ৰিয়া সহস্ৰাৰৰপৰা আৰম্ভ কৰি গুহ্যদ্বাৰৰ পিচৰ ফালে থকা মূলাধাৰ পৰ্য্যন্ত নামি যায় আৰু তাৰ পৰা ওপৰলৈ উঠি সহস্ৰাৰত লয় হয়। তললৈ নামি যোৱা ক্ৰিয়াই বিকৰ্ষণ বা বিক্ষেপণ আৰু ওপৰলৈ উঠি অহা ক্ৰিয়াই আকৰ্ষণ। আকৰ্ষণ আৰু বিকৰ্ষণৰদ্বাৰাই আমালোকৰ উশাহ-নিশ্বাসৰ কাৰ্য্য চলি থাকে। এয়ে প্ৰাণৰ কাৰ্য্য আৰু ইয়াৰ ওপৰতে আমালোকৰ জীৱন নিৰ্ভৰ কৰে। এই ক্ৰিয়াদ্বয়ৰ মিলন ঠাই হৈছে সহস্ৰাৰ। সহস্ৰাৰত কোনো ক্ৰিয়া নাথাকে। সহস্ৰাৰত স্থিতি হলে নিষ্ক্ৰিয় স্বৰূপাৱস্থা বা প্ৰণৱাত্মক অৱস্থা লাভ কৰিব পাৰি। প্ৰণৱত স্থিতি লাভ কৰাই হৈছে চিন্তাৰহিত সমাধি আৰু তাৰ বাবেই সাধনা।

১১। ক্ৰিয়া, শব্দ আৰু ভাৱৰ ভিতৰত ঘণিষ্ঠ সম্বন্ধ। ক্ৰিয়া হ'লে শব্দ হয় আৰু শব্দ হ'লে তদনুযায়ী ভাৱৰ উদয় হয়। এটিৰ তাৰতম্য ঘটিলে আন-দুটিৰো তাৰতম্য ঘটে। এটিৰ অভাৱ হ'লে আন দুটিৰো অভাৱ হয়। এই কাৰ্য্য তিনিটি ৰহিত কৰিব পাৰিলে চিন্তা বিৰহিত সমাধিৰ অৱস্থা লাভ কৰিব

পাৰি। এই তিনিটিৰ ভিতৰত ক্ৰিয়াৰ নিয়ামক হৈছে কুণ্ডলিনী শক্তি আৰু তাৰ ওপৰত আমালোকৰ কোনো হাত নাই। ভাব অনন্ত প্ৰকাৰ আৰু তাৰ ওপৰত কৰ্তৃত্ব কৰাও অত্যন্ত কঠিন। শব্দৰ দ্বাৰাই ক্ৰিয়া নামি জগতত পৰিণত হৈছে। সেইকাৰণে শব্দ অৱলম্বন কৰিয়েই নিষ্ক্ৰিয় আৰু নিঃশব্দ অৱস্থালৈ উঠাই সহজ উপায। সেয়ে মন্ত্ৰ-যোগৰদ্বাৰা সাধনাৰ ব্যৱস্থা। মন্থনৰদ্বাৰা গাখীৰৰ পৰা ঘৃত বাহিৰ কৰাৰ ন্যায় নিৰ্দ্দিষ্ট উপায়েৰে সাধনাৰদ্বাৰা নিজৰ শৰীৰতে আত্মা-পুৰুষৰ দৰ্শন লাভ কৰিব পাৰি।

১৩। উশাহৰ সময়ত বায়ু বাহিৰলৈ যাওঁতে নাকত "হুঁ" ধ্বনি আৰু কণ্ঠযোগে "হঁ" ধ্বনি হয়। সেই-দৰে নিশ্বাস লবৰ সময়ত বাহিৰৰ বায়ু ভিতৰলৈ যাওঁতে কণ্ঠত ঘঁহনি খাই "অঁ" ধ্বনি আৰু নাকত ঘঁহনি খাই "উঁ" ধ্বনি হয়। এইদৰে উশাহ-নিশ্বাসৰ সময়ত স্বাভাবিক নিয়ম অনুসাৰে "অ—উ—হ্—ম্ এই চাৰিটি ধ্বনি হৈ থাকে। ইয়াৰ ভিতৰত "অ—উ—ম্ আক-ৰ্ষণাত্মক আৰু "হ" বিক্ষেপণাত্মক ধ্বনি। আকৰ্ষণ আৰু বিক্ষেপণ ক্ৰিয়াৰ তাৰতম্য অনুসাৰে এই চাৰিটি ধ্বনিয়েই বিশ্লিষ্ট হৈ উনপঞ্চাশটি বৰ্ণমালা আৰু তাৰে পৰাই ভাষাৰ সৃষ্টি হৈছে। ক্ৰিয়াৰ মাত্ৰানুসাৰে ধ্বনিৰ

ইত্তৰবিশেষ হৈ নানা ভাৱৰ উদয় হয়। বুজাৰ সুবি-ধাৰ নিমন্তে তলত এটি চিত্ৰ আঁকি দেখুৱা হ'ল।



১৪। শ্ৰীমদ্ভগবদ্গীতাৰ চতুৰ্ব্বৰ্ণৰ তাৎপৰ্য্য এই বিশ্লিষ্ট প্ৰণৱ "অ—উ—হ—ম্"। ইয়াত গুণকৰ্ম্ম অনুসাৰে শূদ্ৰ, বৈশ্য, ক্ষত্ৰিয় আৰু ব্ৰাহ্মণ এই চতুৰ্ব্বৰ্ণৰ

বিভাগ কৰা হৈছে। কিন্তু গুণকৰ্ম্ম, ক্ৰিয়া আৰু ধ্বনিৰ ওপৰত নিৰ্ভৰ কৰে। উকাৰৰ অভাৱ হলে নিম্নগামী অহংক্ৰিয়া প্ৰবল হয়। তেতিয়া মানুহে ইতৰ জন্তুৰ দৰে উদৰ আৰু উপস্থৰ ভাৱনাত ব্যস্ত থাকে। সেইদৰে হকাৰৰ অভাৱ হলে উৰ্দ্ধগামী ক্ৰিয়া প্ৰবল হয়। তেতিয়া মানুহে দেবত্ব, গুৰুত্ব, এনেকি ঈশ্বৰত্ব লাভ কৰিব পাৰে। ক্ৰিয়াৰ তাৰতম্য অনুসাৰে মানুহে ইতৰ জন্তু, উদ্ভিদ আৰু জড়পদাৰ্থতো পৰিণত হব পাৰে। স্পন্দন বিশ্লিষ্ট হৈ প্ৰথমে চতুৰ্ব্বৰ্ণ আৰু তাৰ পিচত চতুৰ্ব্বৰ্ণ বিশ্লিষ্ট হৈ সমুদায় বৰ্ণমালা, ভাষা আৰু বৰ্ত্তমান জগত-জ্ঞান হৈছে। এই হকাৰ বা বিক্ষেপণাত্মক ক্ৰিয়া খৰ্ব্ব কৰিবলৈ প্ৰণৱ-সাধনাৰ উদ্দেশ্য।

১৫। "অ-উ-হ-ম্" এই চাৰিটি বৰ্ণৰ পৰা বিক্ষেপণাত্মক হকাৰৰ অভাৱ হলে বাকী থাকে "অ-উ-ম্" অৰ্থাৎ প্ৰণৱধ্বনি ওঁ যাক প্ৰণৱমন্ত্ৰ বা আত্মমন্ত্ৰ বোলে। এই মন্ত্ৰৰ সহায়েৰে সহস্ৰাৰত স্থিতিলাভ কৰি অভাৱ বিহীন অৱস্থা লাভ কৰিব পাৰি। প্ৰকৃতিৰ নিয়ম অনুসাৰেই এই মন্ত্ৰ সিদ্ধ হৈছে। সেই কাৰণে ই সাৰ্ব্বজনীন মন্ত্ৰ আৰু জাতি-বৰ্ণ নিৰ্ব্বিশেষে সকলো জাতি আৰু ধৰ্ম্মৰ মানুহেই এই প্ৰণৱমন্ত্ৰ সাধন কৰি সিদ্ধি লাভ কৰিব পাৰে।

১৬। এই আকৰ্ষণ আৰু বিকৰ্ষণ ক্ৰিয়াদ্বয়ৰ এটি ওপৰলৈ উঠে মানে আনটি তললৈ নামিবলৈ ধৰে।

এইদৰে উঠা-নমা কৰোঁতে মাকুতে তুয়োৰো মিল হয়। এই মিলনৰ ঠাইবোৰক যোগশাস্ত্রমতে ঘাট বোলে। গুৰু-জ্ঞান সম্পন্ন পুৰুষৰ এই ক্রিয়াদ্বয়ৰ মিলনৰ ঠাই হৈছে উকাৰ। এই ঠাই ললাটত অৱস্থিত। গুৰু-স্থানীয় পুৰুষৰ হকাৰৰ ক্রিয়া লঘুভাৱে থাকে। সেই-কাৰণে অহংজ্ঞান বা জগতজ্ঞান গুৰুৰ মনত বক্সনাকাৰে থাকে। সাধাৰণ মানুহৰ এই ক্রিয়াদ্বয়ৰ মিলনৰ ঠাই হৈছে অকাৰৰ ঘাট আৰু ই কণ্ঠত অৱস্থিত। সাধা-ৰণ মানুহৰ অহংজ্ঞান আৰু বিক্ষেপণ ক্রিয়া প্ৰৱলভাৱে থাকে। অংংক্রিয়া আৰু তাৰ পৰা হোৱা অহংজ্ঞান লোপ কৰি প্রণৱত বিশ্রান্তি লাভ কৰিবলৈ প্রণৱ-সাধনেই বিশিষ্ট উপায়।

১৭। চৈতন্য স্বৰূপে হৰি সহস্রাৰত অৱস্থান কৰিলেও উশাহ-নিশ্বাস, শৌচ-প্রস্রাৱ, হৰ্ষ-বিষাদ, কাম-ক্রোধ আদি কাৰ্য্যবিলাক কুণ্ডলিনী শক্তিৰ দ্বাৰাই সাধিত হৈ থাকে। সেই কুণ্ডলীনীয়ে মুলাধাৰত থকা ত্রিকোণাকৃতি পদ্ম বা চক্রত অৱস্থান কৰি শৰীৰৰ ভিতৰত সকলো প্রকাৰ ক্রিয়া চলাই থাকে। এই বিষয়ে মূল প্রবন্ধৰ চতুর্থ আধ্যায়ত বিশেষৰূপে উল্লেখ কৰা হৈছে। প্রাণায়াম বা প্রণৱ-সাধনাৰ দ্বাৰা কুণ্ডলিনীয়ে ষড়চক্র ভেদ কৰি ওপৰলৈ উঠে আৰু তাৰ লগে লগে বিক্ষেপণ ক্রিয়া

আৰু অহংজ্ঞান ক্ৰমে ক্ষীণ হ'বলৈ ধৰে। অৱশেষত কুণ্ডলিনী প্ৰণৱত স্থিতি হ'লে অহংজ্ঞান আৰু মনৰো লয় হয়। মনৰ লয় হোৱাই সমাধি বা শান্তি। সাধনাৰ— দ্বাৰা পৰমা গতি লাভ কৰিবলৈ মানৱদেহে উপযুক্ত যন্ত্ৰ। মুক্তি লাভ কৰিবলৈ হ'লে দেৱতায়ো মানৱদেহ ধাৰণ কৰিব লাগে। সৰ্ব্বব্যাপী ভগৱান সকলো ঘটতে বৰ্ত্তমান। "ঈশ স্বৰূপে হাৰ সবঘটে বেঠহ জৈচন গগন বিযাপী।" সেই অন্তৰস্থ আত্মাৰূপী ভগৱানক এই দেহযন্ত্ৰৰ সহায়েৰেহে উপলব্ধি কৰা সম্ভৱ। সেইকাৰণে "ধন্য ধন্য কলিকাল ধন্য নৰতনু ভাল ধন্য ধন্য ভাৰত বাৰিষে।" সাধনাৰ ক্ষেত্ৰ ভাৰতবৰ্ষত জন্মগ্ৰহণ কৰি এনে উত্তম নৰতনুৰ সুযোগ লব নোৱাৰিলে জনম বৃথা। ভগৱানৰ মন্দিৰ এই দেহক পৱিত্ৰ আৰু সুস্থ ৰাখিবলৈ সাধনাৰ প্ৰধান অঙ্গ প্ৰাণায়াম বা যোগাভ্যাস বিশেষ উপযোগী।

১৮। শ্ৰীমদভগবদ্গীতাৰ অষ্টম অধ্যায়ৰ অষ্টম শ্লোকত আৰু দ্বাদশ অধ্যায়ৰ নৱম শ্লোকত অভ্যাস-যোগৰদ্বাৰা এই প্ৰণৱ-সাধনাকে বুজাইছে। কিভাৱে এই যোগ অভ্যাস কৰিব লাগে শ্ৰীমদ্‌ভগবদ্‌গীতাৰ ষষ্ঠ অধ্যায়ৰ ত্ৰয়োদশ আৰু চতুৰ্দ্দশ শ্লোকত বিশেষ ভাবে বৰ্ণনা কৰা হৈছে।

সমং কায়শিরোগ্রীবং ধারয়ন্নচলং স্থিরঃ ।
সম্প্রেক্ষ্য নাসিকাগ্রং স্বং দিশশ্চানবলোকয়ন্ ॥
প্রশান্তাত্মা বিগতভীর্ব্রহ্মচারিব্রতে স্থিতঃ ।
মনঃ সংযম্য মচ্চিত্তো যুক্ত আসীত মৎপরঃ ॥

এই সম্বন্ধে যোগবাশিষ্ঠৰ উপদেশ এই যে অন্তৰৰ পৰা বাসনা ত্যাগ কৰি আৰু পায়ু আদি দ্বাৰ সঙ্কোচ কৰি স্থানকাদিক্রিয়া অৱলম্বন পূর্ব্বক প্রাণায়াম অভ্যাস কৰিব লাগে । শাস্ত্রালোচনা, সাধুসঙ্গ, ভোজন-শুদ্ধি আৰু আসনশুদ্ধি পূর্ব্বক ঘণ প্রাণায়াম অভ্যাস কৰিলে প্রাণৰ ওপৰত প্রভুত্ব জন্মে । তেতিয়া ৰাজ্যাদি-মোক্ষ পর্য্যন্ত সম্পদ লাভ কৰিব পাৰি । পৱনাভ্যাস সম্বন্ধে যোগবাশিষ্ঠৰ নির্ব্বাণপ্রকৰণৰ পূর্ব্বভাগ ৮০ সর্গত এই দৰে কোৱা হৈছে :—

অন্তস্থা হ্যখিলাস্ত্যক্ত্বা সাধ্যার্থেতৰবাসনাঃ ।
গুদাদিদ্বাৰসঙ্কোচাৎ স্থানকাদিক্রিয়াক্রমৈঃ ॥৩১॥
ভোজনাসনশুদ্ধ্যা চ সাধুশাস্ত্রার্থভাবনাৎ ।
স্বাচাৰাৎ সুজনাসঙ্গাৎ সর্ব্বত্যাগাৎ সুখাসনাৎ ।৩২॥
প্রাণাঃ প্রভুত্বাৎ তজ্জ্ঞস্য পুংসো ভৃত্যা ইবাখিলাঃ ॥৩৪॥
ৰাজ্যাদিমোক্ষপর্য্যন্তাঃ সমস্তা এব সম্পদঃ ।৩৫॥

১৯ । যোগশাস্ত্রত কেতবোৰ বিশেষ বিশেষ শব্দৰ ব্যৱহাৰ কৰা হৈছে । সাধনাত সিদ্ধ মহাপুৰুষ সকলে

হে সেইবোৰৰ তাৎপৰ্য্য বুজ। সৰ্ব্বসাধাৰণৰ অৱগতিৰ নিমিত্তে কেতবোৰ নিত্য ব্যবহৃত বিষয় চতুৰ্থ অধ্যায়ত চিত্ৰাঙ্কিত কৰি দেখুৱা হৈছে। সাধনা কৰিবলৈ প্ৰণৱমন্ত্ৰৰ বাহিৰেও আন আন বীজমন্ত্ৰ আছে। যি মন্ত্ৰৰ সহায়েৰে সহজে সাধনা কৰিব পৰা যায় তাক সহজ (বা সহজাত) সাধন বোলে। এই মন্ত্ৰৰ আন আন নাম মূলমন্ত্ৰ, ব্ৰহ্মমন্ত্ৰ, আত্মমন্ত্ৰ আৰু অজপামন্ত্ৰ। উশাহ-নিশ্বাসৰ লগতে আপোনা আপুনি এই মন্ত্ৰ উচ্চাৰিত হয় বুলি ইয়াক অজপা মন্ত্ৰ বোলে। কোনো কোনো শাস্ত্ৰত ইয়াকে হংসমন্ত্ৰও বোলে। প্ৰণৱমন্ত্ৰ আৰু হংসমন্ত্ৰৰ বিশেষ প্ৰভেদ নাই—"হংস-প্ৰণৱয়োৰভেদঃ"

২০। কোনো কোনো শাস্ত্ৰমতে এই হংস-মন্ত্ৰক সোহহংমন্ত্ৰ বুলি অভিহিত কৰা হৈছে। এই মন্ত্ৰৰ মাহাত্ম্য সম্বন্ধে শাস্ত্ৰত এইদৰে কোৱা হৈছে—

"অজপানামগায়ত্ৰী যোগীনাং মোক্ষদা সদা।
অস্যাঃ সঙ্কল্পমাত্ৰেণ সৰ্ব্ব পাপৈঃ প্ৰমুচ্যতে।"

অনেক খ্যাতনামা সাধকে এই অজপা-মন্ত্ৰৰ সাধন কৰি সিদ্ধি লাভ কৰি গৈছে। তেওঁলোকৰ ৰচিত পদাৱলীত ইয়াৰ সঙ্কেত দেখিবলৈ পোৱা যায়। কালীপুৰ আশ্ৰমৰ প্ৰতিষ্ঠাতা শ্ৰীমৎ স্বামী পূৰ্ণানন্দ পৰমহংস দেৱৰ বিৰচিত

সঙ্গীতত ইয়াৰ তাৎপৰ্য্য বিশেষকৈ ভাঙি কোৱা হৈছে। সৰ্ব্বসাধাৰণৰ কৌতূহল নিবাৰণাৰ্থে তাৰে দুফাকি পদ ইয়াত তুলি দিয়া হ'ল—

"'হং' বললে 'ওঁ' হযবে মন, স্বৰূপেতে ৰওবে তখন।
বিৰূপ ঘুচবাৰ মহৌষধ মন, সদা তুমি পিবৰে॥
'সঃ' ব'লে 'হুঁ' কৰবে বাৰণ, যাতে ঘুচে জন্ম-মৰণ।
পাবেৰে সেই ভবতাৰণ যে বিৰাজে সহস্ৰাৰে॥"

২১। কিন্তু সাধনাৰ আচল কৌশলখিনি গুৰু-দীক্ষা সাপেক্ষ। সাধনাৰ সুকৌশল তত্ত্বজ্ঞ গুৰুৰ পৰা বুজি-লৈ তেওঁৰ উপদেশ অনুসাৰে দৃঢ় অভ্যাস কৰা উচিত। এই সম্বন্ধে শ্ৰীমদ্ভগবদ্গীতা আৰু যোগবাশিষ্ঠ-ৰামায়ণৰ মত এক—

তদ্ বিদ্ধি প্ৰণিপাতেন পৰিপ্ৰশ্নেন সেবয়া।
উপদেক্ষ্যন্তি তে জ্ঞানং জ্ঞানিনস্তত্ত্বদৰ্শিনঃ॥

শ্ৰীমদ্ভাগবদগীতা।
৪।৩৪

সাধূনাং সমদৃষ্টীনাং পৰিপ্ৰশ্নেন সেবয়া।
সঙ্গমেন চ সা যুক্তিৰ্লভ্যতে মুচ্যতে যথা॥

নিৰ্ব্বাণ-পূৰ্ব্ব ৮৭।৩৩
যোগবাশিষ্ঠ-ৰামায়ণ।

২২। এই মন্ত্র এটি ধ্বনি বিশেষ। ইয়াৰ ভাষাগত বিশেষ অর্থ নাই। উশাহ-নিশ্বাসৰ লগতে এই মন্ত্র জপ কৰা হয়। এই সম্বন্ধে শাস্ত্রবাক্য এই—

"স-কাৰেণ বহির্যাতি হ-কাৰেণ বিশেৎ পুনঃ।
হংস হংসেত্যমুং মন্ত্রং জীৱো জপতি সর্ব্বদা॥"

সকলো মানুহৰ উশাহ-নিশ্বাসৰ কার্য্য একে। সেই কাৰণে এই মন্ত্রৰ সাধনা সার্ব্বজনীন আৰু সকলো জাতি আৰু সম্প্রদায়ৰ মানুহতে ই খাটিব পাৰে।

২৩। শ্রীমদ্ভগবদ্গীতাৰ উপদেশ মতে সকলো প্রকাৰ কর্ম্ম জ্ঞানত অর্থাৎ আত্মজ্ঞানত পৰিসমাপ্তি লাভ কৰে। জ্ঞানাগ্নিৰ দ্বাৰাই সর্ব্ব কর্ম্ম ভস্মীভূত হয়। কি জ্ঞানযোগ কি কর্ম্মযোগ কি ভক্তিযোগ সকলো যোগৰ লক্ষ্য হৈছে আত্মদর্শন লাভ কৰা অর্থাৎ আত্ম-স্বৰূপ বা জ্ঞানস্বৰূপ হোৱা। তেনেকুৱা অৱস্থা লাভ কৰিবলৈ হলে আগতে কৈ অহা অষ্টাঙ্গ যোগৰ প্রণালী পূৰা-পূৰিকৈ পালন কৰা উচিত। এই নিয়মৰ ব্যতিক্রম হলে পূর্ণ-জ্ঞান লাভ কৰা বৰ কঠিন।

২৪। বর্ত্তমান তথাকথিত সভ্য সমাজ নানা প্রকাৰ অশান্তি, স্বেচ্ছাচাৰ, ব্যভিচাৰ আৰু উপদ্রৱেৰে জলা কলা। সমাজত চৰিত্রৱান লোকৰ অভাৱেই হৈছে এই দুর্গতিৰ মূল কাৰণ। উচ্চশিক্ষিত ভদ্রলোক বিলাককো

যে দুর্নীতিপৰায়ণ হোৱা দেখা যায় তাৰ একমাত্ৰ কাৰণ হৈছে অঙ্গহীন শিক্ষা। ঋষি-মুনি বিলাকে প্ৰদৰ্শিত অষ্টাঙ্গ যোগৰ প্ৰণালী চৰিত্ৰ গঠনৰ নিমিত্তে বিশেষ উপযোগী। চৰিত্ৰ গঠন কৰি সমাজত শান্তি স্থাপন কৰিবলৈ হলে এই সাধন প্ৰণালী শিক্ষাৰ অঙ্গীভূত কৰি লোৱা উচিত। সেই শিক্ষা নিয়মিত ভাৱে দিবলৈ চৰিত্ৰৱান আৰু তত্ত্বজ্ঞ শিক্ষকৰো আৱশ্যক। সাধনাৰ কৌশল অৱলম্বন পূৰ্ব্বক আত্মজ্ঞান লাভ নকৰাকৈ কেৱল মন্ত্ৰপাঠ কৰিলেই ভাটৌ চৰাইয়ে "ৰাম ৰাম" বোলাৰ নিচিনা বিশেষ লাভ নহয়। সেই সাধনাৰ সুকৌশল তত্ত্বজ্ঞানী গুৰুৰ হাতত। গুৰুৱেই গোবিন্দ। গুৰুৰ ঘাট পাৰ নোহোৱাকৈ কোনোৱে গোবিন্দক দৰ্শন কৰিব নোৱাৰে। গোবিন্দেই গুৰুৰূপে সকলোকে ৰক্ষা কৰি আছে। সেই কাৰণে হে বন্ধুসকল! আহক সকলোৱে মিলি প্ৰাণখুলি গুৰুগীত গাওঁ :

ব্ৰহ্মানন্দং পৰমসুখদং কেৱলং জ্ঞানমূৰ্ত্তিম্।
দ্বন্দ্বাতীতং গগনসদৃশং তত্ত্বমস্যাদিলক্ষ্যম্॥
একং নিত্যং বিমলমচলং সৰ্ব্বদা সাক্ষিভূতম।
ভাবাতীতং ত্ৰিগুণৰহিতং সদ্‌গুৰুং তং নমামি॥

ওঁ তৎ সৎ।

BRAR… 343. GAUHATI—ASSAM